# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৪/২/২০২৪ বুধবাৰ

**পুৱা ৯.৩০ বজাৰ লগে লগে মাননীয় উপাধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত ইং ১৪-০২-২০২৪ তাৰিখৰ অসম বিধান সভাৰ বাজেট অধিবেশন ২০২৪ চনৰ দিনটোৰ বাবে সদনৰ কাৰ্য্যক্ৰমণিকা আৰম্ভ হয় ।**

(মাননীয় উপাধ্যক্ষ মহোদয়ৰ সদনত প্ৰবেশ)

**মাননীয় উপাধ্যক্ষ ঃ** নমস্কাৰ -- আজি ফাগুনৰ প্ৰথম দিন । সকলোকে শ্ৰীশ্ৰীসৰস্বতী পূজা, বসন্ত পঞ্চমী আৰু আলিঃ আইঃ লৃগাংৰ শুভেচ্ছা জ্ঞাপন কৰিছো ।--- আইটেম নং- ১ - কোৱেশ্বন আৱাৰ । মাননীয় সদস্য ভাস্কৰজ্যোতি বৰুৱা ।

**শ্ৰীঅতুল বৰা , (মন্ত্ৰী, কৃষি ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰীভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰটো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা পাইছো। ইয়াত মোৰ এটা সংযোজনহে আছে। সংযোজনটোৰ লগত মই এটা প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছো। আমি সকলোৱে জানো যে কৃষি আমাৰ মানৱ জাতিৰ বাবে কিমান প্ৰয়োজনীয় এতিয়া কৃষি বুলি ক'লে আমি কেৱল ধান খেতি বা শাক পাচলিৰ খেতি কৰাকে নুবুজায় কাৰণ খেতিৰ লগত গাওঁসমূহৰ মানুহ জড়িত হৈ আছে । সেই মানুহখিনিৰ যদি উন্নয়ণ নহয় তেনেহ'লে গাওঁসমূহৰো উন্নয়ণ নহ'ব। তেনেস্থলত ৰাজ্যখন আৰু দেশৰো উন্নতি নহ'ব। মোৰ প্ৰশ্নটো আছিলে কল্ড ষ্ট'ৰেজক লৈ। ইতিমধ্যে চৰকাৰে ৫০ শতাংশ চাবচিডি দি ক'ল্ড ষ্টৰেজ কৰিবলৈ দিছে। মোৰ প্ৰশ্নটো সমগ্ৰ ৰাজ্যৰ ভিত্তিত হ'ব লাগিছিল কিন্তু লিখিত প্ৰশ্নত মই বৰহোলাৰ কথাহে লিখিছো। বৰহোলাত যথেষ্ট খেতি কৰা হয়। বিলাহী , আলু ইত্যাদিও তাত খেতিয়কসকলে উৎপাদন কৰে। আলুৰ বীজবিলাক আমি বাহিৰৰ পৰা কিনি আনিব লাগে। সেই কাৰণে আমাৰ যদি আলু মজুত ৰাখিবৰ কাৰণে ক'ল্ড ষ্টৰেজ থাকে, তেনেহ'লে আমি ঘৰতে উৎপাদন কৰা আলুৰ ভাল বীজ সংৰক্ষণ কৰি ৰাখিম পাৰিম। মই ৰাতিপুৱা এগৰাকী এগ্ৰিকালচাৰ চাইনটিষ্টৰ লগত কথা পাতিছিলো। বৰ্তমান আমাৰ আসাম এগ্ৰিকালছাৰ ইউনিভাৰছিটিত এই টেকন'ল'জি আছে। ঠিক তেনেদৰে আমাৰ তাত বিলাহীও যথেষ্ট পৰিমানে খেতি কৰা হয়। আলু -বিলাহীৰ লগতে যিবিলাক উদ্যান শস্য যেনে কবিৰ পৰা আৰম্ভ কৰি অন্যান্য শস্য আছে সেইবিলাক সময়তে হয়। সেই কাৰণে আমি যদি প্ৰতিটো এল এ চিত একোটাকৈ ক'ল্ড ষ্টৰেজ কৰিবলৈ উদ্‌গনি জনাওঁ তেনেহ'লে খেতিয়কসকলে এই শস্য আৰু বীজবিলাক সংৰক্ষণ ক ৰি ৰাখিব পাৰে। গতিকে মোৰ এটাই প্ৰশ্ন যে এজন খেতিয়কে ৫০ শতাংশ চাবচিডিত কেতিয়াও ক'ল্ড ষ্টৰেজ বনাব নোৱাৰে। গতিকে ইণ্ডিভিজুৱেলী খেতিয়কবিলাকক চাবচিডি ৭৫ শতাংশলৈ বঢ়াই দিব নেকি ? আৰু যি এফ পি চি আছে সেইটোত চৰকাৰে চাবচিডি ৯০ শতাংশলৈ বৃদ্ধি কৰিব নেকি ?

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ.... অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, (কৃষি ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে, সন্মানীয় সদস্য ভাস্কৰ জ্যোতি বৰুৱা এগৰাকী নিজে কৃষক । তেখেতে যিকেইটা পৰামৰ্শ দিছে

সেইকেইটা নিতান্তই গুৰুত্বপূৰ্ণ। তেখেতৰ অভিজ্ঞতাৰে সেই কথাখিনি সদনৰ মজিয়াত কৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, কৃষক ৰাইজৰ সৰ্ব্বাঙ্গীন বিকাশৰ লগতে ৰাজ্যখনৰ কৃষিভিত্তিক যি অৰ্থনীতি সেই কৃষিভিত্তিক অৰ্থনীতি শক্তিশালি কৰি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে । আজি সন্মানীয় সদস্য গৰাকীয়ে যি চাবচিডিৰ কথা কৈছে এই ক্ষেত্ৰত আমি - এইচ এম এন ই এচ- স্কীমৰ অধীনত ৫০ পাৰ্চেন্ট আমি চাবচিডি দিব পাৰো । এইখন আঁচনি কেন্দ্ৰীয় চৰকাৰৰ গতিকে ইয়াত আমি চাবচিডি বৃদ্ধি কৰিব নোৱাৰো। বৰ্ত্তমান ৰাজ্যখনত ৫২ টা ক'ল্ড ষ্টৰেজ আছে। বেছিভাগেই প্ৰাইভেট চেক্টৰত আছে ।প্ৰাইভেট চেক্টৰত ৩৮ টা , পাৱলিক চেক্টৰত ৯ টা বৰ্ত্তমান মুঠ ৪৫ টা ক'ল্ড ষ্ট'ৰেজ কাম কৰি আছে । আৰু দুটা ৰেডি হৈ আছে । এটা ছয়গাওঁত চৰকাৰৰ উদ্যোগতে নিৰ্মাণ কৰা হৈছিল। বৰ্তমান সেইটো চলি আছে আৰু এটা দৰং জিলাত আলুৰ চিজনত চলাবলৈ আমি ইতিমধ্যে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। মাননীয় সদস্যগৰাকীয়ে যিটো পৰামৰ্শ দিছে তাৰ বাবে ধন্যবাদ দিছো। এগ্ৰিকালচাৰ ইউনিভাৰচিটিৰ লগত আমি ক্ল'জত আছো কাৰণ টেকন'ল'জিৰ কথাখিনি তেওঁলোকৰ পৰাই ল'ব লাগিব আৰু অসম এগ্ৰিকালচাৰ ইউনিৰ্ভাচিটিখন ১৯৪৮ চনতে প্ৰতিষ্ঠা হৈছিল। তাত ৰিচাৰ্চ্চৰ ব্যৱস্থা আছে । ইতিমধ্যে আমি বহুখিনি চাপোৰ্ট পাইছো। ইতিমধ্যে বীজ উৎপাদন কৰাৰ বাবে বীজ নিগমৰ জৰিয়তে যথেষ্টখিনি ব্যৱস্থা আমি গ্ৰহণ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ -- এতিয়া কোৱেশ্চন নং- ১২২ - ধৰ্মেশ্বৰ কোঁৱৰ ।

**শ্ৰীনন্দিতা দাস, (বকো) ঃ** ছাৰ, মোৰ এটা চাপ্লিমেন্টৰি আছিল ।

**মাননীয় উপাধ্যক্ষ ঃ** মই ইয়াৰ নোটিছ পাইছো কিন্তু এইটো প্ৰশ্ন স্পেচিফিকেলী তিতাবৰৰ বৰহোলাৰ। এতিয়া নহয়। কোৱেশ্যনাৰে স্পেচিফিকেলী বৰহোলা বুলি লিখিছে ।

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, (সৰুক্ষেত্ৰী) ঃ** ছাৰ, চাপ্লিমেন্টৰী দিব লাগে মন্ত্ৰী মহোদয়ে ভালকৈ উত্তৰ দিম বুলি কৈছে । বছৰৰ পিচত বছৰ ধৰি আমি ক'ল্ড ষ্টৰেজৰ কথা কৈ আহিছো কিন্তু এতিয়াও হোৱা নাই , কিয় হোৱা নাই এই বিষয়ে কথাবিলাক স্পষ্ট হ'ব লাগে ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া নহয়.... বহক । আই কান্ট হেল্প ইউ । আপোনালোকৰ কথাখিনি বেলেগ এটা ডিভাইচত আনক। এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা কিছু কথা জানিব বিচাৰিছো। কৃষিক্ষেত্ৰত আমাৰ অধিক জৈৱিক সাৰৰ প্ৰয়োজন হৈছে। কৃষিত ৰাসায়নিক সাৰ ব্যৱহাৰ কৰা বাবে অধিক বেমাৰ আজাৰ মানুহবিলাকৰ হ'ব ধৰিছে। ৰাসায়নিক সাৰ ব্যাৱহাৰৰ ফলত মাটিৰ গুনাগুন কমি আহে আৰু মানুহৰ বহু বেমাৰ আজাৰ হ'ব ধৰিছে। গতিকে কৃষি ক্ষেত্ৰত জৈৱিক সাৰ ব্যাৱহাৰ কৰাৰ বাবে কৃষি বিভাগে কি ব্যৱস্থা লৈছে, জৈৱিক সাৰ কেনেকৈ উৎপাদন কৰিব পাৰি , কোন সময়ত জৈৱিক সাৰ ব্যৱহাৰ কৰিব লাগে এই এইখিনি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো লগতে আৰু এটা চাপ্লিমেন্টৰী ইয়াৰ লগতে কৈছো যে - খাদ্য শস্যত অধিক ৰাসায়নিক সাৰ ব্যৱহাৰে আমাক যিহেতু ক্ষতি কৰি আছে গতিকে জৈৱিক সাৰ প্ৰয়োগৰ বাবে কৃষকক সজাগতা সৃষ্টিৰ কি ব্যৱস্থা চৰকাৰে লৈছে মই জানিব বিচাৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰৰ ৰিপ্লাই ।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, (কৃষি ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই গুৰুত্বপূৰ্ণ বিষয় এটা সদনত উত্থাপন কৰিছে। অসম চৰকাৰে অৰ্গেনিক কাল্টিভেশ্যনৰ ওপৰত গুৰুত্ব দিছে, পৰম্পৰাগত খেতিৰ ওপৰতো গুৰুত্ব দিছে আৰু লগতে প্ৰাকৃতিক খেতিৰ ওপৰতো

সমান্তৰালভাৱে গুৰুত্ব দিছে। দেশৰ মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই এই বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক কৈছিল যে গুজৰাটৰ যিগৰাকী গৰ্ভনৰ আছে তেখেত প্ৰাকৃতিক খেতিৰ ওপৰত যথেষ্ট অভিজ্ঞ। তেখেতক নি তেখেতৰ যি অভিজ্ঞতা, তেখেতৰ বক্তব্য শুনাৰ ব্যৱস্থা কৰিব লাগে। আমি মহামান্য ৰাজ্যপাল গৰাকীক অসমলৈ নিমন্ত্ৰণ জনাইছিলো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আছিল, প্ৰায় ৮০০০ কৃষকক সন্মূখত ৰাখি তেখেতৰ বক্তব্য শুনোৱাৰ ব্যৱস্থা আমি কৰিছিলো। এতিমধ্যে কৃষি বিভাগৰ দ্বাৰা অসমৰ ১৮ খন জিলাৰ ১৯৭০৩ জন কৃষকক সামৰি উত্তৰ পবৰ ভাৰতৰ বাবে জৈৱিক মূল্য শৃংখল উন্নয়ন অভিযান যাক ইংৰাজীত এম ও ভি চি ডি এম ই আৰ বুলি কোৱা যায়। এইখন আঁচনি ৰূপায়ণ কৰি থকা হৈছে । এই আঁচনিৰ অধীনত জৈৱিক কৃষি সম্প্ৰসাৰণ কৰা হয় । ইতিমধ্যে প্ৰায় ২০ হাজাৰ হেক্টৰ মাটি ইতিমধ্যে জৈৱিকলৈ ৰূপান্তৰ কৰা হৈছে। জৈৱিক কৃষিত জৈৱিক সাৰৰ প্ৰয়োগ এক অপৰিহাৰ্য্য অঙ্গ ।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দেশত জনসংখ্যা দিনে দিনে বৃদ্ধি পাইছে, আমাৰ ৰাজ্যতো জনসংখ্যা বৃদ্ধি পাইছে। তেনেস্থলত জনসংখ্যাৰ জোৰা মাৰিবলৈ আমাৰ খেতিয়কসকলে নতুন নতুন পৰিকল্পনা কৰিছে। যিটো সময়ত দেশৰ জন বিস্ফোৰণ, খাদ্য শস্যৰ জোৰা মাৰিবলৈ পাঞ্জাৱ-হাৰিয়ানা আদিৰ দৰে ৰাজ্যই অত্যাধিক মাত্ৰাত ৰাসায়নিক সাৰ আৰু কীটনাশক ঔষধ প্ৰয়োগ কৰিছিল, অসমৰ ৰাইজে কিন্তু তেনে কৰা নাছিল। সজাগতাৰ অভাৱৰ বাবেই হওঁক বা আৰ্থিক অনাটনৰ কাৰণেই হওঁক আমাৰ কৃষক সকলে কৰিব পৰা নাছিল। সেই বাবেই অসমৰ মাটি এতিয়াও সাৰুৱা, উৰ্বৰ হৈ আছে।আমি যিকোনো ধৰণৰ খেতি কৰিব পাৰো। আমাৰ MOBCD আঁচনিৰ জৰিয়তে প্ৰত্যেকজন কৃষকক কেঁচু সাৰ আৰু কেঁচু ৰস উৎপাদন কৰাৰ বাবে ৭৫০০ টকাকৈ অনুদান আগবঢ়োৱা হয়। বৰ্তমানলৈ এই আঁচনিৰ জৰিয়তে ২০,০০০ কেঁচু সাৰ আৰু কেঁচু ৰস উৎপাদন কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও কৃষক জনৰ খেতিত প্ৰয়োজন হোৱা বিভিন্নধৰণৰ জৈৱিক সাৰ আৰু কীটনাশক ঔষধ কিনাৰ বাবে প্ৰতি হেক্টৰত তিনি বছৰৰ বাবে ৭৫০০ টকাকৈ অনুদান আগবঢ়োৱা হৈছে। এনেধৰণে আমাৰ উত্তৰ ভাৰতত এই MOBCD আঁচনিৰ জৰিয়তে জৈৱিক কৃষি ব্যৱস্থাপনৰ উপৰিও জৈৱিক সাৰৰ প্ৰয়োজনীয়তা আৰু ল'বলগা সজাগতাৰ ওপৰত প্ৰতিজন কৃষকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই প্ৰশিক্ষণ সমূহ প্ৰতি ২০-২৫ জন কৃষকক সামৰি এটা গোট কৰি আগ্ৰহী কৃষকসকলক প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও কিছুমান প্ৰগতিশীল কৃষকক জৈৱিক সাৰৰ ওপৰত সজাগতা সৃষ্টি কৰিবলৈ দেশৰ বিভিন্ন স্থানৰ কৃষিৰ অনুষ্ঠান সমূহত লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১২৩। মাননীয় সদস্য জলেন দৈমাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী জলেন দৈমাৰী, বিধায়ক (তামুলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো পাইছো। তথাপিতো মই পৰিপূৰক প্ৰশ্ন কৰিব বিচৰা নাই। কিছু কথা কৈ যাব বিচাৰিছো। আমাৰ তামুলপুৰ সমষ্টি ইণ্ডো-ভূটান বোৰ্ডাৰত আছে। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে আমাৰ BADP ৰ অধীনত পথ সংযোগৰ কাৰণে ইতিমধ্যে ৫ বছৰীয়া পৰিকল্পনা দাখিল কৰা হৈছে। কিন্তু বৰ্তমানলৈ কিছুমান ৰাস্তা নিৰ্মাণ হৈ উঠা নাই। আমি বিভিন্ন ৰাজ্যলৈ গ'লে বোৰ্ডাৰৰ অঞ্চলসমূহত বিউটিফিকেশ্যনৰ কাম কৰা দেখিছো। আমাৰ তামুলপুৰ সমষ্টিতো এনেকুৱা ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? ইয়াৰ লগতে আমাৰ ইয়াত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত এটা বাচ আস্থানৰ

প্ৰয়োজন আছে। সেয়েহে বাচ ষ্টেণ্ড বা তেনেকুৱা ধৰণৰ কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। দৰঙ্গা বনভোজস্থলী আৰু বগামাটিত বাহিৰৰ ৰাজ্যৰ পৰা বহু পৰ্য্যটক আহে। কিন্তু ইয়াত থকা পানীযোগানৰ ব্যৱস্থাখিনি যথেষ্ট নহয়। ইয়াৰ ব্যৱস্থা লোৱাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি আৰু পশুপালন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক তেওঁ কৰা প্ৰশ্নৰ বাবে ধন্যবাদ জনালো। তেওঁৰ প্ৰশ্নসমূহ তামুলপুৰ কেন্দ্ৰিক। আমাৰ ৰাজ্যখনক কেইখনমান ৰাজ্যই আৰু কেইখনমান ৰাষ্ট্ৰই আগুৰি আছে। বাংলাদেশ, ভূটান আৰু বাকী চুবুৰীয়া ৰাজ্যসমূহৰ লগত আমাৰ সীমা সমস্যা আছে। আমাৰ যিখিনি সীমান্ত অঞ্চল বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় সীমা অঞ্চলসমূহত যিখিনি আঁচনি লওঁ সেইখিনি মূলতঃ ভাৰত চৰকাৰৰ আঁচনি। গতিকে ভাৰত চৰকাৰৰ পৰা পোৱা ধন সাপেক্ষে আমি কেতবোৰ ব্যৱস্থা ল'ব পাৰো। মাননীয় সদস্য গৰাকীয়ে যি কথা উল্লেখ কৰিছে, তাৰ ওপৰত ৰাজ্য চৰকাৰেও বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। অসম দৰ্শন আঁচনিৰ অধীনত দৰঙ্গা বনভোজ স্থলী, বগামাটি বনভোজ স্থলী ঠিক কৰা হৈছে। এই ক্ষেত্ৰত বহু আঁচনি গ্ৰহণ কৰা হৈছে। BADP আঁচনিৰ অধীনত ইণ্ডো-ভূটান অঞ্চলত ইতিমধ্যে মাৰ্কেট শ্বেড নিৰ্মাণ কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে বিচৰা ধৰণে আমি যিখন তালিকা দাখিল কৰিছো তাত বিস্তৃতভাৱে সন্নিবিষ্ট আছে। কিবা থাকিলে আমি তেখেতৰ লগত আলোচনা কৰিম আৰু এই ক্ষেত্ৰত আৰু বেছি ব্যৱস্থা গ্ৰহণ কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১২৪। ড° অমিয় কুমাৰ ভূঞা, তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং-১২৫। মাননীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি আৰু পশুপালন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ডঃ ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে আমাৰ পশু চিকিৎসালয় সমূহত যিমান পৰিমাণৰ ঔষধ যোগান ধৰে সেইখিনি পৰ্য্যাপ্ত নেকি? জিলা সমূহৰ পৰা যি ধৰণৰ ডিমাণ্ড আহে, সেই হিচাবে ঔষধৰ যোগান ধৰা হয় বুলি মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে। কিন্তু আমি দেখিছো যে যিমান পৰিমাণৰ ঔষধ তেওঁলোকে ডিচপেনচাৰীসমূহলৈ পঠিয়ায় সেইখিনি খুব বেছি এসপ্তাহ বা দহ দিন চলে। বাকী ২০ দিন জনসাধাৰণ আহে আৰু ঔষধ নাপাই ঘূৰি যাবলগীয়া হয়। তেওঁলোকে লিভ-৫২, এপিট'মিক আদিকে ধৰি বিভিন্ন ধৰণৰ ঔষধ যোগান ধৰে বুলি লিষ্টত দিছে। জিলাৰ পৰা পৰ্য্যাপ্ত ডিমাণ্ড নিদিয়ে নে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা যাওঁতে কিবা খেলিমেলি হয়। দ্বিতীয়তে, মই কিমান কেইখন ডিচপেনচাৰী আছে বুলি সুধিছিলো। মোৰ জনীয়া, মন্দিয়া বুলি দিছে। কিন্তু জনীয়া, বাঘবৰ, চেঙা হিচাবে হ'ব লাগিছিল। কাৰণ আমি তেনেকৈ বিধায়ক হিচাবে নিৰ্বাচিত হৈ আহিছো। তথাপিও ডি-লিমিটেশ্যন হিচাবত মন্দিয়া হিচাবে দিছে। অৰ্থাৎ জনীয়া সমষ্টি আৰু বাঘবৰ সমষ্টিৰ আধা অংশ লৈ দিছে। বৰপেটা জিলাৰ জনীয়া, মন্দিয়াত আটাইতকৈ বেছি ঘৰচীয়া জীৱ-জন্তু আছে। চেঙাত ১,৭৬০০০ আৰু মন্দিয়াত ১৭৪০০০ জীৱ-জন্তু আছে। কিন্তু ইয়াত কেৱল এখন কলগাচিয়া ভেটেৰেনাৰী ডিচপেনচাৰী আছে। ১৭৪০০০ জীৱ-জন্তুৰ চিকিৎসাৰ বাবে এইখিনি পৰ্য্যাপ্ত নেকি? বাঘবৰ, চেঙা, মন্দিয়াত কেৱল এখনকৈ আছে। কিন্তু তেওঁলোকে ব্লকত এখন

আৰু জিলাত এখন মুঠতে দুখনকৈ দেখুৱাইছে। কিন্তু আমাৰ দৃষ্টিত এইখিনি যথেষ্ট নহয়। মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছো যে তেখেতৰ কাৰণে এইখিনি যথেষ্ট নেকি? যদি যথেষ্ট নহয়, তেন্তে ইয়াত আপোনাক হস্পিতাল নিৰ্মাণ কৰাৰ বাবে অনুৰোধ জনালো। কথা ক'ব নোৱাৰা জন্তুখিনিক আমি মৰম দেখুৱাও। গো-মাতাৰ কথা কওঁ। কিন্তু এই জীৱ-জন্তুবোৰ যে মৃত্যু হৈছে, তাৰ ওপৰত ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** এইখিনি পৰ্য্যাপ্ত হয় নে নহয়, তাৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি আৰু পশুপালন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিকেইটা প্ৰশ্ন উত্থাপন কৰিছিল, তাৰ উত্তৰ সঠিকভাৱে পাইছে। Animal Husbandry and Veterinary বিভাগটো কংগ্ৰেছৰ শাসন কালছোৱাত একেবাৰে নিম্নগামী হৈছিল। দেউতাকো Veterinary অফিচাৰ আছিল আৰু পুতেকো Veterinary অফিচাৰ আছিল। কোনো ধৰণৰ পদোন্নতি হোৱা নাছিল আৰু মেন পাৱাৰো নাছিল। এই মৃতপ্ৰায় বিভাগটোক গতিশীল কৰি তুলিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ দূৰদৰ্শী নেতৃত্বত ইতিমধ্যে বহুখিনি ব্যৱস্থা গ্ৰহণ কৰিছো। তেখেতে কৈছে যে আমাৰ মানুহৰ চিকিৎসাৰ বাবে চিকিৎসালয় বিভিন্ন স্থানত নিৰ্মাণ কৰিছো। ঠিক তেনেধৰণে পশু চিকিৎসলয় আমি পৰ্য্যায়ক্ৰমে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগিব। জিলাত যি ঔষধ যোগান ধৰাৰ কথা কৈছে, আমি ভাৱিছো যে আমি যিমানখিনি চৰকাৰৰ ফালৰ পৰা ঔষধ যোগান ধৰিছো, সেইখিনি পৰ্য্যাপ্ত। যদি নিৰ্দ্দিষ্ট কোনো ডিচপেনচাৰী, চাব-চেণ্টাৰ বা চিকিৎসালয় পোৱা নাই তাৰ ব্যৱস্থা কৰিব পৰা যাব। ইয়াৰোপৰিও আমাৰ বিভাগৰ ফালৰ পৰা ১৮১ খন মোবাইল ভেটেৰেনাৰী ইউনিট, এম্বুলেঞ্চ যোগান ধৰিছো। এই মোবাইল ভেটেৰেনাৰী ইউনিটে ৰাজ্যখনৰ বিভিন্ন ঠাই, গাঁৱে-ভূঞে গৈ চিকিৎসা প্ৰদান কৰিছে। তেখেতে মন্দিয়াৰ কথা কৈছে, আমি জানো যে মন্দিয়াত ঘৰচীয়া জীৱ-জন্তুৰ সংখ্যা বহুত বেছি। গাহৰিৰ বাহিৰে গৰু, ম'হ, ছাগলী, ভেৰা আদি আছে। কিন্তু মন্দিয়াত কেৱল ২৭ টা মান গাহৰি আছে। গাহৰিৰ সংখ্যা বঢ়াব লাগিব। কাৰণ গাহৰি মাংসৰ চাহিদা বাঢ়িছে। তেখেতে যিকেইটা পৰামৰ্শ দিছে, আমি নিশ্চয় পৰামৰ্শ কেইটা গ্ৰহণ কৰিম আৰু আপোনাৰ কিবা থাকিলে মোক জনাব। মই নিশ্চয় ব্যৱস্থা লম।

**ডঃ ৰফিকুল ইছলাম (জনিয়া )ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে কৈছে যে তেওঁলোকে যিখিনি medicine supply দিয়ে সেইখিনি যথেষ্ট, কিন্তু মই আপোনাক নিৰ্দিষ্টভাৱে কৈছো যে মোৰ জনিয়া সমষ্টিত কলগাছিয়া পশু চিকিৎসালয় যিখন আছে, তাত মই নিজেই মাজে মাজে যাঁও, তাত ঔষধ এসপ্তাহৰ বেছি নাযায়, টানি-টুনি ১০ দিন চলাই, ২০ দিন নাযায়। গোটেই মাহৰ ঔষধ লাগিব। এই ২০ দিনত যদি কোনোবা জন্তুৰ বেমাৰ হয় কি অৱস্থা হ'ব? আমাৰ মানুহৰে এদিন বেমাৰ হ'লে আমি থাকিব নোৱাৰো। এইটো মোৰ প্ৰশ্ন.....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** ২০ দিনত বেমাৰ হ'লে কি হ'ব? মন্ত্ৰী ডাঙৰীয়া ......interruptions.....

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া )ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় supplementary ..interruptions.....

**মাননীয় উপাধ্যক্ষঃ** হ'ব আৰু নালাগে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া )ঃ** চাৰ, এইটো মই আগৰ কথাটোত উত্থাপন কৰিলো......interruptions.....

**মাননীয় উপাধ্যক্ষঃ** আগৰ কথা কিয় কৈছে? যিটো ক'ব লাগে, supplementary সেইটো কওঁক। Be specific.

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া )ঃ** চাৰ, মোৰ যিখিনি সময়, মোক সেইখিনি ল'বলৈ দিয়ক।

**মাননীয় উপাধ্যক্ষঃ** এইয়া debate নহয়, Question Hour ত আপুনি কেৱল প্ৰশ্ন সুধিব পাৰে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া )ঃ** চাৰ, গো-শালাত কিমান জন্তুৰ মৃত্যু হৈছে, সেইটো মোৰ প্ৰশ্ন আছিল। ইয়াতে চকু কপালত উঠিব......interruptions...

**মাননীয় উপাধ্যক্ষঃ** আপুনি পঢ়িব নালাগে, specific প্ৰশ্নটো সোধক।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া )ঃ** চাৰ, গোটেই অসমৰ গো-শালাত ১০ হাজাৰ জীৱ-জন্তু আছে। তেওঁ দিয়া উত্তৰ অনুসৰি যোৰহাটৰ শ্ৰী গীতা গো-শালাত ২০২৩-২৪ বৰ্ষতে ১৮৬ টা জন্তুৰ মৃত্যু হৈছে। ইমানতো মানুহো নমৰে। শ্ৰী গোপাল গো-শালা, ডিব্ৰুগড়ত এক বছৰত ৪৮ টা জন্তুৰ মৃত্যু হৈছে .....interruptions...

**মাননীয় উপাধ্যক্ষঃ** Hon'ble Member, please ask your specific question, it is a supplemenatry.

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া )ঃ** চাৰ, মোক তথ্য দিছে আৰু তথ্য অনুসৰি ইমান জীৱৰ কেনেকৈ মৃত্যু হ'ল? তাত চিকিৎসাৰ কিবা ব্যৱস্থা আছে নে নাই? নে তেওঁলোকক বিক্ৰী কৰি মৃত্যু হোৱা দেখুৱাই আছে নে চিকিৎসাৰ অভাৱত মৃত্যু হৈছে নে বাৰ্দ্ধক্যজনিত কাৰণত মৃত্যু হৈছে এই গোটেই বিষয়টো, অসমৰ গোটেই গো-শালাৰ সম্পৰ্কত তদন্ত হ'ব লাগে। আমি মুখত কেৱল গো-মাতা প্ৰেম দেখুৱালে নহ'ব। এইখিনিয়েই মোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত আবেদন থাকিল।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, জনিয়াৰ কলগাছিয়াত medicine ৰ short supply ৰ কথা যি কৈছে, এই ক্ষেত্ৰত মই বিভাগীয় বিষয়াৰ নিৰ্দেশ দিম যাতে ভৱিষ্যতে এইটো আৰু নহয় আৰু ইয়াৰ বাবে যাৱতীয় ব্যৱস্থা যাতে লয়। দ্বিতীয়তে, আপুনি যিকেইখন গো-শালাৰ কথা কৈছে তাত বহুত বেছি গৰু হৈছে আৰু তেওঁলোকে চম্ভালিব নোৱাৰা হৈছে। এই গৰুবোৰ চোৰাং ব্যৱসায়ীৰ পৰা জব্দ কৰা হৈছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয় এই চোৰাং ব্যৱসায়ৰ ক্ষেত্ৰত তৎপৰ হোৱাৰ কাৰণে আৰু আইন কৰাৰ কাৰণে বেছিভাগ সীমান্তৰ পৰাই গাড়ী সোমোৱাৰ অৱস্থাতে ধৰি এই গৰুবোৰক গো-শালাত দিয়া হয়। ইয়াত বহু বেমাৰী গৰু আহে, বহুদিন খাবলৈও নাপায়। এনে অৱস্থাত গৰুবোৰ তাত দিয়াৰ বাবে কিছুমান গৰু স্বাভাৱিকতে মৰে। এইটো আমি নূই নকৰো। যোৰহাটৰ শ্ৰী গীতা গো-শালাৰ কথা যে কৈছে, তাত কিছু দিনৰ আগতে জুই লাগিছিল। তাত যিমান stock আছিল, সকলো পুৰি শেষ হৈ গ'ল। বহুত লাখ টকাৰ লোকচান হৈছে। মই নিজেও তাত গৈছিলো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ ৰাজ্যখনত যিবোৰ গো-শালা আছে, সেইবোৰক শক্তিশালী কৰিবৰ বাবে, এই মাতিব নোৱাৰা জীৱ-জন্তুবোৰে যাতে suffer কৰিবলগীয়া নহয় তাৰ বাবে ইতিমধ্যে গো-শালাবোৰত চিকিৎসকৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত যিখন গো-শালা আছে, তাত দুজন ডাক্তৰ থাকে। বিভিন্ন ঠাইত Field Assistant আছে। পাৰ্য্যমানে গো-শালাৰ ক্ষেত্ৰত যিমানখিনি চিকিৎসা সেৱা আগবঢ়াব লাগে তাত চৰকাৰে অকনো কৃপণালি কৰা নাই। চৰকাৰৰ তৰফৰ পৰা যিখিনি support দিব লাগে, সেইখিনি support দিয়া হৈছে। তথাপিও মাননীয় সদস্যগৰাকীয়ে যিহেতু এই বিষয়টো আমাৰ

দৃষ্টিগোচৰ কৰিছে তাৰ বাবে মই তেওঁক ধন্যবাদ জনাইছো আৰু বিভাগৰ তৰফৰ পৰা এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, এইটো বৰপেটা specific যদি প্ৰশ্ন আছে, সুধিব পাৰে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই ঔষধ যোগানৰ বিষয়ে কৈছে। কিন্তু আপোনাৰ জৰিয়তে মই তেখেতক জনাওঁ যে ৰফিকুল ইছলাম ডাঙৰীয়াই যি দাবী উত্থাপন কৰিছে, সেইটো সঁচা। ঔষধবোৰ ১০ৰ পৰা ১৫ দিন যায় আৰু মাহৰ শেষত ঔষধ নাথাকে। সকলোৱে গৈ ব্যক্তিগত বিপনীৰ পৰা ঔষধ কিনিব লাগে। গতিকে, এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষ নজৰ দিয়াৰ বাবে মই অনুৰোধ জনাইছো। তাৰোপৰি, যোৱা তিনিটা বছৰে অসমত কিমান Veterinary Sub-Centre উন্নীতকৰণ কৰা হৈছে? মোৰ সমষ্টিৰ অন্তৰ্গত কয়াকুছিয়ে গাখীৰ উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট ভূমিকা পালন কৰি আছে। এই Kayakuchi Veterinary Sub-Centre উন্নীতকৰণ কৰাৰ দাবী দীৰ্ঘদিন ধৰি চলি আছে। গতিকে এই দাবী কেতিয়া পূৰণ কৰিব মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে আচলতে বেলেগকৈ প্ৰশ্ন আনিব লাগিব। আমি Veterinary ৰ কিমান Sub-Centre, Dispensary, Hospital এতিয়া নিৰ্মাণ কৰি আছো সেই উত্তৰটো মই তেতিয়াহে দিব পাৰিম। Kayakuchi Veterinary Sub-Centre ৰ বিষয়টো তেখেতে আগতেও দৃষ্টিগোচৰ কৰিছে। মই এই বিষয়টোত নিশ্চয় অনুসন্ধান কৰি যাৱতীয় ব্যৱস্থা ল'বৰ বাবে বিভাগীয় বিষয়াক কৈ দিম।

**মাননীয় উপাধ্যক্ষঃ** আপুনি সন্মানীয় মন্ত্ৰীৰ চেম্বাৰত বহি কথাখিনি পাতি ল'ব। Next Question No.126. Hon'ble Member Ajoy Kumar Rai.

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীঅজয় কুমাৰ ৰায় (বিজনী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। সকলোৱে জানে যে আমাৰ বিজনী সমষ্টিটো ভূটানৰ একেবাৰে কাষৰীয়া মানাহ অভয়াৰণ্যৰ লগত আছে। তাত কৃষি-কাৰ্য কৰিবলৈ কৃষকসকলৰ বিশেষ অসুবিধা আছে। বিভিন্ন সময়ত হাতী-মানুহৰ সংঘাত, বন গাহৰি আদিয়ে বিভিন্ন শস্যবোৰ নষ্ট কৰি থাকে। গতিকে আমাৰ অৰ্থকৰী ফচলৰ ওপৰত চৰকাৰে যদি অলপ গুৰুত্ব প্ৰদান কৰে, এই ক্ষেত্ৰত মৰাপাটৰ কথা দিয়া হৈছে কিন্তু পানীৰ যিহেতু অভাৱ আছে, সেই কাৰণে মৰাপাটৰ খেতিও সঠিক সময়ত কৰিব নোৱাৰাৰ কাৰণে বহুখিনি ভূমি এনেয়েই বছৰ বছৰ ধৰি পৰি থাকিব লগীয়া হৈছে। গতিকে আমি যদি অৰ্থকৰী ফচল বিভিন্ন পৰ্যায়ৰ কৰিব পাৰো, ইয়াৰ বাবে আমাৰ কৃষকসকলক সজাগতামূলক বা চৰকাৰীভাৱে কিবা সু-ব্যৱস্থা কৰি দিয়ে, তেন্তে নিশ্চয়কৈ আমাৰ সেই কৃষকসকল উপকৃত হ'ব বুলি মই ভাৱো।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অজয় কুমাৰ ৰায় ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতে Cash crops ৰ উৎপাদনৰ ওপৰত গুৰুত্ব দি কেইটামান প্ৰশ্ন ইয়াত উত্থাপন আনিছে। সাধাৰণতে এই বিষয়টোৰ ওপৰত এনেধৰণৰ নিৰ্দিষ্ট প্ৰশ্ন আগতে মোক কোনেও কৰা নাই। বিজনী অঞ্চলৰ যিসকল কৃষক আছে, তেওঁলোকৰ মাজত অৰ্থকৰী ফচল

উৎপাদনৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ যথেষ্ট ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰা হৈছে। কৃষি বিভাগে ইতিমধ্যে Scheme FDR Programme 2022-23 ৰ জৰিয়তে মৰাপাটৰ বীজ তাত বিতৰণ কৰিছে আৰু বিজনী অঞ্চলৰ কৃষকৰ মাজত মুঠ ২৭৫ জন হিতাধিকাৰীক মুঠ ১১ কুইণ্টল মৰাপাটৰ বীজ বিতৰণ কৰা হৈছে। ২০২২-২৩ চনত ১১০ হেক্টৰ মাটিকালিত মৰাপাট খেতিৰ আঁচনি গ্ৰহণ কৰা হৈছিল। ইয়াৰোপৰি, আপোনালোকে জানে যে বৰ্তমান সময়ত চৰকাৰৰ তৰফৰ পৰা Maize cultivation আৰু মৰাপাটৰ খেতিৰ ওপৰত গুৰুত্ব দিছো। কেন্দ্ৰীয় চৰকাৰৰ দুখন আঁচনি, বিশেষকৈ NFSM আৰু RKVYৰ অধীনত, মাটিকালি হিচাপে চালে, বিভিন্ন অঞ্চলত যেনে বাক্সা, বৰপেটা, বঙাইগাওঁ, দৰং, ধুবুৰী, গোৱালপাৰা, কামৰূপ, কোকৰাঝাৰ, মৰিগাওঁ, নগাওঁ, নলবাৰী, শোণিতপুৰ, ওদালগুৰি, মাজুলী এনেবোৰ জিলাত ২০২২-২৩ বৰ্ষত প্ৰায় ২০,২০৩ হেক্টৰ মাটি কৰিবলৈ লোৱা হৈছে আৰু Quantity হিচাপে আমি ১২৬২ কুইণ্টল বীজ দিছো। ঠিক তেনেকৈ ২০২৩-২৪ বৰ্ষত ১৫৯৯ কুইণ্টল বীজ দিছো। এই আঁচনিৰ অধীনত এতিয়ালৈকে মুঠ ১,১৬,২০৩ জন ব্যক্তি উপকৃত হৈছে। সন্মানীয় সদস্যগৰাকীৰ অঞ্চলত এই খেতিটোৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। গতিকে যদি আৰু কিবা support লাগে, আমি definitely support দিয়াৰ ব্যৱস্থা কৰিম আৰু সজাগতামূলক ব্যৱস্থা কি কি লোৱা হৈছে এই সম্পৰ্কে কৈছো। মাননীয় উপাধ্যক্ষ মহোদয়, পানীৰ অভাৱ দূৰ কৰিবলৈ আমাৰ এটা আঁচনি আছে, RIDF ত আমি STW, Solar pump, electrical pump and diesel pump দিয়াৰ ব্যৱস্থা কৰিছো য'ত ৭৫% subsidy আছে আৰু কোনোবা scheme ত ৮৫ শতাংশ subsidy আছে, ইয়াৰ উপৰিও সততে যি এটা অভিযোগ আহে যে Irrigation Department ৰ লগত coordination নাই, Soil Conservation Department ৰ লগত coordination নাই। গতিকে আমি শেহতীয়াভাৱে Irrigation Department ৰ মন্ত্ৰী মহোদয়ৰ লগত মই কেইবালানিও বৈঠকত মিলিত হৈছো। যৌথভাৱে আমি দুয়োটা বিভাগে কেনেকৈ বিভিন্ন অঞ্চল irrigated কৰি কৃষি ক্ষেত্ৰখনলৈ আৰু পৰিৱৰ্তন আনিব পাৰো তাৰবাবে আমি চেষ্টা চলাই আছো।

**মাননীয় উপাধ্যক্ষ ঃ** Next question 127.শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰটো পালো। বালিজান near দেৰগাওঁ under গোলাঘাট জিলাত এটা ভয়ঙ্কৰ পথ দুৰ্ঘটনা হৈছিল। বাছৰ নম্বৰটো পালো, ট্ৰাকৰ নম্বৰটোও পালো। চৰকাৰ যদি এই ক্ষেত্ৰত concern হয়, মোৰ কথাটো হ'ল যে ১২ জনমান মানুহ মৰিছে আৰু ৩১ জন মানুহ আহত হৈছে। উপাধ্যক্ষ মহোদয়, মই গোটেইকেইটা প্ৰশ্নৰে উত্তৰ পালো কিন্তু B প্ৰশ্নৰ উত্তৰ যিটো পালো, the truck was loaded with coal.তাৰ কাৰণে ১২ জন মানুহ মৰিব লগা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই overloded truck এতিয়াও ফুৰি আছে, চৰকাৰ যদি এই ক্ষেত্ৰত concern হয়, তেনেহ'লে ইয়াৰ ওপৰত কিবা ব্যৱস্থা ল'ব নেকি বা কি পদ্ধতি হাতত লৈছে? কি কৰিলে আমি মানুহৰ জীৱনটো বচাব পাৰিম। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি মাননীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ দে ডাঙৰীয়াক জবাব দিয়াৰ আগতে প্ৰথমে আন্তৰিকতাৰে দুখ প্ৰকাশ কৰিম যে ইমান

এটা ডাঙৰ ঘটনা হৈছে, ইমান মানুহ মৰিবলগা হৈছে। পৰমপিতাৰ ওচৰত তেওঁলোকৰ আত্মাৰ üðÃ¿ ÂßÁ÷ò±ßÁ1ËåÃ¼÷±òòÏûþëÂ±ñŽÂ÷ËýÂðÃþÕü÷î Â৪৫ লাখ registered vehicle আছে। তাৰ ভিতৰত বহুখিনি vehicle এনেকুৱা যে যিবোৰে যাত্ৰী লৈ যায় আৰু বহুখিনি vehicle এনেকুৱা যে যিবোৰে আমাৰ প্ৰয়োজনীয় বস্তু বা সামগ্ৰী পৰিবহনত ব্যস্ত থাকে। এইক্ষেত্ৰত আমাৰ বিভাগে overloding ৰ যিটো নীতিগতভাৱে ফাইন collection কৰিবলগা আছে, সেইটো আমি কৰি থাকো। যেতিয়া overload হয়, তেতিয়া overloded বস্তুখিনি সেই ঠাইত নমাই ৰখা হয় আৰু পাছত লৈ যোৱা হয়। আমাৰ যদি মাননীয় সদস্যই আমাক শুধে যে কিমানখিনি ফাইন collection কৰিছো, আমি বিভিন্ন প্ৰকাৰে এই ফাইন collect কৰো। যেতিয়া নীতিগতভাৱে নচলায় তাৰ কাৰণেও ফাইন আছে। এই ক্ষেত্ৰত overload control কৰাৰ কাৰণে আমি বিভিন্ন ঠাইত, আজিকালি আপোনালোকে জানে যে গেটৰ system টো উঠাই দিয়া হৈছে। বিভিন্ন ঠাইত তেওঁৰ RC book ত লিখা থাকে, তেওঁ কিমানখিনি load লৈ যাব পাৰে। আমি অনবৰতে এক প্ৰয়াস কৰি আছো যাতে গাড়ী তেওঁ নিয়ন্ত্ৰিত উপায়ে, load capacity ৰ ভিতৰত চলায়। কিন্তু কেতিয়াবা এনেকুৱা হয়, আমাৰ বিভাগৰ যিটো সামৰ্থ আছে, তেওঁলোকে ইমান লাখ লাখ গাড়ী সকলো ঠাইত চাব নোৱাৰে। কিছুমান ঠাইত হয়তো এনেকুৱা এটা দুটা গাড়ী ওলাই যাব পাৰে। আপুনি যি দুৰ্ঘটনাৰ কথা শুধিছে, আপুনি হয়তো দেখিছে যে দুৰ্ঘটনাটো ৰাতি কিমান সময়ত হৈছে। এই সময়ত হয়তোবা আমাৰ বিভাগৰ মানুহ নাছিল বা থাকিলেও তেওঁৰ নজৰত পৰা নাছিল। কিয় পৰা নাছিল হয়তো, তেতিয়া খুব নিয়ৰ পৰিছিল,এইক্ষেত্ৰত এনেকুৱা এটা স্থিতিত নিশ্চিতভাৱে আমাৰ বিভাগে প্ৰচণ্ডভাৱে পৰিশ্ৰম কৰি আছে overloded গাড়বিলাক নিয়ন্ত্ৰণৰ কাৰণে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,Transport Department ত target ধৰি দিয়া হয়, যেনে- এইটো বছৰত কৰিমগঞ্জৰ কাৰণে target ধৰি দিয়া হৈছে ২০ বা ২২ কোটি টকা। target বান্ধি দিয়া হৈছে ঠিকেই আছে কাৰণ চৰকাৰ চলিবলৈ ৰাজহ লাগিবই আৰু ৰাজহ যাতে কোনেও ফাকি দিব নোৱাৰে সেইটো আমি বিচাৰো। এইটো লৈ চৰকাৰ কঠোৰ হ'ব লাগে। কিন্তু overload ৰ কাৰণে ৰাস্তাবিলাকো বেয়া হয় আৰু যতে ততে দুৰ্ঘটনা সংঘটিত হয়। এই ক্ষেত্ৰত যাতে চৰকাৰ অকণমান কঠোৰ হয়, তাৰবাবে আমি অনুৰোধ জনাইছো। লগতে আমি এটা বস্তু অনুৰোধ কৰিছো, চাৰ আপুনি ইমান কঠোৰ কিয় হৈ থাকে? অকণমান মিহিকৈ ক'ব তেতিয়া আমি ভাল পাম।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কাঢ়াকৈ ধৰিবলৈ কৈছে সেইকাৰণে কাঢ়াকৈ ধৰিছো। ইয়াত কিয় কাঢ়া হ'ব নিদিয়ে? মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,আমি যিটো টাৰ্গেট দিওঁ সেইটো এনেকুৱা যে আমি অকল ফাইন collection ৰ target টো নিদিওঁ। আমি ৰাজহ collection target টো দিওঁ। কাৰণ আমাৰ যিটো revenue নীতি আছে বা as per rule revenue collection হ'ব লাগে। যিসকল গাড়ীৰ মালিকে সঠিকভাৱে গাড়ী চলায়, তেওঁলোকৰ ওপৰততো আমি fine impose কৰাৰ টাৰ্গেট বান্ধি নিদিওঁ। যিসকলে সঠিকভাৱে গাড়ী নচলায় তেওঁলোকৰ ওপৰত বিভিন্ন কাৰণত fine impose কৰা হয়। ফাইনটো আমাৰ টাৰ্গেট নহয়। আমি ফাইন ল'ব নিবিচাৰো কাৰণ ফাইন লোৱা মানে যিজনে গাড়ীখন চলাই আছে তেওঁ অন্যায়ভাৱে চলাই আছে। ফাইনটোৱে এইটোৱে প্ৰমাণ কৰে। এই ক্ষেত্ৰত ৰাজহ collec-

tion টাৰ্গেটটো আমাৰ গাড়ী কিনিলে যেনেকৈ আমাৰ এটা ৰাজহ দিব লাগে বা বছৰি যিটো ৰাজহ দিব লাগে এই ধৰণৰ যিটো টাৰ্গেট দিয়া হয়, সেইটো আমি নিশ্চিতভাৱে দিওঁ। এইটো আমাৰ বিভাগে ধুনীয়াকৈ collect কৰি আছে আৰু আপুনি যেনেকৈ কৈছে যে overload ৰ ক্ষেত্ৰত ব্যক্তিগতভাৱে প্ৰচেষ্টা চলাই আছো। আপুনি জ্ঞাত যে আমি নিজে প্ৰতিটো সমষ্টিলৈ গৈছো যাতে নীতিগতভাৱে ৰাইজে গাড়ী বা যানবাহন চলাব পাৰে। আমি চেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া, ট্ৰাক সমূহত বহুত ক্ষেত্ৰত দেখা যায় যে reflector বিলাক নাথাকে। এইটোও দুৰ্ঘটনাৰ এটা কাৰণ হয়। ইয়াৰ ওপৰতো ধ্যান দিব। এতিয়া শ্ৰী দেৱব্ৰত ডাঙৰীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰটো যিটো D, if the truck was overloaded, whether the goods of the truck was ceased, the goods of the truck was not ceased by the DTO since overloading could not be ascertained.If the goods of the vehicle was ceased by the police it is not known to this office. মহোদয়, যোৱা ১২ ডিচেম্বৰত এই কেচটো হৈছিল আৰু সেইখিনি সময়তে তথ্য ওলাইছে যে সেই গাড়ীখনত লিডুৰ মাৰ্ঘেৰিটাৰ জৰ্নাবস্তিৰ পৰা অবৈধভাৱে বহু কয়লা অনা হৈছিল। সেই গতিকে মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে কোনো ধৰণৰ অসমত অবৈধ কয়লাৰ ব্যৱসায় হোৱা নাই। তাৰ পিছতো এই কথাখিনি কিমান গুৰুত্বপূৰ্ণভাৱে ল'ব চৰকাৰে মই জানিব বিচাৰো যিহেতু যোৱাকালিলৈও লিডু কয়লাখনিত এজন ব্যক্তিৰ অবৈধভাৱে কাম কৰাত মৃত্যু হৈছে। আজিৰ পৰা কেইদিনমান আগতেও হৈছে। এনেকুৱা ঘটনা ঘটি আছে। চৰকাৰে ডিনাই কৰিছে। সেইগতিকে গোটেই ঘটনাখিনি seriously ল'ব লাগে আৰু অবৈধ কয়লাৰ ব্যৱসায় বন্ধ হ'ব লাগে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নকৰ্তা শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া, তেওঁ ব্যক্তিগত জীৱনতো এজন আইনজ্ঞ মানুহ আৰু সকলো কথাবিলাক ভালকৈ জানে আৰু বুজে। এইক্ষেত্ৰত আমি জানো কিন্তু আপুনি আইনটো ভালদৰে বুজি পায়। এইক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে হয়, যেতিয়া এটা দুৰ্ঘটনা সংঘটিত হয়, তাত আমাৰ বিভাগ যায়। যোৱাৰ পাছত FIR lodge কৰে পুলিছে। আমি যোৱাৰ পাছত কিবা ডাঙৰ দুৰ্ঘটনা হ'লে আমি পুলিচলৈ ৰেফাৰ কৰো আৰু পুলিচে আইনগত দিশটো চায়। এই ক্ষেত্ৰত ইমান ডাঙৰ এটা দুৰ্ঘটনাত আমাৰ বিভাগৰ ফালৰ পৰা আমাৰ commissioner গৈছে, সচিব গৈছে, বাকী আন সকলোতো আছেই। লগতে District Megistrate ও inquiry ত আহিছে। গোটেই দিনভৰ ইয়াত সকলোৰে মিলি try কৰিছে আৰু এইক্ষেত্ৰত আমি ক'ব পাৰো যে বিভাগে যিখিনি কৰিব লগীয়া আছিল গোটেইখিনি কৰিলে, আজি কয়লাৰ ক্ষেত্ৰত আপুনি যি কথা উত্থাপন কৰিছে হয় transport য়ে বিভিন্ন ধৰণৰ প্ৰয়োজনীয় বস্তু সামগ্ৰী কঢ়িয়াই আনে। কিন্তু ক'ত কয়লা ক'ত বেলেগ বস্তু আনে সেইটো চোৱাৰ অধিকাৰটো আমাৰ নাই। এই ক্ষেত্ৰত accident হোৱা ট্ৰাকত কয়লা আছিল আৰু কয়লাখিনি আমি কি অৱস্থাত পালো এই উত্তৰটো ইয়াত নাজানি দিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং১২৮, মাননীয় সদস্য মজিবুৰ ৰহমান, তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং ১২৯, অখিল গগৈ ডাঙৰীয়া।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, মোৰ প্ৰথম supplementary টো হ'ল ৩

চেপ্তেম্বৰ, ২০২৩ ইংৰাজী তাৰিখে সন্মানীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া শিৱসাগৰলৈ গৈছিল, যাওঁতে তেখেতে ৪ টা প্ৰতিশ্ৰুতি দিছিল। ৪ টা প্ৰতিশ্ৰুতিৰ ভিতৰত ৩ টা প্ৰতিশ্ৰুতি তেখেতে এতিয়ালৈকে পালন কৰা আমি দেখিবলৈ পাইছো। সেইবিলাকৰ টেণ্ডাৰ আদি হৈ গ'ল। কাৰণ এইবাৰ অভূতপূৰ্ব ভাৱে শিৱসাগৰত বানপানী হৈছে। গোটেই ৰাজ্যখনৰ ভিতৰত আটাইতকৈ বেছি বানপানী হৈছিল। কিন্তু আৰু এটা প্ৰতিশ্ৰুতি তেখেতে দিছিল যে মণিপুৰি বষ্টিৰ পৰা এটি ৰোডলৈকে দিখৌ নদীৰ right bankত এটা গড়াখহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে এটা আঁচনি তেখেতে তাত ৰাজহুৱাকৈ ঘোষণা কৰি আহিছিল। কিন্তু এই কামটো এতিয়ালৈকে আৰম্ভ হোৱা নাই। লগতে আমি মন্ত্ৰী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই কমেও ১০ খন মান স্মাৰক প্ৰত্ৰ এতিয়ালৈকে দি থৈছো, যে আমাৰ দৰিকা নদী খনৰ left bank ত বাহকৌৰৰৰ পৰা এটি ৰোডলৈ মথাউৰী তিনি ঠাই মানত খহনীয়া হৈছে আৰু একেবাৰে ভাল নালাগিল যিকোনো সময়তে ভাঙি পৰিব। এই দুটা দৰিকা নদীৰ মথাউৰীটো আৰু দিখৌ নদীৰ right bankত মণিপুৰি বষ্টিৰ পৰা এটি ৰোডলৈ এই দুটা কাম কেতিয়া আৰম্ভ কৰিব?

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ উপাধ্যক্ষ ডাঙৰীয়া, তেখেতৰ সমষ্টিত আচলতে যোৱাবাৰ যথেষ্ট বানপানী হৈছিল, সেইটো অস্বীকাৰ নকৰো আৰু বানপানীৰ সময়ত মই যাব নোৱাৰিলো বানপানীৰ পিছত গৈছিলো। তেখেতৰ লগত গোটেই খিনি ভ্ৰমণ কৰিছিলো। তেখেতৰ তাত ৪ টা কাম কৰিবলৈ কৈছিলো তেখেতে কলে যে ইতিমধ্যে ৩ টাৰ কাম আৰম্ভ হৈছে। আমি চতুৰ্থটো আৰম্ভ কৰিবলৈ প্ৰচেষ্ঠা চলাই আছো। পুঁজি সাপেক্ষে কৰা হয়। দৰিকা নদীৰ কথাটো তেখেতে সদায় কয়। কিন্তু দৰিকা নদীৰ বানপানীৰ গোটেই প্ৰক্ৰিয়াটো আমি খুব ভালকৈ শেষ কৰিব লাগিব। কাৰণ এইটো এটা complicated process. গোটেই বস্তুটো complicated. তথাপিতো আমি IIT Guwahatiক দিছো। তেখেত সকলে ইতিমধ্যে inspect, inspection কৰিছে, তেখেত লোকৰ পৰা আমি এটা ভাল advisor ৰ বাবে ৰৈ আছো। কেৱল আমাৰ departmentয়ে এই কামটো কৰিব খোজা নাই আমাৰ য'ত য'ত complicated হয়, ডিব্ৰুগড় চহৰ খনত খুৱ বেয়াকৈ গড়াখহনীয়া হৈ আছিল, আমি আই আই টিক দিলো, তেনেকৈ আই আই টিক দিয়ো খুৱ যদি complicated হয়। দৰিকা নদীৰ গোটেই অঞ্চলটো কেনেকৈ বানপানীৰ পৰা মুক্ত কৰিব পাৰি সেই প্ৰক্ৰিয়াটো আই আই টি ক চাব দিছো। তেখেতে আৰু যি কেইটা কথা কৈছে যি কেইটা খুৱবেছি vulnerable হৈছে সেইকেইটা temporary basis ত কাম কৰি দিম যাতে breach নহয় তাৰ কাৰণে সচেতন হৈ নিশ্চয়কৈ কাম কৰিম।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ উপাধ্যক্ষ ডাঙৰীয়া, মোৰ দুটা supplementary অথনিৰ পৰা একেবাৰে এটাও প্ৰশ্নত মাত মতা নাই মোৰ প্ৰশ্নটো পাবৰ কাৰণে, এতিয়া মোক অসুবিধা নকৰিব।

**মাননীয় উপাধ্যক্ষ** ঃ নকৰো আপুনি specific প্ৰশ্নটো সোধক, no debate.

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মোৰ সমষ্টিৰ কাম কেইটা লাগে। দৰিকা নদীৰটো যদি এইবাৰ নহয় দৰিকা নদীৰ যিটো মথাউৰী ৬.২ কি.মিটাৰ তেতিয়াহলে এইবাৰ একেবাৰে শিৱসাগৰলৈকে পানী উঠিব। গতিকে please এইটো আপুনি কৰি দিব। মোৰ দ্বিতীয় supplementaryটো হ'ল যে শিৱসাগৰ সমষ্টি, ঠাউৰা সমষ্টি আৰু আমগুৰি সমষ্টি, তাত ব্ৰহ্মপুত্ৰৰ ২৪.৫ কি.মিটাৰ সম্পূৰ্ণ গড়াখহনীয়া হয়। একেবাৰে সাংঘাটিক vulnerable. তাৰ কাৰণে সৰু পোচন এটাৰ মন্ত্ৰীমহোদয়ে ৫.৫ কোটি টকাৰ কাম এটা দিছে, সেইটো কাম আৰম্ভ হ'ব tender চলি আছে,

কিন্তু এই ২৪.৫ কি.মিটাৰৰ কাৰণে ২৮৭.২১ কোটি টকাৰ এটা project বনাই ইতিমধ্যে World Bank ক দি থোৱা হৈছে। মন্ত্ৰী মহোদয়ে তেতিয়া ঘোষণা কৰিছিল যে এইটো 2nd phaseত আছে, world pipelineত আছে। এতিয়া কি পৰ্য্যায়ত আছে সেই প্ৰশ্নটোৰ উত্তৰ লাগে আৰু লগতে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ হ'ল আৰু পৰিপূৰক এটাহে সুধিব পাৰে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** একেই, দৰিকা নদীৰ কথাটো যিটো কৈ আহিছিল দৰিকা নদীৰ IIT য়ে study কৰি আছে বিধান সভাত ৩ বাৰ প্ৰশ্ন কৰাৰ পিছত আই আই টি ক দিলে।

**মাননীয় উপাধ্যক্ষ ঃ** এইবাৰো কৰকচোন।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** IIT য়ে এতিয়া study কৰি আছে, IIT ৰ studyটো শেষ হোৱাৰ পিছত মই IIT ৰ studyটো খৰটকীয়াকৈ কৰিবলৈ লাগি আছো, শেষ হোৱাৰ পিছত যিটো recommendation দিয়ে সেইটো পূৰণ কৰিব নে?

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়াই আজি এটা কথা কৈ পেলালে। অখিল গগৈ ডাঙৰীয়াই আমি লোন লোৱাটোক মৰ্য্যদা দিলে। সদায় লোনৰ বিৰূদ্ধে তেখেতে কৈ থাকে, অসম চৰকাৰে ইমান লোন ল'লে, হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই লোন লৈ লৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** এতিয়া বেলেগ কথা নকৈ কামটোৰ কথা কওঁকনা।

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, আজি সদনত এইটো establish হ'ল তেখেতে World bank ৰ কথা কলে, ADB ৰ কথা কলে, তেখেতৰ তাত যিকেইটা কাম চলি আছে সেইকেইটা নিৰাত টেণ্ডাৰ হৈছে। নিৰাও লোন, World bank ও লোন, ADB ও loan , গতিকে লোনত তেখেতে আজি মৰ্যদা দিলে। গতিকে প্ৰৰ্য্যায়ক্ৰমে গোটেই কেইটা কাম মই serious ভাৱে কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য প্ৰশান্ত ফুকন।

**শ্ৰীপ্ৰশান্ত ফুকন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে IIT য়ে survey কৰাৰ পিছত মোৰ ডিব্ৰুগড় সমষ্টিত বহুত ঠাইত খহনীয়াৰ ব্যৱস্থা হৈছিল তাৰ কাৰণে এই পৰ্য্যায়ত কিবা ধন আৱন্টন দিয়াৰ ব্যৱস্থা কৰিছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো আৰু ADB ৰ পৰা যিটো আমাৰ ব্যৱস্থা কৰা হৈছিল সেইখিনিও কিবা ব্যৱস্থা কৰা হৈছে নেকি জানিব বিচাৰিছোঁ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, ডিব্ৰুগড় চহৰ খনত প্ৰকৃততে মেজৰ ট্ৰেড হৈছে, যোৱা দুটা বছৰে খূব মেজৰ ট্ৰেড হৈছে আৰু অলপ আহিলে ডিব্ৰুগড় চহৰ খনেই গড়াখহনীয়াত যোৱাৰ আশাংকা আছে। গতিকে আমি খুৱ তৎপৰতাৰে Guwahati IIT ক study কৰিবলৈ দিছিলো। তেখেত সকলে report দিলে আমি ৭৫ কোটি টকা চেনচন দিছো, টেণ্ডাৰ প্ৰক্ৰিয়া চলি আছে। হয়তো অহা ৩/৪ দিনৰ ভিতৰত টেণ্ডাৰ ক্লোজ হ'ব আৰু ১০ দিনৰ ভিতৰত সেই কামটো আৰম্ভ কৰিবলৈ চেষ্টা চলাম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, ওৱাজেদ আলী চৌধুৰী, পৰিপূৰক।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে হয়তো জানে যে যোৱা বানপানীত মোৰ সমষ্টিত কেইবাখনো গাঁও গড়াখহনীয়াত জাহ গৈছে। আৰু ইতিমধ্যে মই মন্ত্ৰী মহোদয়ক অনুৰোধো জনাইছো লিখিত ভাৱে দিছো। এটা কমিটী, water resource ৰ ফালৰ

পৰা এটা টিম গৈছিল তেওঁলোকে অধ্যায়ন কৰি আহি ৰিপোৰ্টো দিছিল। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদক সুধিব বিচাৰিছো যে এই বাৰ তাত ৰোধৰ বাবে কিবা কাম হ'ব নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীৰ সমষ্টিত গড়াখহনীয়াৰ যথেষ্ট সমস্যা আছে মই অৱগত। সময়ে সময়ে তেখেতৰ পৰা আমি পৰামৰ্শ লৈ পুঁজি সাপেক্ষে আমি ধনৰ আৱন্টন দি আহিছো এইবাৰো নিশ্চয়কৈ দিবলৈ চেষ্টা চলাম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ৰফিকুল ইছলাম। Specific, no debate.

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, World Bank ৰ পৰা বেকীৰ মোৰ কাম চলি আছে, চলচলীয়া, বৰনা, দুলিয়াজান, মোৱামাৰি, চোৱাগপুৰ, চৌধুৰী বজাৰত কাম চলি আছে। কিন্তু বহুত ধিৰ গতিত চলি আছে। কামখিনি খৰটকীয়া কৰিব লাগে কাৰম দুমাহ পিছত বাৰিষা আহিব। কাউৰজাৰী, বৰাইপথাৰ আৰু চোৱাপুৰ, ব্ৰিজএপ্ৰোচ আৰু ময়ানবৰীৰ অতি সোনকালে কাম কৰাব লাগে, কালজয়ী বলৰপথাৰৰ, মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো কৈছে সেই কথাটো বেয়াকৈ কোৱা নাই কিন্তু আংশিক কৈছে। এডিবি, বিশ্ববেঙ্কৰে কাম। কিন্তু বিশ্ববেঙ্কৰ কামত এইকেইটা নাছিল। তেখেতে যি কেইটাৰ নাম কৈছে সেইকেইটাৰ অংশ নাছিল। কিন্তু ঠাইটোৰ গুৰুত্বটো চাই বেছি গড়াখহনীয়া হৈছিল ময়নবৰী অঞ্চলটো ধ্বংসৰ গৰাহত পৰিছিল, গতিকে specially আমি বিশ্ববেংকক অনুৰোধ কৰি মই নিজে বিশ্ববেংকৰ বিষয়াক লগ কৰি ৩৯ কোটি টকা এক্সা অনুমোদন আনি কাম আৰম্ভ কৰিছো। মইনবৰী অঞ্চলটো একেবাৰে ধ্বংসৰ গৰাহত পৰিছিল। গতিকে স্পেচিয়েলি আমি ৱল্ডবেংকক ৰিকুৱেষ্ট কৰি মই নিজে ৱল্ডবেংকৰ অফিচাৰক লগ কৰি ৰিকুৱেষ্ট কৰি ৩৯ কোটি টকা তাৰ্লৈকে **extra** অনুমোদন আনি কাম আৰম্ভ কৰিছো। তেওঁলোকৰ যিটো সমস্যা সেই সমস্যাটোৰ কাৰণে **extra** অনুমোদন আনি সেই দুটা সমষ্টিৰ কাৰণে কাম খিনি তীব্ৰগতিত চলাই আছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া নন্দিতা দাস, স্পেচিফিক প্ৰশ্নটো সোধক।

**শ্ৰীমতী নন্দিতা দাস,(বকো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গড়াখহনীয়াৰ ক্ষেত্ৰত মই ইতিমধ্যে মন্ত্ৰী মহোদয়ক কেইবাখনো আবেদন কৰিছো। ব্ৰহ্মপুত্ৰৰ যিটো গড়াখহনীয়া বিশেষকৈ লটৰীদিয়া এন চি ত পানীখাইতী এন চি অঞ্চলত বহুত দীঘলীয়া এটা গড়াখহনীয়া বহুত দিনৰ পৰা চলি আছে। কিছু কাম এইচ ডি আৰ এফ ৰ পৰা হৈছে। কিন্তু এতিয়া এটা অঞ্চল পানীখাইতী ডাউনস্তীম যিটো অঞ্চল সেহটো অঞ্চল টোত প্ৰায় ৫ শ টা পৰিয়াল বসবাস কৰে। মাননীয় উপাধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো যাতে এইবাৰ যিটো প্ৰায়ৰেটি লিষ্ট বনাই আছে সেইটো first phase ত হৈ যায়, তেতিয়াহলে সেই পৰিয়ালকেইটা বা সেই অঞ্চলটো খহনীয়াৰ পৰা ৰক্ষা পাব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ ক্ৰমশ —** মাননীয় উপাধ্যক্ষ মহোদয়, এই গোটেই কথাখিনি মই চালিজাৰি চাই নিশ্চয়কৈ এটা উচিত সিদ্ধান্ত ল'ম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ১৩০ মাননীয় সদস্য ৰূপেশ গোৱালা।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰূপেশ গোৱালা, (বিধায়ক) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ যোগেদি যিটো উত্তৰ পাইছো। উত্তৰটো পোৱাৰ পিছত গম পাইছো যে বিভাগৰ যোগেদি পশু পালক সকলৰ কাৰণে কেইবাখনো আঁচনি আছে। কিন্তু এই আঁচনিৰ বিষয়ে পশুপালক সকলে যিমান গম পাব লাগে , তেওঁলোকৰ মাজত যিমান সজাগতা থাকিব লাগে। সেই ক্ষেত্ৰত ক'ৰবাত নহয় ক'ৰবাত বিসংগতি আছে বুলি মই ভাবো। লগতে কৃষিবিভাগৰ বিভিন্ন ধৰণৰ আঁচনি কৃসক সকলৰ মাজত বিতৰণ কৰা হয়, তেতিয়া বিধায়ক সকল বা তেওঁলোকৰ প্ৰতিনিধিসকল তাত জড়িত থাকে। কিন্তু পশুপালন বিভাগৰ যোগেদি যেতিয়া পশুপালক সকলৰ মাজত বিভিন্ন আঁচনিৰ কথা আছে , আমি যিহেতু জড়িত নহওঁ সেই কাৰণে হয়তু ক'ৰবাত পশুপালক সকল বেনিফিটেড হ'ব লাগে নহয়। তেওঁলোকে যিমান গম পাব লাগে গম নাপায়। গতিকে এই কথাটো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। সজাগতা সৃষ্টি কৰিব লাগে বুলি মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো আৰু এটা কথা ৰাষ্ট্ৰীয় গোকুল অভিযান । এই ৰাষ্ট্ৰীয় গোকুল অভিযানৰ যোগেদি কৃতিম প্ৰজননৰ যি সুবিধা আছে, তাত চাকচেচ ৰেট বৰ ভাল নহয়। চাকচেচ ৰেট একেবাৰে বেয়া, যেতিয়া গো মিত্ৰ সকল যাই কৃতিম প্ৰজননৰ কাৰণে। তেতিয়া তেওঁলোকে extra চাৰ্জ লোৱাও দেখা যায়। গতিকে এইবিলাক মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। আৰু এটা কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো, সেইটো হ'ল যে ৰাষ্ট্ৰীয় পশুধন মিচন। এই ৰাষ্ট্ৰীয় পশুধন মিচনৰ যোগেদি কেইবাটাও আঁচনি আছে, তাৰে অন্যতম আঁচনিটো হ'ল ব্ৰইলাৰ কুকুৰা পালন। ব্ৰইলাৰ কুকুৰা পালনৰ ক্ষেত্ৰত যিসকল আমাৰ পশুপালক যথেষ্ট অসুবিধা পাই কাৰণ বিশেষকৈ পশ্চিমবংগৰ পৰা বহুত ব্ৰইলাৰ আহে আমাৰ ইয়ালৈ, সেই বইলাৰ কুকুৰাবিলাক অহাৰ পাছত অসমৰ থলুৱা পশুপালক সকল যথেষ্ট ক্ষতিগ্ৰস্থ হয়। এই ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা ল'ব মই মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Animal husbandry and Veterinary Dairy Sector টো প্ৰচুৰ সম্ভাৱনাপূৰ্ণ থকা এটা Sector. কিন্তু দুৰ্ভাগ্যৰ বিষয় যে পূৰ্বতকৈ এই প্ৰচুৰ সম্ভাৰনাপূৰ্ণ থকা এই বিভাগটো গতিশীল কৰিবৰ কাৰণে মাংস, মাছ, গাখীৰ, কণী উৎপাদনত আমি স্বনিৰ্ভশীল হ'ব পৰাকৈ কোনো পৰিকল্পনা নোলোৱাৰ কাৰণে আজি আমি বহুত চাফাৰ কৰিবলগীয়া হৈছে। কিন্তু আমাৰ চৰকাৰখনে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত বহুতখিনি নতুন নতুন ইতিমধ্যে পৰিকল্পনা কৰা হৈছে। ৰাজ্যখনৰ ঘৰুৱা আয়ৰ প্ৰায় ২১ শতাংশ Agri and allied Sector ৰ পৰা আহে। শেহতীয়াকৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যি স্বনিয়োজন আঁচনি, এই স্বনিয়োজন আঁচনিত আমি দেখিছো যে বেছিভাগ আবেদনকাৰীয়েই Animal husbandry and Veterinary Dairy Sector টোৰ লগত জড়িত হ'ব বিচাৰিছে। তাৰ বাবে যিখিনি technical support লাগে, চৰকাৰে দিব। ইয়াৰ উপৰিও মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত গাখীৰ উৎপাদন কম। দেশৰ ভিতৰত ভাৰতবৰ্ষৰ সৰ্ব্বাধিক গাখীৰ উৎপাদন কৰা দেশ। আমাৰ ইয়াত এটা এনেধৰণৰ পগ্ৰেম হৈছিল আমি খুব ভালধৰণে কৰিছো। এতিয়া আমাৰ ৰাজ্যখনত গাখীৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা ব্যৱস্থা গ্ৰহণ কৰিছিল। Natinal Dairy Development board ৰ লগত বুজাবুজি কৰি ৫০ শতাংশ তেওঁলোকে financial suport দিব, technical suport দিব আৰু বাকীখিনি অসম চৰকাৰে দিব। আমাৰ লক্ষ্য হৈছে আমাৰ ৰাজ্যখনত যি ২৯,৩০ লাখ দৈনন্দিন গাখীৰ উৎপাদন

হয়, আৰু অতিৰিক্ত যাতে আমি ১০ লাখ বৃদ্ধি কৰিব পাৰো । ৭ বছৰত সেই ১০ লাখ বৃদ্ধি কৰিব পৰাটো সম্ভৱ হ'ব। তাৰ কাৰণে আজি মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে যে গোপাল মিত্ৰ সকলে ভালকৈ কাম নকৰে। গতিকে এই ক্ষেত্ৰত ামিও চকু দিছো। আমি তেনে অভিযোগ পাইছো আৰু যিবিলাক ঠাইত তেনেকুৰা হৈছে গোপাল মিত্ৰই গণ্ডগোল কৰিছে। তেওঁলোকৰ কামৰ পৰা অব্যাহতি দিবৰ কাৰণে কৈছো। Artificial Insemination কৰা হৈছে। ৰাজ্যখনৰ বিভিন্ন ঠাইত আৰু বিশেষকৈ sex sorted semen. sex sorted semen ৰ জৰিয়তে যাতে মাইকী পোৱালীহে আমাৰ গাই বিলাকে জন্ম দিয়ে সেইটো ব্যাপক ৰূপত আমি আগবঢ়াই নিবৰ কাৰণে সেই আঁচনিটো আমি চেষ্টা কৰিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কথাবিলাক কৈ আছে হয়, কিন্তু বিভাগটো একেবাৰে মৰো মৰো অৱস্থা । একেবাৰে কাম নাইকীয়া বিভাগ।

**মাননীয় উপাধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া please sit down. you can not disturb like this.please sit down.please sit down.

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত মৰা মানুহে কথাকোৱাৰ নিচিনা লাগিছে। এনেধৰণে কথা কলে মানুহে মৰা মানুহে কথা কোৱাৰ নিচিনা লাগে। গতিকে মই এটাই কথা কৈছো যে যিখিনি আমি কৰিছো, সেইখিনি কথা সদনৰ মজিয়াত কৈছো। আগৰ চৰকাৰৰ দিনত কাম ন'হল যিবিলাকে কৃষকৰ নামত ডাঙৰ ডাঙৰ কথা কয়, সেইবিলাকে সেই সময়ছোৱাত সেই বিলাক দেখা নাপায়। বিভিন্ন কাৰণত দেখা নাপায়, তাৰ যথেষ্ট কাৰণো আছে যি কি নহওঁক আজি সুবিধা পাইছে মাতিছে, কিন্তু আমাৰ চৰকাৰৰ দিনত আমি সেইখিনি ব্যৱস্থা কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, গোমিত্ৰ সকলে কৃত্ৰিম প্ৰজনন, বন্ধ্যাকৰণ, টিকাকৰণ, কাণফুলি পিন্ধন এই কামবোৰ কৰে। কিন্তু বিভাগৰ ফালৰ পৰা তেখেত সকলক কোনোধৰণৰ মাননি দিয়া নহয়। ইতিমধ্যে তেখেত সকলে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াকো দাবী জনাইছে। গতিকে এই গোমিত্ৰ সকলৰ কাৰণে বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিব, তেওঁলোকৰ দাবী কেতিয়া পুৰন কৰিব, তাৰ বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে আপোনাৰ জৰিয়তে জনাব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, হয়, মই এই কথা আগতেও কৈছো, যে বিভাগটো গতিশীল নাছিল মেন পাৱাৰ চৰ্টেজ আছিল। কাম কৰাৰ মানুহবিলাকৰ যিটো ইচ্ছা লাগে , সেইটো নাছিল। প্ৰমোশ্যনো হোৱা নাছিল। কিন্তু আমি বিভাগটো গতিশীল কৰিবৰ কাৰণে চেষ্টা কৰিছো, আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে যথেষ্ট এইবাৰ আমাৰ বাজেট অধিবেশনৰ আগত যি আলোচনা মাননীয় বিত্ত মন্ত্ৰী মহোদয়াৰ উপস্থিতিত হৈছিল। তেখেতে কৈছে যে আমাৰ কণী আমাৰ ইয়াতে পৰ্য্যাপ্ত পৰিমানে উৎপাদন কৰিব নোৱাৰো নেকি? আমি কণী, মাংস উৎপাদনৰ কাৰণে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে এইবাৰ যথেষ্টখিনি suport দিয়াৰ কথা, Financial suport দিয়াৰ কথা কৈছে। নাজিৰাত এটা pork Processing plant এটা ৰেডি হৈ গৈছে। য'ত দৈনন্দিনProcessing ৰ কাৰণে ৪০০ গাহৰিৰ প্ৰয়োজন হ'ব. এতিয়া ৪০০ গাহৰিৰ প্ৰয়োজন হোৱাৰ লগে লগে ইয়াত দৈনন্দিন ৪০০ গাহৰি আমি তাত যোগান ধৰিব নোৱাৰিম। কাৰণ ইয়াত যিমান consumption হয়, consumption ৰ ৩৫ শতাংশই ইয়াত

প্ৰডাকশ্যন হয়। বাহিৰৰ পৰা আমি যেতিয়া আনিম, তেতিয়া ইয়াত এনে কিছুমান মানুহ, ইয়াত চিএঞৰ বাখৰ লগোৱা মানুহখিনিয়ে ক'ব বাহিৰৰ পৰা গাহৰি আনিবৰ কাৰণে এই উদ্যোগটো ইয়াত খুলিছে। গতিকে সেইখিনি আমি ইয়াতে কি ধৰণে প্ৰডাকশ্যন বঢ়াব পাৰো , তাৰ কাৰণে চেষ্টা অব্যাহত আছে। মাননীয় উপাধ্যক্ষ মহোদয় সন্মানীয় সদস্যগৰাকীক মই ধন্যবাদ জনাইছো। মই আপোনাৰ লগত আলোচনা কৰিম। আপুনি যিটো কথা কৈছে, মই কেনেকৈ সমাধান কৰিব পাৰো চেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আনিনুল ইছলাম।

**শ্ৰী আনিনুল ইছলাম, (কনিষ্ঠ, জনিয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আপোনালোকে নিশ্চয় জানে ভাৰত বাংলাদেশ সীমান্তই দি আজি যথেষ্টখিনি গৰু আৰু ম'হ বাংলাদেশলৈ যায় আৰু এইখিনি সম্পৰ্কে আমি দেখিছো যে আমাৰ জিলাত ১২ শ ম'হ আৰু কেইবাশ গৰু গোশালাত থৈ দিছো। ইয়াৰ আগত ধ্যান ফাউণ্ডেশ্যনত দিয়া হৈছিল। কিন্তু কেইবাশ গৰু মৰি গ'ল। এতিয়া আমি প্ৰায় ১২ শ ম'হ আৰু কেইবা শ গৰু থৈ দিছো। এতিয়া কথাটো হ'ল এই গৰুখিনি গো শালাই কিহৰ কাৰণে পুহিব? পইচা নিদিয়ে কেনেকৈ পুহিব? মৃত্যুৰ সংখ্যাটো ইমান বাঢ়িছে, এইখিনি গৰুক আৰু ম'হক হাল বোৱাৰ কাৰণে বা আমাৰ গাড়ী টনাৰ কাৰণে , বিক্ৰী কৰি আমাৰ ৰাজ্যই ৰাজহ আনিব পাৰো নেকি? কিমান দিন এই গৰু বিলাক বহাই থৈ দিব?

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্নকালীন ঘন্টা সমাপ্ত হৈছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, point of order এটা আছে। আজি ভূমি পুত্ৰ মিচিং সকলৰ প্ৰধান উৎসৱ আলি আই লৃগাং। আমি মিচিং সকলৰ এই উৎসৱটো ৰাজ্যিক বন্ধৰ দিন হিচাপে ঘোষণা কৰিব পাৰো নেকি?

**মাননীয় উপাধ্যক্ষঃ** এইটো কেনেকৈ point of order হ'ব। It can not be a point of order. Please sit down.

এতিয়া আমাৰ বাজেট ডিবেটত মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটৰ আলোচনাত ভাগ ল'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আমাৰ যিহেতু welfare state.সেইকাৰণে প্ৰতিখন বাজেটত প্ৰতিবছৰে যি দলেই শাসনত নাথাকক কিয়, এই বাজেটখনৰ জৰিয়তে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ চেষ্টা কৰে। পৰম্পৰাগত ভাৱে শাসক পক্ষই ইয়াক সমৰ্থন কৰে আৰু বিৰোধী পক্ষই ইয়াৰ বিৰোধিতা কৰে। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, কেতিয়াবা আমি কিছুমান বিষয়-বস্তুক সকলোৱে সমৰ্থন কৰিব লাগে। এই বাজেটখনত সন্নিবিষ্ট দুটা বিষয়-বস্তুৱে এই বাজেটখনক বহু উচ্চতালৈ লৈ গৈছে। ইয়াৰ dignity আৰু status ক বহু ওপৰলৈ লৈ গৈছে। এই বিষয়-বস্তু কেইটা প্ৰত্যক্ষভাৱে জনসাধাৰণৰ লগত জড়িত নহয়, কিন্তু আমি বাস কৰা পৃথিৱীখনৰ আয়ুসৰ লগত ই জড়িত। এই বাজেটখনত এইবাৰ wetlands আৰু অমৃত বৃক্ষৰ কথা সন্নিবিষ্ট আছে। Wetlands বুলিলে আমি যিসমূহ এলেকা, যিসমূহ মাটি গোটেই বছৰটো পানীৰে ক'ভাৰ হৈ থাকে সেইখিনিকে কওঁ। Those areas where the soil is covered with water through out the year. এইটো এটা সৰু পুখুৰী, বিল বা ডাঙৰ হ্ৰদ এটাও হ'ব পাৰে। পুৰণি দিনত আমাৰ গাওঁবোৰত এটা পৰম্পৰা বা ধৰ্মীয় বিশ্বাস আছিল যে বাৰীখনত থকা এটা পুখুৰী যদি কিবা কাৰণত ঘৰ বনাবলৈ বা বেলেগ কিবা কাৰণে পুতিব লগীয়া হয় তেতিয়া আমাৰ বয়োজ্যেষ্ঠ সকলে কৈছিল যে খাল এটা হ'লেও পিছফালে খান্দিব লাগে আৰু

এই কথাটো আজিও বহুতে মানি আহিছে। এই wetlands বিলাক বহু জৈৱ বৈশিষ্ট্যৰ বাবে, বহু প্ৰজাতিৰ গছ-গছনিৰ বাবে এটা গৃহ। যিটো আমাৰ প্ৰকৃতিৰ কাৰণে আৰু climate change ৰ কাৰণে অতিকৈ প্ৰয়োজনীয়। আমাৰ জলাশয় সমূহ হৈছে biodiversity ৰ প্ৰধান ঘৰ। হাজাৰ হাজাৰ biodiversity এই wetlands বিলাকে ৰক্ষা কৰি আহিছে। প্ৰদূষিত পানী সমূহ যেতিয়া এই wetlands ত পৰে তেতিয়া ই চাফা হৈ যায়। বানপানীৰ যি উগ্ৰতা এই উগ্ৰতাক হ্ৰাস কৰাৰ ক্ষেত্ৰত এই wetlands বিলাকে সদায় আমাক সহায় কৰি আহিছে। আমি পাঁচ বছৰ আগতে এঠাইত পানীৰ কাৰণে খনন কাৰ্য্য কৰোতে আমি যিমান ফুটত পানী পাইছিলো আজি কিন্তু আমি তাতকৈ বেছি ফুট তললৈ খান্দিব লাগিব। কাৰণ আমাৰ ground water দিনে দিনে তললৈ গৈ আছে, শুকাই গৈ আছে। আমি টয়লেটত প্ৰস্ৰাৱ কৰিবলৈ গৈ চুইচ টিপিলে তিনি-চাৰি লিটাৰ পানী গুছি যায়। আমি ভাৰো যে এই পানী ওপৰৰ টেংকিৰ পৰা আহিছে। কিন্তু এই পানীখিনি ভূখণ্ডৰ পৰা আহিহে ওপৰলৈ গৈছে। সেই পানীৰ টেয়াৰটো এতিয়া দিনক দিনে কমি গৈছে। পৃথিৱীৰ বহু ঠাইত এতিয়া লেট্ৰিনৰ পানী ও recycle কৰি আকৌ ব্যৱহাৰ কৰিব লগীয়া হৈছে। এই জলাশয় সমূহে আমাক সদায় এইবিলাকত সমৰ্থন কৰি আহিছে আৰু সহায় কৰি আহিছে। আমাৰ এই যিটো পৰিবেশ তন্ত্ৰ, যিটো eco system, এই eco system ত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টোৱে হৈছে জলাশয়। এইবাৰ এই বাজেটত এই জলাশয়ৰ কথা উল্লেখ কৰা হৈছে। United Nation য়ে এই জলাশয়ৰ বিষয়ে কৈছে যে - United Nations Millennium Ecosystem assessment and Ramsar mention described wetland as whole to be of biocer significance and social importance into the water storage during flood. মই উল্লেখ কৰিছো যে এই জলাশয় বিলাকে বানপানীৰ সময়ত আমাক বহুত সহায় কৰি আহিছে। Water replacement, shoreline stabilization and strong protectio. জলাশয়ৰ ক্ষেত্ৰত আটাইতকৈ বিপদজনক কথাটো হৈছে ১৯৭০ চনৰ পৰা পৃথিৱীৰ ৩৫ শতাংশ জলাশয় বিলুপ্ত হৈছে। এইটো পৃথিৱী খনৰ কাৰণে অতি গুৰুত্বপূৰ্ণ বিষয় কাৰণ পৃথিৱীখন থাকিলেহে মানুহ থাকিব আৰু মানুহ থাকিলেহে সমস্যাবোৰ থাকিব। মই বিধান সভাত সদায় দেখি আহিছো যে আমি ৰেশ্যন কাৰ্ডৰ কথা পাতো, অসুখ-বিসুখৰ কথা পাতো। কিন্তু আচল কথাটো হৈছে পৃথিৱীৰ স্বাস্থ্য আৰু আয়ুস এইটো হে আটাইতকৈ ডাঙৰ বিষয়। মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ কৰিব বিচাৰিছো যে এইবাৰ বাজেটত অসমৰ ২৭১ টা জলাশয় চিনাক্তকৰণ কৰা হৈছে। ইয়াৰ ভিতৰত কোনোবাটো হয়তো মৃত বা কোনোবা টো হয়তো আছে। গতিকে এই জলাশয় সমূহৰ উন্নয়ণ কৰাটো অতি প্ৰয়োজনীয়। সেই ব্যৱস্থাটো ঠিক কৰাৰ কথা আমাৰ এই বাজেটত প্ৰকাশ পাইছে। তাৰ কাৰণে চৰকাৰে এইবাৰ ২০০ কোটি টকা ধাৰ্য্য কৰিছে। যোৱা কালি আমাৰ মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই বানপানীৰ কাৰণে কেৱল ২০০ কোটি টকাহে ধাৰ্য্য কৰাৰ কথা উল্লেখ কৰিছে। কিন্তু সেইটো নহয়। বাজেটত উল্লেখ আছে যে বানপানীৰ কাৰণে যিখিনি কৰিব লগীয়া কাম আছে, সেই গতানুগতিক কামখিনি থাকিবই। বানপানী বুলি ভাবিলে আমি কেৱল মথাউৰি নিৰ্মাণৰ কথায়েই ভাবো। কিন্তু বৈজ্ঞানিক ভাৱে যদি চাওঁ, তেতিয়াহ'লে কেৱল মথাউৰি নিৰ্মাণেই যে বানপানী নিৰ্মূল কৰিব পাৰে সেইটো প্ৰমাণ হোৱা নাই। বৰং এই পানীখিনিক বিশৃংখলতাহে দিয়া হৈছে আৰু নতুন নতুন অঞ্চললৈ এই বানপানী বিয়পোৱাত সহায় কৰি আহিছে। এই ২০০ কোটি টকা কেৱল জলাশয়ৰ উন্নিতকৰণৰ বাবে দিয়া হৈছে, বানপানী কন্ট্ৰোলৰ কাৰণে দিয়া নাই।

জলাশয় বিলাকেও বানপানী কন্ট্ৰোল কৰিব সেই কথাটো ইয়াত উল্লেখ আছে। আমাৰ দ্বীপৰ বিল আছে। আমাৰ মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া দ্বীপৰ বিলৰ লগত একাত্ম। কিন্তু দ্বীপৰ বিল বুলিলে আমি কেৱল এখন পৰ্য্যটন ক্ষেত্ৰ বুলিয়েই ভাবো। It is a source of rich biodivertion আৰু a source of water. তাত পানী storage হয়। আমাৰ মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই দ্বীপৰ বিলৰ ক্ষেত্ৰত বিধান সভাত বিভিন্ন কথা উত্থাপন কৰিছে। কিন্তু মই আজি তেখেতক অনুৰোধ জনাইছো যে এই দ্বীপৰ বিলখন যে আমি প্ৰদূষিত কৰো ভৱিষ্যতে যাতে তেখেতে এই ক্ষেত্ৰত অলপ গুৰুত্ব দি দ্বীপৰ বিলক এই প্ৰদূষণৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এইবাৰৰ বাজেটত সন্নিবিষ্ট হোৱা আৰু এটা বিষয় হ'ল অমৃত বৃক্ষ আন্দোলন। যোৱা বছৰ ১ কোটি ২০ লাখ গছ পুলি ইয়াৰ জৰিয়তে ৰোপণ কৰা হৈছিল। কালি আমাৰ মাননীয় বিধায়ৰ শ্ৰী ভৰত চন্দ্ৰ নগৰ ডাঙৰীয়াই কৈছে I will shock to hear this statement. তেখেতে কৈছে অসমত বহুত গছ পুলি আছে আৰু গছপুলি ৰোপণৰ নামত ইমান টকা দিয়াৰ প্ৰয়োজন ক'ত? আজি সৰু সৰু ল'ৰা-ছোৱালী বিলাকেও গছ পুলি ৰোপণ কৰিব লাগি বুলি জানে। এনে সময়ত এগৰাকী জ্যেষ্ঠ সদস্যই আমাৰ এই পবিত্ৰ সদনত কয় যে অসমত বহুত গছ আছে আৰু কিয় ৰোপণ কৰিব লাগে। এনেকুৱা এটা ভুল বাৰ্তা ৰাইজলৈ গুছি যায়। এই অমৃত বৃক্ষ আন্দোলনতেই ৪৮ লাখ জনসাধাৰণে online যোগে registration কৰিছিল। গতিকে কিমান এটা ডাঙৰ movement। 48 lakh people are motivated to plant trees. এই ৪৮ লাখ মানুহ সদায় থাকিব আমাৰ লগত। ইয়াৰ ক্ষেত্ৰত মই এটা date দিব খুজিছো যে ২০২৩ চনৰ প্ৰতিবেদন মতে ২০১৫ চনৰ পৰা ২০২০ চনৰ ভিতৰত এই ৫ বছৰত ভাৰতে ৬,০৬,৮৪০ হেক্টৰ বন ভূমি হেৰুৱাইছে। অসমত যোৱা ২০ বছৰত ২৬৯০ হেক্টৰ বন ভূমি হেৰুৱাইছে। সেইটো কিমান এটা চিন্তিত কথা, তাৰ পিছত যদি কোনোবাই কয় যে আমাৰ অসমত গছ পুলি নালাগে, গছ পুলিৰ প্ৰয়োজন নাই, তাতকৈ আৰু ডাঙৰ statement একো হ'ব নোৱাৰে। that is most blind statement of this Assembly, সেই কাৰণে এই সকলোবিলাক মিলি আমি দেখিছো যে এই বাজেটখনে এবাৰ এটা international level লৈ গুছি গৈছে। যিটো United Nation য়ে চিন্তা কৰিছে Wet land ৰ কথা, যিটো প্ৰত্যেকজন মানুহে আজি গছ পুলি ৰোপনৰ কথা চিন্তা কৰে, সেইখন এইবাৰ এই বাজেটত প্ৰতিফলিত হৈছে। সেই কাৰণে মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়া আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দি আজি মোৰ বাজেট ভাষণ সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেট সদনত উত্থাপন কৰিছে, এই বাজেট আমি যদি খুব চমুকৈ কওঁ, এইটো শুকান বাজেট হিচাপে আমাৰ দৃষ্টিগোচৰ হৈছে।

(Smti Sibamoni Bora on the Chair)

মাননীয় সভাপতি মহোদয়া, এই বাজেটত আমি বিশেষ কোনো ডাঙৰ ঘোষণাও দেখা নাই, একেটা সময়তে পূৰ্বৰ ধাৰা যি হিতাধিকাৰী সৃষ্টিৰ ধাৰা সেই ধাৰাক অব্যাহত ৰাখিছে। এই বাজেটৰ বিত্তীয় দিশসমূহ যদি আমি অকণমান আলোচনা কৰো, দেখা গৈছিল যে ২০২৩ -২৪ বৰ্ষত annual financial statement ত দেখুৱাইছিল যে ধাৰৰ টকা ঘুৰাই দিব লাগিব। অৰ্থাৎ principal payment ত ৪ হাজাৰ কোটি টকা। কিন্তু মুৰেকত গৈ আমি দেখিলো যে

ধাৰৰ টকা ঘুৰাই দিয়া হৈছে ১৯ হাজাৰ কোটি টকা। এই ব্যৱধানটো অত্যাধিক হোৱাতো আমি লক্ষ্য কৰিছো।

একেটা সময়তে, ২০২৪-২৫ চনত debt repayment শিতানত কোৱা হৈছে যে ৭ হাজাৰ কোটি টকা ঘুৰাই দিয়া হ'ব। এই ৭ হাজাৰ কোটি টকাতো যদি ৫ গুণ বাঢ়ি যায়, যোৱা বাৰৰ তুলনাত তেনেহলে ৩৫ হাজাৰ কোটি টকা হ'ব। মই আশা কৰিম যে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে তেওঁৰ বক্তব্যত এইষাৰ কথাৰ এটি স্পষ্টীকৰণ দাঙি ধৰিব।

মাননীয়া সভাপতি মহোদয়া, ২০২২-২৩ চনত fiscal deficit allowed limit আছিল ৪ শতাংশ। কিন্তু actual গৈ এই limit cross কৰি fiscal deficit আহিল ৬.১ শতাংশ। যিটো আমাৰ কাৰণে এইটো উদ্দেগৰ বিষয়।

মাননীয়া সভাপতি মহোদয়া, আমাৰ অসমৰ বাজেট আজি কেইবা বছৰৰ পৰা unrealistic figure কিছুমান দেখিবলৈ পাওঁ, যি figure টোৰে, সেইটোৰে বুজাই যে এই বাজেটৰ স্বাস্থ্য ভাল নহয়। মুলত এই unrealistic যি supplementary demand আছে, সেইটো এটা অন্যতম কাৰণ হ'ব। supplementary demand ৰ সময়ত দেখা যায় যে বহু বিভাগে পইচা খৰছ কৰিব নোৱাৰে, বা saving কৰিব নোৱাৰে, কিন্তু তেওঁলোকক কোৱা হয় যে saving কৰি কৰি অন্য বিভাগত সেই পইচা adjust কৰা হয়, সেই পইচাখিনি তাৰ পৰা বিয়োগ নকৰি, সেই কেৱল যোগ কৰি যোৱাৰ ফলত এই অংকটো অকণমান ডাঙৰ দেখা যায়। যদি আপুনি চাই, এইবাৰো যে Medium Term Fiscal Policy (MPFP) ৰ document আছে, তাৰ ২৭ নং পৃষ্ঠাত কৈছে যে FRBM আইনে আমাক permit কৰাৰ ক্ষেত্ৰত আমি ঋণ লৈছো। কিন্তু যি growth of outstanding debt, সেইটোৰ তুলনাত GSDP growth rate বহুত কম। যদি আমি ঋণ লৈছো তেনেকৈ GSDP বাঢ়িব লাগিছিল। আমাৰ outstanding debt বাঢ়িছে কিন্তু GSDP growth rate কম হৈ আছে। আমি কম জ্ঞান বুদ্ধি থকা, তথাপিও এইখিনি আমাৰ চকুত ভাহি উঠিছে।

সদায় বাজেটত বহুত কথা কোৱা হয়, তিনি চাৰিখন বাজেট এই সদনত পালো। মই মোৰ চেঙা সমষ্টিৰ উদাহৰণ দি কম যে যিবিলাক কথা বাজেটত কোৱা হৈছিল, সেইবিলাক বাস্তৱত কেতিয়াও ৰূপান্তৰ নহয়। যোৱা বছৰৰ আগৰ বাজেটত কোৱা হৈছিল যে চেঙা সমষ্টিৰ বহৰীত এটা ক্ষুদ্ৰ জাহাজ ঘাট কৰা হ'ব আৰু সেইটো কেৱল ভাষণতে সীমাবদ্ধ থাকি গ'ল, কেতিয়াও বাস্তৱৰূপ আমি দেখিবলৈ নাপালো। সেই কামত কমেও ৭০,৮০ বা ১০০ কোটি টকা আহিলে হেতেন। কিন্তু বাজেট ভাষণতে ফুলজাৰি মাৰে যেতিয়া কৰ্মত আমি নাপাও, ইয়াতকৈ দূৰ্ভাগ্য আৰু কি হ'ব পাৰে।

এটাই যে তেনেকুৱা নহয়, চেঙা সমষ্টিত আৰু কেইবাটাও উদাহৰণ আছে, যিটো আপোনাক জনাব বিচাৰিছো -

ADB ৰ জৰিয়তে চেঙা আৰু বাঘবৰ সমষ্টিৰ গৰাখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে আঁচনি লোৱা বুলি আমাক বাজেটৰ ভাষণত কৈছিল। সেই কথাটো গৈ আইনী মোকৰ্দমা, অমুক তমুক ইত্যাদি কৈ ফুটুকাৰ ফেনত পৰিণত কৰা হ'ল।

মাননীয়া সভাপতি মহোদয়া, বাজেটত এবাৰ কোৱা হৈছিল যে বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ ৰাজ্যত ১ হাজাৰকৈ নিৰ্মাণ কৰা হ'ব। যোৱাবাৰৰ আগৰ বাৰত tender লৈকে হৈ গৈছিল। তাৰ পিছত বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ আজি দিনত নাই। অহা দিনত হ'ব নে নাই, সেইটোও এটা ডাঙৰ

প্ৰশ্ন আৰু তেনেকুৱা এখন বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ চেঙা সমষ্টিতো অনুমোদন হৈছিল। কিন্তু আজিলৈকে আমি পোৱা নাই। কেৱল বাজেটত আহিব আৰু আমি নাপাম, ইয়াতকৈ দূৰ্ভাগ্যজনক কি হ'ব পাৰে। বাজেটটো দেখুৱাবলৈ আমি বছৰৰ প্ৰথমত বনাই থওঁ, শেষত আমি নকৰো। তাতকৈ দূৰ্ভাগ্য কি হ'ব পাৰে।

কেৱল এইটোৱে নহয়, জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্প, সেইদিনা মই সদনত কৈছো, চেঙা সমষ্টিত দিয়াৰ কাৰণে budgetary provision ও আহিল। তাৰ পিছতো গৈ পূঁজিৰ কাৰণে আমি দিব নোৱাৰিলো। চেঙা সমষ্টিৰে যদি ইমান বিলাক ঘটনা হয়, তেনেহলে বাকী সমষ্টিৰ কথা যদি আলোচনা কৰিবলৈ যাও, তেতিয়া হলে কিমান দীঘলীয়া তালিকা এখন আহিব।

মাননীয়া সভাপতি মহোদয়া, এই বাৰৰ বাজেট যিটো আহিছে, এই বাজেটৰ speed টো কম আৰু ভিতৰত চাগে ইন্ধনও কম। কাৰণ এই বাজেটতে উন্নয়নৰ বোজা লৈ আমিনগাঁৱও পাৰ কৰিব পৰা নাই। যোৱা বাৰ তথাপিও নলবাৰীলৈ গৈছিল, এইবাৰ সামন্য কিবাকৈ দৈৰিকৈ বৰপেটা সত্ৰত সমান্য পইচা দিয়া গৈছে। ইয়াতে শংৰদেৰ মাধৱদেৱৰ কথা কোৱা হৈছে, কিন্তু বহৰীত থকা সত্ৰৰ কথা কেতিয়াও কোৱা নহ'ল। আজি আমি ভাল পালো হেতেন, যদি চেঙা সমষ্টিৰ বহৰী সত্ৰতো কিবা এটা অনুদান দিলেহেতেন। এইবাৰৰ বাজেটত নামতি অসমত পূৰ্ণ পৰ্য্যায়ত বৰ্জন কৰা এটা বাজেট হৈছে। নামনি অসমতো আমি উন্নয়নৰ ধাৰাটো পাব বিচাৰো। ডাঙৰ ডাঙৰ project বিলাক, গুৱাহাটী, উজনি অসমত গৈছে, সেইটোলৈ আমি বেয়া পোৱা নাই, তাতেও হ'ব লাগে, কিন্তু আমাৰ ঠাই বিলাকত নহ'ব, সেইটো আমাৰ কাৰণে দূৰ্ভাগ্য।

মাননীয় সভাপতি মহোদয়া, বিত্ত মন্ত্ৰী ডাঙৰীয়ানিয়ে বাজেট ভাষণৰ ৩৩ নং পৃষ্ঠাত কৈছে ৫ হাজাৰ টা অঙ্গনবাড়ী কেন্দ্ৰ সম্পূৰ্ণ কৰিছো, এই তথ্যটো ভূল হৈছে, তেখেতে শুধৰাই ল'ব বুলি মই আশা কৰিছো। অঙ্গনবাড়ী কেন্দ্ৰৰ এতিয়ালৈকে সম্ভৱত ১ হাজাৰ টাৰ নিৰ্মাণ কাম চলি আছে আৰু ২, ৩ শ বা ৪ শ কেন্দ্ৰৰ কাম সম্পূৰ্ণ হৈছে। ইয়াতকৈ বৰ বিশেষ হোৱা নাই। কিন্তু অঙ্গনবাড়ী কেন্দ্ৰ সমূহত কোৱা ধৰণে কেৱল এই আদৰ্শ বা বিল্ডিংটো বনালে ২৫ লাখ টকাৰে pre-primary education টো ভাল হ'ব, এই ধাৰণাটো ভুল। এতিয়াও ৰাজ্যত এনেকুৱাকৈ হাজাৰ হাজাৰ অঙ্গনবাড়ী কেন্দ্ৰ আছে, যিবিলাকত এক কঠা মাটি নাই আৰু যেতিয়া অঙ্গনাবাড়ী কেন্দ্ৰ সমূহ প্ৰতিষ্ঠা কৰা হৈছিল বা তেতিয়া কৰ্মীক চাকৰি দিয়াৰ নামত ১০ লেচাকৈ মাটি কাৰোবাৰ পৰা লৈ কিবাকৈ ঘৰটো বনোৱা হৈছে। মই কম যে অঙ্গনবাড়ী concept টো থাকক, সেইটোও ভাল। কিন্তু যেনেকুৱা জৰাজীৰ্ণ অৱস্থাত এই অঙ্গনবাড়ী কেন্দ্ৰ সমূহ আছে, সেইবিলাককো পুনৰ নিৰ্মাণ কৰিব লাগে। যিবোৰ ঠাইত মাটিৰ scarcity আছে, সেইবোৰ বিত্ত মন্ত্ৰী মহোদয়াই চাব। আৰু এই বাজেটত কোৱা হৈছে ৩৩২ খন উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৭ কোটিকৈ টকা দিয়া হ'ব। দেখা গৈছে যে বিৰোধী বিধায়ক সকলৰ সমষ্টি কেইটাত মাত্ৰ ২ খনকৈ কেন্দ্ৰ বাছনিত উঠিছে বাকী শাসকীয় দলৰ বিধায়ক থকা সমষ্টিত ৩ খন, ৪খন, ৫ খনলৈকে কেন্দ্ৰ বাছনিত উঠিছে। এইটো আমাৰে দূৰ্ভাগ্য যে আমাৰ ঠাইত লৰা-ছোৱালীয়ে ভাল infrastructure নাপাব।

**(সদনত মাননীয় সভাপতি শ্ৰীমতী শিৱামনি বৰা)**

**শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা** ঃ এয়া দুৰ্ভাগ্য আমাৰ কাৰণে। আমাৰ ঠাইত ল'ৰা-ছোৱালীয়ে ভাল আন্তঃগাথনি নাপাব। বাকী ঠাই সমূহত বেছি বেছিকৈ পাব। এই ধৰণৰ আমি এটা সু-বিচাৰ আশা কৰিছো। সকলোৱে সমানভাৱে পালে অন্ততঃ ভাল লাগিলেহেঁতেন। আজি ৩২২ খন স্কুলৰ কথা

কোৰা হৈছে পৰৱৰ্তী সময়ত আৰু ২ শ ৪ শ খন স্কুল কৰিব। কিন্তু এতিয়া যিসমূহ স্কুল যিবিলাক medium size ৰ স্কুল, যিসমূহ স্কুলত ৩ শ বা ৪শ ল'ৰা-ছোৱালী বা ২ শ ৰ পৰা ৩শ ৰ ভিতৰত আছে, সেই স্কুলত মাটিও কম। সেইবিলাকত ৭ কোটি টকাৰ project কৰিব নোৱাৰি। গতিকে তাৰ সলনি বিকল্প কম পৰিমাণৰ পইচা দি বাকী সকলো স্কুলৰ আন্তঃগাথনিৰ ভাল কৰাৰ কথাও চিন্তা ভাৱনাৰ কথা চিন্তা কৰিব লাগে। মহোদয়, এইবাৰ বাজেটত বাঠপথৰ কোনো ঘোষণা নাই। কেৱল অসম মালাৰ কিছু ৰাস্তাৰ কথা গোষণা কৰা হৈছে। মই কৈছো যে অসম মালা, আমিনগাওঁৰ ফালে গৈ পোৱা নাই। চেঙা, জনীয়া, বাঘবৰ সমষ্টিত এই অসম মালাৰ পথ নাই। আমাৰ অঞ্চল বিলাকত কি হ'ব? যোৱাবাৰৰ আগত আমাৰ অন্ততঃ তাত মুখ্যমন্ত্ৰীৰ পথ যোজনা আহিছিল। তাত বিভিন্ন বাট-পথৰ কথা কোৱা হৈছিল। আমি আদৰণি জনাইছিলো। কিন্তু এইবাৰৰ বাজেটত বাট-পথৰ কথা হোৱা নাই। সম্ভৱতঃ অহা দিনত কিবা যদি ভাল মূল্য যদি ল'ব পাৰি আৰু যদি ৰাষ্টাপথৰ নিৰ্মাণৰ কথা হয় বেয়া নহ'ব। কাৰণ অন্ততঃ আমাৰ ঠাইত ৰাষ্টা-ঘাট পাব। উন্নত পথ লাগিব। কিন্তু আমাৰ গাওঁৰ মানুহে যাব পৰা মেইন ৰাষ্টা নাই। গতিকে মহোদয়া এই বিষয়বিলাকত গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে. আজি সাধাৰণ বিভাগত কৈছে যে তেওঁলোকে আধাৰৰ Seeding খুব গুৰুত্ব সহকাৰে কৰিছে। আধাৰ seeding অৰ্থাৎ আধাৰ সংক্ষিপ্ত কৰণৰ লক্ষ্য তেওঁলোকে লৈছে. কিন্তু ২৭ লাখ মানুহৰ নাম যি আধাৰৰ পৰা বাট পৰি আছে, তাৰ গোটেইখিনি মানুহ কিন্তু NRC ৰ পৰা বাত পৰা মানুহ নহয়। NRC ৰ পৰা বাত পৰা মানুহখিনিক দি তেওঁলোকক NRC ত নাম সুমোৱাৰ কাৰণে সুযোগ দিব লাগিছিল সেইটো দিয়া নাই। NRC ৰপৰা বাত পৰা মানে তেওংলোকক বিদেশী নাগৰিক বুলি ক'ব পাৰিব নেকি? নোৱাৰে। গতিকে বাকী সকলো সা-সুবিধা পোৱাৰ কাৰণে আধাৰ কাৰ্ড যিসকলে পোৱা নাই, তেওঁলোকৰ সু-ব্যৱস্থা হ'ব লাগিছিল, কিন্তু এই বাজেটত বা এই ঘোষণা বা সদনত এই বিষয়ত ইতিবাচক দিশ সম্পৰ্কে কোনো আলোচনা নহ'ল। আমি এতিয়াও দেখিচো যে দুৰ্গম আৰু আওহতীয়া অঞ্চলত শিক্ষকসকল যাব নিবিচাৰে বুলি এইক্ষেত্ৰত বিভিন্ন বিভাগীয় বিষয়া সকলৰ পৰা আমি গম পাওঁ। এতিয়াও সেই দুৰ্গম অঞ্চল বহু ঠাইত দেখা গৈছে, ভেঞ্চাৰ স্কুল কৰি বহুতেই শিক্ষকতা কৰিব বিচাৰিছে। কিন্তু সেই স্কুলসমূহ লোৱা নহ'ল. আজিৰ দিনত যদি অন্ততঃ দুৰ্গম ঠাইৰ মানুহখিনিক সেই স্কুলসমূহত তেওঁলোকক tution হিচাপে লৈ তাত থকা existing school সমূহত তেওঁলোকক adjust কৰা হয় মই ভাৱো যথেষ্টখিনি উপকাৰ হ'ব সদৌ শেষত ব্ৰীজ ঘোষণাত আহিছোষ আমি আমিনগাওঁত এখন ব্ৰীজ হৈ আছে, শৰাইঘাটৰ ওপৰত আৰু এখন ব্ৰীজ পলাশবাৰীৰ ব্ৰহ্মপুত্ৰৰ ওপৰত আৰু এখন ব্ৰীজ আৰম্ভ হ'ব। কিন্তু পলাশবাৰীৰ পৰা আৰম্ভ কৰি গোৱালপাৰা ৮০-৯০ কিলোমিটাৰৰ মাজত গোটেই বৰপেটা জিলা আৰু কামৰূপ গ্ৰাম্য জিলা থকাৰ পিছত গোৱালপাৰাৰ লগত সুন্দৰ যোগাযোগ হ'ব পৰা এখন ঠাই আছে আৰু মই আশা কৰিম যে অহা দিনত ব্ৰহ্মপুত্ৰৰ ওপৰত কৰবাত ব্ৰীজ হ'ব লাগে, এই গুৱাহাটী আৰু গোৱালপাৰাৰ মাজত অংশত অৰ্থাৎ চেঙা সমষ্টিত অজান লুপ্ত বাঘবৰ, দঙৰা, চেঙা আজি ধলাবন্ধাৰ মাজত এখন ব্ৰীজৰ কথা এই চৰকাৰখনে লয় আৰু আসা কৰি মোৰ বক্ত্যবা সামৰিছো.ধন্যবাদ।

**শ্ৰীমতী শিৱা মনি বৰা, (সভাপতি)** ঃ ধন্যবাদ। মাননীয় সদস্য। এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য শ্ৰী শিবু মিশ্ৰ ডাঙৰীয়াই । আপোনাক দলে ৭ মিনিট সময় দিছে।

**শ্ৰী শিবু মিশ্ৰ, (লামডিং)** ঃ মাননীয়া সভাপতি মহোদয়া, আজি বাজেটৰ ওপৰত দু-ষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো। বাজেটত মই ভবামতে যিমানখিনি অধ্যয়ন

কৰিছো এইটো বিকশিত অসম নিৰ্মাণ কৰাৰ ক্ষেত্ৰত মনৰ ভাব ইয়াত অন্তৰ্ভূক্ত হৈ আছে। আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী তথা সন্মানীয়া বিত্তমন্ত্ৰী তেওঁলোকৰ বাজেট উত্থাপন হৈছে, বহু বিধায়কে তেওঁলোকৰ বক্তব্য দিছে আৰু মই এই বাজেটৰ সমৰ্থন কৰি Insfrastructure Development, Sustaniable Development গোটেই ভাৰতবৰ্ষৰ অসম বহুত হৈছে আৰু মই ভবা মতে আৰু অহা দিনত বহুত হ'ব। আমাৰ দেশৰ শ্ৰদ্ধাৰ প্ৰধানমন্ত্ৰী তেওঁ এটা কথা কৈছিল আত্মনিৰ্ভৰ ৰাষ্ট্ৰ গঠন কৰিব লাগে বুলি মন্তব্য কৰিছিল। আত্মনিৰ্ভৰ ৰাষ্ট্ৰ গঠন কৰাৰ আগত মই ভবা মতে আত্মনিৰ্ভৰ ব্যক্তি পুৰুষ, মহিলা, যুৱক-যুৱতী আত্মনিৰ্ভৰশীল যদি ব্যক্তিত্ব গঠন কৰিব পাৰো, তেনেহ'লে আত্মানিৰ্ভৰশীল ৰাষ্ট্ৰ, আত্মনিৰ্ভৰশীল ৰাজ্য গঠন কৰিব পাৰিম বুলি মোৰ ধাৰণা। সেয়েহে মহাদয়া, আজি আমাৰ এই বাজেটৰ specific বিভিন্ন বহুমুখী বাজেট উত্থাপন হৈছে আৰু ইয়াৰে এটা specific এটা point মই ক'ব বিচাৰি আছো। আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ৰ মনৰ ভাৰৰ দ্বাৰা ইয়াত বৰ্হিপ্ৰকাশ হৈছে আৰু মাননীয়া বিত্তমন্ত্ৰী মহোদয়াৰ নেতৃত্বত মাননীয় মুখ্যমন্ত্ৰীৰ নিযুত মইনা নামাকৰণেৰে এটা পূঁজি ধাৰ্য্য কৰা হৈছে। এইটো কেৱল নামাকৰণ নহয়, এইটো কেৱল আঁচনি নহয় ইয়াৰ লগত জড়িত হোৱা বহুত আবেগ, বিবেক, অনুভৱ মই ভবা মতে ইয়াত নিহিত হৈ আছে। বিশেষকৈ আত্মীনিৰ্ভৰশীল ৰাষ্ট্ৰ গঠন কৰাৰ কথা কোৱা হৈছে ইয়াৰ মাজত বিশেষকৈ মহিলা, আমি সদায় কেতিয়াবা কেতিয়াবা তথ্যপাতিত দেখা পাওঁ, শুনা পাও নাৰী নিৰ্যাটন, নাৰী লাঞ্চিত, বঞ্চিত এই কথাষাৰ আমি সদায় শুনি আহিছো। কিন্তু যদিও ইতিমধ্যে এইবোৰ নাইকিয়া হৈছে আৰু বহুতে নাইকিয়া কৰাৰ কাৰণে আমাৰ সন্মানীয় বিত্তমন্ত্ৰী মহোদয়াৰ তেওঁৰ মনৰ ভাৰ, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিযুত মইনা আঁচনিৰ যোগেদি হাইচেকেণ্ডাৰী, ডিগ্ৰী, পোষ্ট গ্ৰেজুৱেট কিবা এটা পইচা তাত ধাৰ্য্য কৰা হৈছে। এই যে মনৰ ভাৰ হাইচেকেণ্ডাৰী লেভেলত অনুদান দিব ১০ হাজাৰ টকা, ডিগ্ৰী লেভেল ১২ হাজাৰ ৫ শ টকা আৰু পোষ্ট গ্ৰেজুৱেট যেতিয়া হ'ব ১৫ হাজাৰ টকা। Specific হাইচেকেণ্ডাৰীৰ পৰা ডিগ্ৰী লেভেললৈ যুৱতীসকল। এইটো বয়সত আমিও অতিক্ৰম কৰি আহিছো। এইটো বয়সত কি কৰিব লাগে, কি কৰিব নালাগে এইসম্পৰ্কত আমি প্ৰত্যেকে অৱগত। মোৰ stream ত যেন থাকে অনুপ্ৰেৰণা দিয়াৰ কাৰণে আমাৰ চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানিয়ে এই যে মনৰ ভাৰ বৰ্হিপ্ৰকাশ কৰিলে তাৰ কাৰণে মই ব্যক্তিগত ভাৱে মই ভাৱো এটা ভাল মনোভাৱৰ আৰু বিকশিত অসম গঢ়াৰ ক্ষেত্ৰত তাৰ এটা অভিলেষ ৰূপ ইয়াত লৈছে বুলি ভাবো। হাইয়াৰ চেকেণ্ডাৰীৰ পৰা ডিগ্ৰী যুৱতী আৰু মহিলা, মহিলাৰ কাৰণে আমাৰ চৰকাৰে ইতিমধ্যে বহুত কেইখন আঁচনি লৈছে। NFS ৰেচন কাৰ্ড, Micro finance ঋণমুক্ত SED ক গোটক অনুদান দিয়া তাৰ কাৰণে মহিলাৰ এটা বিষয় আৰু যুৱতী বিষয় সকলৰ NFS card এটা কাগজৰ টুকুৰা নহয়, ইয়াৰ লগত বহুখিনি আৰু লাভালাভ অন্তৰ্ভূক্ত হৈ আছে. Micro finance এইটো এটা বেলেগ লাইন আৰু অৰুণোদয়, অৰুণোদয় এনেকুৱা এখন আঁচনি, কেৱল আঁচনি বুলি ক'লে ভুল হ'ব, এইখন এখন বৃহৎ হৃদয়ৰ আঁচনি বুলি ভাৱো। এই আঁচনিৰ লগত বহুখিনি অনুভৱ জড়িত হৈ আছে আৰু যিহেতু আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ গঢ়াৰ কথা বাৰম্বাৰ আমাৰ চৰকাৰে কয়, তাৰ কাৰণে ্প্ৰাধান্য দি কণকলতা সৰলীকৰণ এনেকুৱা বহু আঁচনি লোৱা হৈছে। কিন্তন specific মুখ্যমন্ত্ৰী নিযুত আমাৰ যিখন মইনা আঁচনি তাত আমাৰ চৰকাৰে কি কৰিব বিচাৰিছে যে সন্মানীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানিয়ে যে হাইচেকেণ্ডাৰীৰ পৰা ডিগ্ৰীলৈকে এইটো সময়ত যদি এটা অনুদান দিয়া যায় আমাৰ ছাত্ৰী সকলে এইটো সময়ত কি কিৰব লাগে কি কৰিব নালাগে এই ভাৱধাৰা যেন তেওঁলোকৰ

থাকে, পাঠদান লয়। বাল্যবিবাহৰ ক্ষেত্ৰত আমি যদি চাও এই সময়তে কিন্তু বহু যুৱতীয়ে বিবাহ কৰিব লাগে যে বিবাহ বিষয়টো কি এই কথাটো অনুদাৱন কৰিব পৰা নাই। এটা সময়ত ১৫-১৬-২০ বছৰ যেতিয়া হয় ১ টা ২ টা সন্তান পৃথিৱীলৈ আহে ইয়াৰ পাছত দেখা যায় এনেকুৱা বহুত ল'ৰা তেওঁক থৈ পলাই যায় বা যোগান দিব নোৱাৰাৰ কাৰণে এৰাএৰি হৈ যায়। এই যে ২০ বছৰৰ পাছত বাকী জাৱনটো নৰক সদৃশ পৰিৱেশৰ সৃষ্টি হয় বুলি মই ভাবো। ইয়াৰ কাৰণে চৰকাৰৰ যি ধাৰণা যে মুল বিষয়টো হৈছে হাইচেকেণ্ডাৰীৰ পৰা ডিগ্ৰী লেভেললৈকে এই যুৱতী সকল যেন পথভ্ৰষ্ট যেন নহয়। তেওঁলোকে পাঠদান ল'ব আৰু সমাজত নিজকে প্ৰতিষ্ঠিত কৰিব । আমাৰ চৰকাৰে ২৪০ কোটি টকা ধাৰ্য্যৰে এক আঁচনি ৰূপায়ণ কৰিছে । মই ভাবো যে, ডেভ'ল'পমেন্ট বহু হৈছে, ইনফ্ৰাছট্ৰাকচাৰেই হওঁক বা আত্মনিৰ্ভশীল বা স্বাস্থ্য সম্পৰ্কে যথেষ্টখিনি ডেভল'পমেন্ট হৈছে, কিন্তু মানৱ জাতি, নাৰী জাতিৰ ৰক্ষণাবেক্ষণ কৰাৰ বাবে আমাৰ যি ভাৱধাৰা আমি প্ৰত্যেকেই সন্মান কৰিব লাগে বুলি মই ভাবো । তাৰ কাৰণে আজি এই পবিত্ৰ সদনত মোক দুআষাৰ ক'বলৈ দিয়া বাবে মই পুনৰবাৰ আন্তৰিক অভিনন্দন আৰু সন্মান জ্ঞাপন কৰি বিশেষকৈ আমাৰ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়া ডঃ হিমন্ত বিশ্ব শৰ্মা লগতে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক এই আঁচনি লোৱা বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিছো । ধন্যবাদ ।

**শ্ৰীমতী শিবামনি বৰা, (সভা নেত্ৰী ) ঃ** ধন্যবাদ, এতিয়া বক্তব্য ৰাখিব আফটাবউদ্দিন মোল্লা । আপোনাৰ সময় ৭ মিনিট।

**শ্ৰীআফটাবউদ্দিন মোল্লা, (জলেশ্বৰ) ঃ** মাননীয়া সভাপতি মহোদয়া, আজি সদনত ২০২৪-২৫ চনৰ বাজেটৰ ওপৰত যি আলোচনা হৈ আছে , আৰু যি বাজেট দাখিল কৰিছে তাত আমি যি দেখিছো সেই সম্পৰ্কে দুই এটা বিষয়ত মই ক'ব বিচাৰিছো । এই বাজেটত বান নিয়ন্ত্ৰণ বিভাগে ২০৪০.৫৯ কোটি টকা ধাৰ্য্য কৰিছে। চৰকাৰে বানমুক্ত অসম কৰিব বুলি সদায় কৈ থাকে। আমাৰ এই বানপানীৰ সমস্যাটোক এটা জাতীয় সমস্যা বুলি ক'ব পাৰি। সেই কাৰণে কৈছো, যিখিনি টকা দিছে মই ভাবো যে, গৰাখহনীয়া ক্ষেত্ৰত আজিৰ তাৰিখত আমাৰ এই খৰালি দিনতো মোৰ জলেশ্বৰ সমষ্টিত ব্ৰহ্মপুত্ৰ বিভিন্ন দাঁতিকাষৰীয়া ঠাইত গড়াখহনীয়া হৈ আছে। তুলসীবাৰী- নামভিটা, চুপাৰীবাৰী আৰু জলেশ্বৰ ফেৰীঘাট, লগতে ঐতিহ্যমণ্ডিত বুঢ়া-বুঢ়ীৰ থানৰ বিষয়ে বিভিন্ন সময়ত মই সদনত কৈ আহিছো। আমাৰ মন্ত্ৰী মহোদয়কো মই কৈছিলো । এই বুঢ়া বুঢ়ীৰ থানত পূজা পাতল অনুষ্ঠান ইত্যাদি হৈ থাকে কিন্তু এই থানখন আজি গড়াখহনীয়ৰ কৱলত পৰাৰ উপক্ৰম হৈছে গতিকে এই থান খনৰো এতিয়া ৰক্ষা কৰাৰ কোনো ব্যৱস্থা হোৱা নাই । সেই কাৰণে কৈছো যে গড়াখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে আমি কি ধৰণৰ ব্যৱস্থা ল'লো, ইয়াত কিমান পুঁজি দিলে যোৱা বিধান সভাতো মই কৈছিলো যে মঠাউৰিতকৈ নদীৰ গড়াখহনীয়াটো ৰোধ কৰাটো অতি প্ৰয়োজনীয়। মোৰ সমষ্টিত ৫ কি.মি মঠাউৰি দিছে য'ত ৩০ কি.মি মঠাউৰি এতিয়াও সম্পূৰ্ণ হোৱা নাই। গতিকে এই বিভাগটোত আৰু অধিক পুঁজি দি কাৰ্য্যক্ষম কৰিব লাগে আৰু এই গড়াখহনীয়াৰ সমস্যাটো সমাধান কৰিব লাগে। শিক্ষাৰ ক্ষেত্ৰত মই এটা কথা দেখিছো যে, বিভিন্ন সময়ত আমি সমষ্টিৰ কামবিলাক কৰি থাকো সেই সময়তে সমষ্টিৰ প্ৰতিটো পঞ্চায়তেতে একোটাকৈ ডিজিটেল ক্লাছৰূম দিয়া হৈছে । এল পি , এম ই বা হাইস্কুলেই হওঁক ডিজিটেল ক্লাছ চলি আছে । আমি যেতিয়া এই ক্লাছৰূমবিলাক উদ্বোধন কৰিবলৈ গৈছিলো তেতিয়া তাত থকা শিক্ষকসকলৰ এটাই কথা যে আমাৰ অংক শিক্ষক নাই আৰু আন বিষয় শিক্ষকো নাই । তাত যথেষ্ট শিক্ষকৰ নাটনি হৈ আছে । এতিয়াও যদি আমি শিক্ষা ক্ষেত্ৰত সম্পূৰ্ণৰূপে গুৰুত্ব নিদিওঁ, এতিয়াও যদি

বিদ্যালয়বিলাকত শিক্ষকৰ অভাৱ এই কথাটো মন্ত্ৰী মহোদয়ে চাব লাগে । বিশেষকৈ গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিৰ কথা কৈছো । কৃষিৰ ক্ষেত্ৰত আমি দেখিছো যে বাজেটত দিয়া মতে ৭০ খন ট্ৰেক্টৰ, ২০০ খন থ্ৰেছাৰ মেচিন, ২০০ খন ক্ৰিপাৰ আৰু ১০ খন পেডি টেষ্টলেটৰ- এতিয়া কথা হ'ল গোটেই অসমত এই মেচিনাৰীৰে কি কাম হ'ব ? যিহেতুকে অসমৰ শতকৰা ৮০ ভাগ মানুহে কৃষিৰ লগত জড়িত। মই এতিয়া লোক নিৰ্মাণ বিভাগ দুই এটা কথা ক'ব বিচাৰিছো । মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনিত পি ডিব্লিউ ডি ডিপাৰ্টমেন্টক ১ বছৰ আগতে ৱৰ্ক অৰ্ডাৰ দিয়া হৈছিল । ৰাজমিঠা টু তাৰাঙ্গাপুৰ, কেচেৰাপাৰা টু চুপাৰিভিটা , তাৰাঙ্গাপুৰ টু চুপাৰিভিটা , পীৰবাৰী টু গৌনগৰ, লক্ষীপুৰ টু খইলচাভিটা , মৰুজবাৰী টু বাউচাতালি , ৰাখালখিলা টু চাতাইবাৰী এনেধৰণৰ আৰু বহুকেইটা ৰাস্তাৰ এক বছৰ আগতে ৱৰ্ক অৰ্ডাৰ দিয়া হৈছিল কিন্তু এই কামবিলাক এতিয়ালৈকে আৰাম্ভই হোৱা নাই । ইয়াৰ লগে লগে মই ক'ম যে, লক্ষীপুৰ টাউনৰ এন এল চি পি আৰ যিটো ৰোড ২০১১-১২ চনতে লোৱা হৈছিল, কিন্তু এতিয়াও হাফডান হৈ আছে। যোৱা কালি বিধান সভাত প্ৰশ্নোত্তৰ কালত আই টি আইৰ বিষয়ে আলোচনা হৈছিল। আমাৰ তাতে এখন আই টি আই কলেজ আছে। ২০১৩-১৪ চনতে কাম আৰম্ভ হৈছিল কিন্তু আজিলৈকে তাৰ কাম সম্পূৰ্ণ নহ'ল। গতিকে মই ভাবো যে, চৰকাৰখনে বিভাগীয় কনট্ৰেক্টৰবিলাকক নিয়ন্ত্ৰণ কৰিব পৰা নাই নেকি যে কামবিলাক ইমান লেহেমীয়া হৈছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে অলপ চাব লাগে । মই বিচাৰিছো যে এই হাফডান কামবিলাক সোনকালে হ'ব লাগে । আমাৰ সমষ্টিবিলাকৰ গাওঁ অঞ্চলত ৰাস্তা ঘাট তেনেই নাই। এতিয়া বাৰিষা বতৰ আহিয়ে পাব তাৰ আগতে যদি ৰাস্তাঘাটবিলাক নবনায় বা সম্পূৰ্ণ নকৰে তেনেহ'লে কেনেকৈ হ'ব ? সেই কাৰণে এই কথাটো মই সদনত উত্থাপন কৰিলো আৰু মোৰ শেষৰ কথাটো হৈছে যে, মোৰ সমষ্টিত অলপ দিন আগতে ৰিজাৰ্ভ ফৰেষ্টত উচ্ছেদ অভিযান হৈছে, ইয়াত আমাৰ ক'বলগীয়া নাই । চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰত চৰকাৰে কৰিছে আমি মানি লৈছো । কিন্তু সেই সমষ্টিৰে নলবাৰী ৰ্থকো নামাৰ পি আৰ এফখনতো উচ্চেদ কৰাৰ বাবে জাননী দিছে । যোৱা বছৰ যেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গোৱালপাৰা সৈনিক স্কুললৈ গৈছিলে তেতিয়া এই কথাটো জিলাৰ চাৰিওজন বিধায়কে লগ হৈ কৈছিলো যে, যিহেতু পি আৰ এফখন কোনো ফৰেষ্ট ডিপাৰ্টমেন্টৰ নহয় কেৱল কিছুমান গছপুলি ৰুৱাৰ বাবে ফৰেষ্ট ডিপাৰ্টমেন্টে এটা প্ৰজেক্টহে দিছিল গতিকে এই পি আৰ এফৰ মাটিখিনি যাতে ৰিজাৰ্ভ ফৰেষ্টলৈ ৰূপান্তৰ নহয়। তাতে থকা যিবিলাক অনুষ্ঠান প্ৰতিষ্ঠান, স্কুল , মানুহৰ ঘৰ ইত্যাদি আছে সেইবোৰ যাতে উচ্ছেদ কৰা নহয় এই কথাবিলাক আমি কৈছিলো। গতিকে মই আজিও কওঁ যে পি আৰ এফত থকা মানুহৰ ঘৰ, অনুষ্টান, স্কুল যাতে উচ্ছেদ কৰা নহয় আৰু মই কওঁ যে এই বাজেটখনক লৈ শাসকীয় পক্ষই যি গুনগান গাই আছে যে, বাজেটখন ভাল হৈছে , উন্নয়ণমুখী বাজেট কিন্তু মই কওঁ যে, এই বাজেটখন কোনো উন্নয়ণমুখী বাজেট নহয় । এইখন বাজেট হৈছে নিৰ্ব্বাচনমুখী বাজেট । আগন্তুক নিৰ্ব্বাচনক সন্মূখত ৰাখি এই বাজেট কৰা হৈছে । ধন্যবাদ

**শ্ৰীমতী শিবামনি বৰা, (সভা নেত্ৰী ) ঃ** ধন্যবাদ, এতিয়া টেৰছ গোৱালা। আপোনাক দলে ৭ মিনিট দিছে।

**শ্ৰীটেৰছ গোৱালা, (দুলীয়াজান) ঃ** ধন্যবাদ সভানেত্ৰী মহোদয়া, যোৱা ১২ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শমতে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে আগন্তুক বছৰৰ বাবে যিটো বাজেট সদনত উত্থাপন কৰিলে এই বাজেট পঢ়ি মোৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ এটা স্তৱকৰ কথা মনত পৰিছে- 'সুন্দৰ যে সুলাল মন্ত্ৰ, অহোৰাত্ৰি মাতে, সেয়ে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।' সেই

কাৰণে কওঁ- ‘সুন্দৰ যে সুলাল মন্ত্ৰ, অহোৰাত্ৰি মাতে, সেই কাৰণে আজি ইমান ধুনীয়া বাজেট আমাৰ হাতে হাতে।’ এই বাজেটখন পঢ়াৰ পিছত আমি যেতিয়া টি ভি, ছ’ছিয়েল মিডিয়াত দেখিছো আমাৰ একাংশ মাননীয় সদস্যই কৈছে যে বাজেটত একোৱেই নাই। বাজেটত কি আছে, সেই বিষয়ে মই আজি দুটামান কথা কৈ যাব বিচাৰিছো। অসমৰ মুঠ জনসংখ্যা তিনি কোটি ত্ৰিশ লাখৰ ভিতৰত প্ৰায় এক কোটি জনসংখ্যা থকা হৈছে অসমৰ অবিচ্ছেদ্য অংগ অসমৰ চাহ-জনগোষ্ঠী সকল। প্ৰায় বাৰ লাখ শ্ৰমিক চাহ বাগিছাত জড়িত হৈ আছে। এই চাহ বাগিচাৰ মানুহবোৰ স্বাধীনতাৰ ষাঠি-সত্তৰ বছৰে কেৱল ৰাজনৈতিকভাৱে ব্যৱহাৰ হৈ থকা কোনো দিনেও এগৰাকী স্বাভিমানী ভাৰতীয় নাগৰিক হিচাবে মৰ্য্যদা নাপালে। ২০১৬ চনত পৰিৱৰ্তনৰ নামত অহা ভাৰতীয় জনতা পাৰ্টী চৰকাৰৰ দিনত সন্মান, মৰ্য্যদা সকলো পাবলৈ আৰম্ভ কৰিছে। বাজেটৰ মূল বিষয়টোৱেই হৈছে- বিকশিত অসম, আত্ম নিৰ্ভৰশীল অসম, শক্তিশালী অসম আৰু সমৃদ্ধিশালী অসম গঢ়াৰ এক বাস্তৱমুখী দৰ্শন। সেই কাৰণে মই ভাৱো ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ মূল নীতি ‘সৱকা সাথ, সৱকা বিকাশ, সৱকা বিশ্বাস, সৱকা প্ৰয়াস’ নীতিৰে এই বাজেট আহিছে। সেয়েহে যিসকলে একো নাই বুলি কৈছে, তেওঁলোকক বাজেটৰ পৃষ্ঠা নং-২৭, ২৮ ত যাব। তাত চাহ জনগোষ্ঠীৰ কাৰণে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ কাৰণে তিনি শতাংশ আসন সংৰক্ষণ কৰিছে। এইটো আছিল স্বাধীনতাৰ অমৃত কালৰ এটা ঐতিহাসিক দিন। যদি আপোনালোকে পঢ়া নাই, আপোনালোকে আৰু এবাৰ পঢ়ি ল’ব। এই যি তিনি শতাংশ আসন সংৰক্ষণ কৰিছে, ইয়াৰ বাবে মই গৌৰৱ অনুভৱ কৰিছো। বৰ্তমান শিক্ষা ব্যৱস্থা ইমান আগবাঢ়ি গৈছে যে ছল্টব্ৰুক, ছেণ্টমেৰিজ এনেকুৱা ধৰণৰ উন্নত মানদণ্ডৰ স্কুলত সকলোৱে পঢ়োৱাবলৈ আৰম্ভ কৰিছে। আমাৰ চাহ শ্ৰমিকৰ সন্তাসকলে চাহবাগিচাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা আগবাঢ়ি যাব পৰা নাছিল আৰু তেনেকুৱা বিদ্যালয়ৰ পৰা অহা ল’ৰা-ছোৱালীক আমি কেতিয়াওঁ ৰিক্ৰুইটমেণ্ট কমিশ্যন বোৰ্ডে যি নিয়োগৰ ব্যৱস্থা কৰিছে, তাত যোগ্যতা আৰু অৰ্হতাৰ আধাৰত চাকৰি পাব নোৱাৰে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই কাৰণে ধন্যবাদ জনাইছো যে প্ৰথম বাৰৰ বাবে এই পীড়িত আৰু চিৰ বঞ্চিত জনগোষ্ঠীক চাকৰিৰ ক্ষেত্ৰত আগুৱাই লৈ যাবৰ কাৰণে তিনি শতাংশ আসন সংৰক্ষণ কৰিছে আৰু এই কথাখিনি বাজেটত উল্লেখ আছে। ২ নং আঁচনি হ’ল চাহ বাগিচাৰ গৰ্ভৱতী মহিলাৰ মজুৰি ক্ষতি পূৰণ আইন। আমাৰ বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানী আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতা ৰমণ ডাঙৰীয়ানী ও এগৰাকী মাতৃ আৰু মাতৃয়ে এই কথা বুজি পাই যে এগৰাকী বোৱাৰী যেতিয়া গৰ্ভৱতী হয়, তেওঁক কি ধৰণে আমি যত্ন ল’ব লাগে। কিন্তু চাহ বাগিচাৰ সেই দুৰ্ভগীয়া বোৱাৰীসকলে যেতিয়া শহুৰ-শাহুৰ বদলি কেৱল ঘৰটো পাবৰ বাবে কামটো লয়, তেওঁ গৰ্ভত সাত-আঠ মাহৰ সন্তান লৈ গৰ্ভৱতী অৱস্থাত পাত ছিঙিবলৈ যায়। তেওঁ তিনি ফুট নলাত জাপ মৰি যায়, দৌৰি দৌৰি গৈ পাত ওজন দিবলৈ যায় আৰু এই মহিলা সকলৰ কাৰণে ‘বাগিচা চৰম আইন’ ত কৈছে যে স্থায়ী ৱৰ্কাৰ যদি হয় তেনেহ’লে Maternity leave তিনি মাহ পাব আৰু এই তিনি মাহত এই মহিলা গৰাকীয়ে এম্বুলেঞ্চ, মেডিকেল সা-সুবিধা আৰু বেতন পাব। কিন্তু মহিলা গৰাকী অস্থায়ী ৱৰ্কাৰ হয়, তেন্তে তেওঁৰ প্ৰতি কোনো ধৰণৰ সহানুভূতি নাথাকে। আইন আৰু সমাজেও সমৰ্থন নকৰে। প্ৰথম বাৰৰ বাবে এই বিধান সভাত ২০১৭ চনত এই বিষয়ে আলোচনা হয় আৰু আলোচনা হোৱাৰ পিছতে চৰকাৰে সিদ্ধান্ত ল’লৈ যে চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী সকলো মহিলাই এইবাৰ তিনি মাহৰ পৰা ছয় মাহলৈ Maternity leave পাব। কোম্পানীয়ে কি দিব বেলেগ কথা। কিন্তু এগৰাকী ভাৰতীয় নাগৰিক হিচাবে মজুৰিৰ ক্ষতি পূৰণ বাৰ হাজাৰ টকাৰে আৰম্ভ

কৰিছিল আৰু যোৱা বাজেটত পোন্ধৰ হাজাৰ হ'ল। এতিয়া পোন্ধৰ হাজাৰ টকাকৈ এই বাজেটত পাব। য'ত কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰে যাক আমি বিষ বুলি কওঁ, এই মাতৃসকলে জন্ম হোৱা সাত-আঠ মহীয়া শিশুক মুকলিভাৱে তাত মুকলি ভাৱে দুগ্ধপান কৰায়। আমি সেই মাতৃৰে সন্তান ইয়াত বহি আছো আৰু ইয়াৰ বাবে আমি গৌৰৱ অনুভৱ কৰিছো আৰু যিসকলে একো নাই বুলি কৈছে, তেওঁলোকক গৰিহণা দিছো। প্ৰথমবাৰৰ বাবে সেই মাতৃসকলক পোন্ধৰ হাজাৰ টকা ক্ষতিপূৰণ আৰু Maternity leave দিয়া আৰম্ভ কৰা হৈছে। এই কথাটো ফুলজাৰি নহয়, বাস্তৱ কথা। বাগিচা চৰম আইনৰ ১৯৫১ চন মতে আমি এখন এল পি স্কুল চাহ বাগিচা পাব লাগে। বিধান সভাত আলোচনা কৰোতে আমাক এম ই স্কুল লাগে বুলি কওঁতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেতিয়া শিক্ষামন্ত্ৰী থাকোতে এম ই স্কুল নহয় মডেল হাই স্কুল আৰু মডেল হাই চেকেণ্ডাৰী স্কুল দিব বুলি ক'লে। ইতিমধ্যে ২১৮ খন হাইস্কুল চাহ বাগিচাত আছে আৰু ইয়াৰ বাবে তিনিশ ন কোটি টকা দিছে। চাহ বাগিছাৰ মানুহে মুখ্যমন্ত্ৰী আৱাস যোজনাৰ কথা কল্পনা কৰিব পাৰে নেকি? যিসকলে গোলাম হিচাবে ব্যৱহাৰ হৈ কোম্পানীৰ ঘৰটোত থাকে আৰু মাটি-বাৰীৰ কোনো অধিকাৰ নাথাকে, তেওঁ মুখ্যমন্ত্ৰী আৱাস যোজনাৰ কথা কল্পনা কৰিব পাৰে নেকি? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বসুন্ধৰা-৩ ত একেবাৰে শিথিল নিয়মেৰে তেওঁলোকক মাটিৰ আবণ্টন দিয়া হ'ব আৰু সেই শ্ৰমিকসকলৰ বাবে মুখ্যমন্ত্ৰী আৱাস যোজনাৰ ১,৩০,০০০ ৰ ভিতৰত ১০ শতাংশ সংৰক্ষণ কৰিছে আৰু ১৩০০০ টা ঘৰ এই চাহ শ্ৰমিক সকলে পাব। এই কথাখিনি এই বাজেটত উল্লেখ আছে। ইয়াৰ কাৰণে প্ৰায় ১৯৫ কোটি টকাৰ পুঁজি আবণ্টন হ'ব। জগন্নাথ কমিউনিটী চেণ্টাৰ আৰু স্কীল ডেভলপমেণ্ট চেণ্টাৰ প্ৰায় ৫০০ টা চেণ্টাৰ হ'ব। ইয়াৰ কাৰণে প্ৰায় ৭৫০ কোটি টকাৰ আবণ্টন দিছে। চাহবাগানৰ শ্ৰমিক সকলে কোনে দিনেই একাউণ্ট খোলাৰ কথা কল্পনা কৰা নাছিল। ত্ৰিশ বছৰ কাম কৰাৰ পিছত কাবুলীয়ে পইচা লুটি লৈ গৈছিল। এতিয়া একাউণ্ট খুলি দেখুৱালে আৰু একাউণ্ট খোলাৰ নামত ধন পুৰস্কাৰ দিয়াৰ কথা কৈছিল আৰু তেওঁলোকে পাইচেও। চৰ্দাৰক মোবাইল দিম বুলি কৈছিল আৰু সেইয়া দি দেখুৱাই দিলে। লাইন চকীদাৰক চাইকেল দিম বুলি কৈছিল, সেইয়াও দি দেখুৱাই দিলে। বিনামুলীয়া বিদ্যুৎ সংযোগ দিলে আৰু বকেয়া ধন দিবৰ বাবে ৭৫ কোটি টকাৰ আবণ্টন দিছে। তাৰ বাবে মই ধন্যবাদ জনাইছো। এজন জ্যেষ্ঠ সদস্যই কৈছিল যে চাহবাগিচাৰ লোকসকলে ৰাজকোষত হাজাৰ কোটি টকা বৰঙণি যোগাই আছো আৰু ৭০ বছৰে নোপোৱা বহু আমি এইবাৰ পাবলৈ গৈ আছো। চাহ জনগোষ্ঠীৰ কাৰণে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ কাৰণে তিনি শতাংশ আসন সংৰক্ষণ ৰ কথা ফাইনেল হৈ গ'ল আৰু কেবিনেটত সিদ্ধান্ত হৈ গ'ল। ২১৮ খন মডেল হাইস্কুলৰ বাবে চাহ বাগিচাত তিনিশ ন কোটি টকাৰ আবণ্টন ইতিমধ্যে দিছে। মুখ্যমন্ত্ৰী আৱাস যোজনাৰ ১,৩০,০০০ ৰ ভিতৰত ১০ শতাংশ সংৰক্ষণ কৰিছে আৰু ১৩০০০ টা ঘৰ এই চাহ শ্ৰমিক সকলে পাব আৰু ইয়াৰ বাবে ১৯৫ কোটি টকা আমি পাম। আগতে আমি বিদ্যুৎ বিচাৰি গ'লে বিদ্যুৎ নাপাইছিলো। কাৰণ আমাৰ যোগ্যতা আৰু অৰ্হতা নাছিল। ইয়াৰ বাবে ৭৫ কোটি টকাৰ আবণ্টন দিছে আৰু বকেয়া বিল খিনিৰো পেমেণ্ট কৰিব। জগন্নাথ প্ৰভুৰ বাবে ৭৫৫ কোটি টকাৰ আবণ্টন দিছে। টি-ট্ৰাষ্ট ৱেলফেয়াৰ বিভাগৰ বাবে ২০৫ কোটি টকা আবণ্টন দিছে। য'ত শিক্ষা, সামাজিক সংস্কাৰ কথা জড়িত হৈ আছে। ধন আৰু পুৰস্কাৰৰ নামত ইতিমধ্যে ৫০০ কোটিৰো অধিক আবণ্টন দিছে আৰু আমি এই টকাখিনি পাইছো। মই ইয়াত জল জীৱন মিশ্যন, বিনমূলীয়া ৰেচন, অৰুণোদয়, আত্ম সহায়ক গোট, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতাৰ দ্বাৰা কিমান পাব মই হিচাব কৰা নাই। মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই চাহ বাগিচাৰ দুঃখ বুজি চাহ

বাগিচাৰ লোকসকলৰ বাবে এই ধৰণৰ কাম কৰাৰ বাবে বহুত বহুত ধন্যবাদ জনালো। ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ মূল নীতি 'সৱকা সাথ, সৱকা বিকাশ, সৱকা বিশ্বাস, সৱকা প্ৰয়াস' নীতিৰে কাম কৰিছে। আমি যেতিয়া সৰু আছিলো তেতিয়া কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰত কৈছিল যে 'কংগ্ৰেছ কা হাথ, দুখীয়া কা ভাত, বাগানীয়া কা মাই-বাপ।' নিৰ্বাচনৰ সময়ত আমাৰ মাই-বাপ হৈ গৈছিল আৰু যেতিয়া নিৰ্বাচন পাৰ হৈ গৈছিল, তেতিয়া কাম, ঘৰ,ৰেচন, পানী, স্কুল আদি সকলো কোম্পানীয়ে দিব বুলি কৈছিল। সৰ্বহাৰা দুখীয়া শ্ৰমিক সকলৰ কাৰণে এখন বাজেট আহিছে আৰু এই বাজেটৰ সমৰ্থনত মই জনাইছো আৰু ইয়াৰ বাবে মই বহুত বহুত ধন্যবাদ জনাইছো। মই ভাৰো ধন্যবাদ, কৃতজ্ঞতা কম হ'ব। তাৰ ফলশ্ৰুতিত আমি অহা লোকসভা নিৰ্বাচনত চাহ বাগিচাৰ এশ শতাংশ ভোট যাতে আমি বি জে পিক দিব পাৰো, তাৰ বাবে চেষ্টা থাকিব। 'জয় শ্ৰী ৰাম।' ধন্যবাদ।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী।

তেখেত সদনত নাই।

পৰৱৰ্তী বক্তা মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ)। আপোনাৰ সময় ১০ মিনিট, দলে দিছে।

**মোঃ আমিনুল ইছলাম (মানকাছাৰ)ঃ** মাননীয় সভাপতি বাইদেউ, আচলতে আমি এই বাজেটখন খুব carefully চালো,

(Hon'ble Deputy Speaker in the Chair)

চোৱাৰ পিছত technical point , সে সম্পৰ্কত বহুখিনি আলোচনা হৈ গৈছে। সেইখিনি মই আকৌ আনিব বিচৰা নাই। এতিয়া ২-৪ টা ক্ষেত্ৰত মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। শক্তি খণ্ডত আমি দেখিছো যে নামৰূপৰ ২৫ মেগাৱাট, অইল ইণ্ডিয়া লিমিটেডৰ সৌৰ শক্তি আৰু সেউজ শক্তিৰ লগত ৪০৯১ কোটি টকাৰ বুজা-বুজি চুক্তি হৈছে। সৌৰ শক্তিৰ বাবে ১০০০ মেগাৱাট টাৰ্গেট কৰা হৈছে। Lower Kapili ত ১২০ মেগাৱাট টাৰ্গেট কৰি আৰম্ভ কৰা হৈছে আৰু load handling capacity ৪২৭২ মেগাৱাটলৈ বৃদ্ধি কৰাৰ যিবোৰ পৰিকল্পনা কৰা হৈছে সেইখিনি ভাল পাইছো। এই গোটেইখিনিৰ ভিতৰত শক্তি খণ্ডত যিটো subsidy থাকিব লাগিছিল বা যিটো subsidy আছে, সেইটো অসমত মাত্ৰ ৪৭%, যিটো ৰাজস্থানত ৯৭%, মিজোৰামত ৯৯%, বিহাৰত ৮০%। অসমত এই subsidy টো ইমান কম কিয়? বাকী ৰাজ্যবোৰে ইমান subsidy কেনেকৈ দিব পাৰিছে? অসমত যথেষ্ট নৈ, পাহাৰ আছে। শক্তিৰ ক্ষেত্ৰত অসমখন যথেষ্ট capacity থকা এখন ৰাজ্য। কৃষি খণ্ডটো আমাৰ ৰাজ্যখনৰ এটা মূল বিষয়। কৃষকসকলৰ বাবে কোনো subsidy ৰ ব্যৱস্থা আমি ইয়াত দেখা নাই। BPL পৰিয়ালবোৰৰ বাবে যিখিনি subsidy হ'ব লাগিছিল, সেই ক্ষেত্ৰত শক্তি বিভাগৰ silence আমি দেখিবলৈ পাইছো। শ্ৰমিকৰ ক্ষেত্ৰত, child labourৰ কাৰণে যথেষ্ট activity লোৱা দেখা গৈছে আৰু আমি ইয়াক স্বাগতম জনাইছো। ইয়াক আৰু ব্যাপক ভাৱে কৰাৰ প্ৰয়োজন আছে, এইটো আমি অনুভৱ কৰিছো। ১৬ হাজাৰ শ্ৰমিকক বিধিগত সুৰক্ষাৰ অধীনত অনাৰ লগতে কৰ্মচাৰীৰ ৰাজ্যিক বীমা (ESI) আৰু ভৱিষ্যনিধিৰ (PF)ৰ জৰিয়তে সকাহ দিয়াৰ কথা কোৱা হৈছে। এইখিনিতে এটা বিষয় মই বাজেটত absent দেখিছো। অসমত যিখিনি unorganized labour, দিন হাজিৰা কৰা হাজাৰ হাজাৰ শ্ৰমিক যেনে ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী, প্লাম্বাৰ, ঠেলাৱালা, ৰিক্সাৱালা আমি দেখা পাওঁ, এই বিশাল unorganized শ্ৰমিক জনৰাশিক আমি organize কৰি,

তেওঁলোকক কোনো ধৰণৰ কাৰ্ড দি তেওঁলোকৰ সুৰক্ষা, ESI, PF ৰ অধীনত আনিব পাৰো নেকি? অসমৰ বিভিন্ন সুবিধা প্ৰদান কৰিব পাৰি নেকি, তেওঁলোকক চৰকাৰৰ আওঁতাত আনিব পাৰি নেকি, এই সম্পৰ্কত silent থকা আমি বাজেটত দেখা পাইছো। অসমৰ লাখ লাখ শ্ৰমিক বহিঃৰাজ্যত গৈ আছে। গতিকে এইটো এটা খুব গুৰুত্বপূৰ্ণ বিষয়।

শিক্ষা খণ্ডত আমি দেখিছো যে কিছু বিদ্যালয়ৰ যথেষ্টখিনি আন্তঃগাঁথনি উন্নয়নৰ কথা কোৱা হৈছে। Class XI, Graduation, Post Graduation ৰ বাবে ১০০০০, ১২৫০০ আৰু ১৫০০০ টকা ধাৰ্য কৰা হৈছে আৰু ইয়াক আমি encourage কৰা বুলি ভাৱিম। কিন্তু একে সময়তে, উচ্চ শিক্ষা খণ্ডত গৱেষকসকলৰ ক্ষেত্ৰত এই বাজেটত কোনো ধৰণৰ ব্যৱস্থা হোৱা নাই। মই ভাৱো এইটো এটা অত্যন্ত জৰুৰী বিষয়। গৱেষকসকলৰ বাবেও এটা ব্যৱস্থা কৰিব লাগে। গতিকে স্কুল শিক্ষা, উচ্চ শিক্ষাৰ বাবে যথেষ্টখিনি টকা ধৰা হৈছে। মই details ত যাব বিচৰা নাই। কিন্তু একে সময়তে আমি দেখিবলৈ পাইছো যে ৬ হাজাৰ স্কুলক একত্ৰীকৰণ কৰি বন্ধ কৰি দিয়া হ'ল। কিহৰ বাবে স্কুল বন্ধ কৰিলে? কিহৰ বাবে স্কুলত ছাত্ৰ কমিলে তাৰ কাৰণটো আমি ফঁহিয়াই চাইছো নে? অসমৰ জনসংখ্যাতো কমা নাই? বৰঞ্চ ই উৰ্ধগামী হৈ আছে। ৬ হাজাৰ স্কুল কমাই দিয়াত ইয়াৰ ছাত্ৰবোৰ ক'ত পঢ়িছে? Drop out হৈ আছে নে ব্যক্তিগত খণ্ডৰ ফালে গৈ আছে? আৰু যদি ব্যক্তিগত খণ্ডৰ ফালে গৈ আছে, তেন্তে কিয় গৈ আছে? আনহাতে, আমি দেখিছো যে দিল্লীত মানুহে ব্যক্তিগত খণ্ড বাদ দি চৰকাৰী খণ্ডলৈ আহি আছে। অসমত কিয় ব্যক্তিগত খণ্ডৰ ফালে গৈ আছে বা কিয় চৰকাৰী স্কুল বন্ধ কৰিবলগীয়া হৈছে এই ক্ষেত্ৰত গৱেষণাৰ প্ৰয়োজন আছে....interruptions....

**মাননীয় উপাধ্যক্ষঃ** আপোনালোকৰ দলৰ আৰু দুগৰাকী সদস্য আছে আৰু আপোনালোকৰ সময় ১০ মিনিট বাকী আছে।

**মোঃ আমিনুল ইছলাম (মানকাছাৰ)ঃ** ঠিক আছে মই চমুৱাই কৈ শেষ কৰি আছো। চাৰ, কেইদিনমান আগত ভাৰত চৰকাৰৰ এটা survey ত পাইছিলো যে কামৰূপ গ্ৰাম্যৰ ৩২% ছাত্ৰই দ্বিতীয় শ্ৰেণীৰ কিতাপ পঢ়িব নোৱাৰে, এইয়াই আমাৰ শিক্ষাৰ quality। আমাৰ শিক্ষকবোৰ লোকপিয়ল, নিৰ্বাচন ইটো-সিটো কামত ব্যস্ত হৈ থাকে। স্কুলবোৰত মধ্যাহ্ন ভোজনৰ যি ব্যৱস্থা কৰিছো, ইয়াৰ জৰিয়তেও কিন্তু আমাৰ চৰকাৰী শিক্ষাত এক শোষণ যাত্ৰা আৰম্ভ হৈছে। আন এটা গুৰুত্বপূৰ্ণ বিষয়ত আহিব খুজিছো। Minority Development ৰ ক্ষেত্ৰত আমি ৯১.৬৭ কোটি টকা দিয়া দেখা পাইছো। আমি যদি হিচাপ কৰো, এই সংখ্যালঘূত ১৪ মিলিয়ন মুছলমান, ১১,৬৬,০০০ খ্ৰীষ্টান, ৫৪,৯৯৩ বৌদ্ধ, ২৫,৯৪৯ জৈন, ২০,৬৭২ শিখ জনসংখ্যা। তাৰ মানে মুঠ ১,৫২,৬৭,৬৪০ । এইখিনি আমি হিচাপ কৰিলে প্ৰায় ৪০-৪২% জনসংখ্যা ইয়াত আছে আৰু এইখিনিৰ বাবে পইচা দিয়া হৈছে ৯১.৬৭ কোটি টকা। একে সময়তে, বি.টি.এ.ডিত উন্নয়নৰ বাবে ৩,৭৮২.৫৯ কোটি টকা দিয়া হৈছে। তেওঁলোকৰ জনসংখ্যা হৈছে ১.৪৫ মিলিয়ন। তাৰ মানে ৰাজ্যৰ মুঠ জনসংখ্যাৰ মাত্ৰ ৪.৫%। দ্বিতীয়তে, আমাৰ চাহ-জনগোষ্ঠীক যথেষ্টখিনি দিছে, আৰু দিয়ক, মই ভাল পাওঁ। তেখেতসকলে পাব লাগে, অত্যন্ত বঞ্চিত জনগোষ্ঠী। তেখেতসকল এটা huge population, i.e. 7 million, which is 20% of the total population of the State. তেখেতসকলৰ ৭৫ কোটি electricity ৰ কাৰণে cut off কৰিব আৰু ৩০৫.৪৫ কোটিৰ ব্যৱস্থা কৰিব। গতিকে, minority fund যিটো ধৰা হৈছে এনে

ক্ষেত্ৰত আমি দেখিছো যে এই ব্যৱস্থাটোৰ জৰিয়তে এটা মাৰাত্মক ক্ষতি কৰা হৈছে। মুঠ ১,৫২,৬৭,৬১৪ জনসংখ্যাক ৯১.৬৭ কোটি টকাৰে divide কৰো, দেখা যায় যে এইটো অত্যন্ত ন্যূনতম। ইয়াৰ আগতে আমি ৰাজ্যপালৰ ভাষণৰ ওপৰতো এটা কথা কৈছিলো যে চৰৰ কথাটো ইয়াত উহ্য ৰখা হৈছে। কোনো ধৰণৰ পইচাৰ ব্যৱস্থা কৰা হোৱা নাই। Erosion ৰোধৰ কাৰণে ইয়াত কোনোধৰণৰ বেলেগ ব্যৱস্থা অনা নাই। গতিকে চৰৰ জনসংখ্যাৰ উন্নয়নৰ কাৰণে কোনোধৰণৰ ব্যৱস্থা কৰা হোৱা নাই। এই গোটেইখিনি বিষয় অত্যন্ত sensitive দেখিছো। এই কাৰণে এই বাজেটখনক আমি জনমুখী বাজেট হিচাপে আখ্যা দিব নোৱাৰো। এই বাজেটত ৩২০ স্কুলৰ ক্ষেত্ৰত building grant ধৰা হৈছে। কিন্তু মই বুজি পোৱা নাই যে আমাৰ দক্ষিণ-শালমাৰা মানকাচাৰ জিলা কিয় উল্লেখ নাই। মই ৩-৪ বাৰকৈ লিষ্ট দিছো, কিন্তু দক্ষিণ-শালমাৰা মানকাচাৰ জিলা, মোৰ মানকাচাৰ সমষ্টিত দিয়া নাই। কোনো কোনো সমষ্টিত ৩-৪ টালৈকে ৭ কোটি টকাকৈ দিছে। মোৰ জিলা, মোৰ সমষ্টিক কিয় বঞ্চিত কৰা হ'ল? লিষ্টত মোৰ সমষ্টিৰ কিয় নাম অহা নাই? এই কথাবিলাক আমি লক্ষ্য কৰিছো। এই বাজেটখন অত্যন্ত পক্ষপাতিত্বমূলক হৈছে। এই বাজেটখন সাৰশূন্য বাজেট। কিছু মানুহৰ নিৰ্বাচন কেন্দ্ৰিক বাজেট হৈছে। যদি আমি গোটেই জনসংখ্যাৰ উন্নয়ন কৰিব বিচাৰো, অসমক ভাৰতবৰ্ষৰ পাঁচ খন ৰাজ্যৰ ভিতৰত ল'ব বিচাৰো, তেনেহ'লে এই ৪২% সংখ্যালঘু জনসংখ্যাৰ সকলোকে সমান ভাৱে আগুৱাই লৈ আহিব লাগিব। এইখিনি কথা মই অনুভৱ কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। আপোনালোকৰ দলৰ আৰু ৬ মিনিট বাকী আছে। এতিয়া পৰৱৰ্তী বক্তা কৃষ্ণকমল তাঁতী। আপুনি ৫ মিনিটত শেষ কৰিব।

**শ্ৰী কৃষ্ণকমল তাঁতী (ৰঙাপাৰা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সভ্যতা সংস্কৃতিয়ে আমাক প্ৰকৃতি প্ৰেম শিকায়। আমাৰ যেতিয়া পূজা-অৰ্চনা চলে, তাত আমি পঞ্চপল্লৱৰ ব্যৱহাৰ কৰো, আমৰ পাত ব্যৱহাৰ কৰো, বট গছৰ পাত ব্যৱহাৰ কৰো, আঁহতৰ পাত ব্যৱহাৰ কৰো আৰু সমান্তৰালভাৱে যিসকল বড়ো জনগোষ্ঠীয় লোক আছে, তেওঁলোকে বৃক্ষ পূজা কৰে বা বাথৌ পূজা কৰে। আমি চাহ জনগোষ্ঠীৰ লোকসকলে কৰম বৃক্ষ জোপাক পূজা কৰা দেখা পোৱা যায়। এই প্ৰকৃতিপ্ৰেম আচলতে আমাক আমাৰ সংস্কৃতি আৰু সভ্যতাই দেখুৱাইছে। কিন্তু আমি যদি চাওঁ এই পৃথিৱীৰ ওপৰত যথেষ্ট exploitation হৈছে আৰু আজি fossil fuel ব্যৱহাৰ কৰা দেখিবলৈ পাইছো। মই এটা ভজন গাই দিব বিচাৰিছো- "বৈষ্ণৱো জন তো তেনে কহিয়ে যে পীড় পৰায়ী জানে ৰে"- সেইজনে প্ৰকৃত বৈষ্ণৱ যিজনে আনৰ পীড়া বা ব্যথা বুজি পায় আৰু আজি আমাৰ অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই পৃথিৱীয়ে নিজৰ ব্যথাৰ কথা, সেইটো উপলব্ধি কৰিছে আৰু অমৃত বৃক্ষ আন্দোলন আমাৰ অসমত ইতিমধ্যে আৰম্ভ কৰিছো। ১ কোটি গছ পুলি আমি ৰোপন কৰিলো। কোনোবাই কৈছে এই বাজেটখন দূৰদৰ্শী বুলি। হয়, মই ক'বলৈ বিচাৰিছো এই দুৰদৰ্শীতা আৰু কোনেও কেতিয়াও প্ৰদৰ্শন কৰিব নোৱাৰে। ১০০ বছৰৰ পিছৰ অসম খনৰ কথা চিন্তা কৰি আজি কোনোবাই বৃক্ষ ৰোপণৰ দৰে কাৰ্য্যসূচী গ্ৰহণ কৰিছে, ১কোটি গছপুলি ৰোপণৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছে আৰু এই বাজেটতে আমি দেখিছো যে ৩ কোটি গছ ৰোপণৰ বাবে আমি আঁচনি গ্ৰহণ কৰিছো। সেইকাৰণে কৈছো এই দূৰদৰ্শীতা আৰু কোনেও কেতিয়াও প্ৰদৰ্শন কৰিব নোৱাৰে। কোনোবাই কৈছে যে অসমত যথেষ্ট গছ আছে, আকৌ গছপুলি কিয় ৰোপণ কৰিব লাগে? মই ভাৱো ২০০ বছৰৰ আগত কোনোবাই যদি চাহ গছপুলি ৰোপণ নকৰিলেহেঁতেন হয়তো ছাগে আজি অসমৰ যি পৰিচয়, সেইটো হয়তো নাথাকিলেহেন। সেইকাৰণে কৈছো এই দূৰদৰ্শীতা, আচলতে ১০০

বছৰৰ পাছৰ সময়ৰ কথা চিন্তা কৰা হৈছে। ভৱিষ্যৎ প্ৰজন্মৰ কথা চিন্তা কৰা হৈছে আৰু তাৰকাৰণে বৃক্ষ ৰোপণ কৰা হৈছে।

আজি আপোনালোকে দেখিব যে আমাৰ দেশৰ প্ৰধান মন্ত্ৰী মহোদয়ে যি প্ৰধান মন্ত্ৰী সূৰ্য্যোদয় যোজনা লৈছে, তাৰ দ্বাৰা ১ কোটি লোকক তেওঁলোকৰ roof top ত solar ৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰা হৈছে, মই ভাৱো এই দূৰদৰ্শীতা আমি যদি চাওঁ এই সমস্ত বিশ্ব আৰু পৃথিৱীখনৰ কথা চিন্তা কৰি এই আঁচনি সমূহ লৈছে। আমি দেখিবলৈ পাইছো যে আমাৰ অসমত নতুন বৈদ্যুতিক বাহনৰ পঞ্জীয়নতো মাচুল ৰেহাই দিছে। আমি এনেকুৱা এখন অসমৰ কথা চিন্তা কৰি আছো যি অসমত হয়তো pollution নাথাকিব। আমি যদি দিল্লীলৈ বগা চাৰ্ট পিন্ধি যাওঁ, সন্ধিয়া যেতিয়া ঘূৰি আহোঁ, তেতিয়া দেখা পাওঁ যে গোটেই চাৰ্টটো কলা হৈ যায়। আমি অসমক এনেদৰে ৰূপান্তৰিত কৰিব বিচাৰিছো যে দিল্লীৰ মানুহে যদি ভাল অক্সিজেন ল'বলৈ বিচাৰে তেওঁলোকে যাতে অসমলৈ আহে।

আমি ২০০ খন বৈদ্যুতিক বাছৰ চলাচল ২০২৪-২৫ বৰ্ষত কৰিছিলো আৰু এই বছৰো আমি ১০০ খন আৰু বিদ্যুৎ চালিত বাহনৰ কথা এই বাজেটত দেখিবলৈ পাইছো। আমি যদি লক্ষ্য কৰো, ২৫ মেগাৱাট সৌৰশক্তিৰ প্ৰকল্পকে ধৰি অসম শক্তি উৎপাদন নিগম লিমিটেড আৰু Oil India Limited ৰ মাজত বুজাবুজি হৈছিল আৰু ৪০৯১ কোটি টকাৰ এটা চুক্তি সাক্ষৰিত হৈছে। মই ভাৱো এই এই চৰকাৰখনে সৌৰশক্তিৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ পৰা আমি এটা বস্তু অনুমান কৰিব পাৰিছো যে এই বাজেটখন আচলতে টো বছৰৰ বাজেট নহয়, এই বাজেট হৈছে দূৰদৰ্শীতাৰ বাজেট, এই বাজেট হৈছে ১০০ বছৰৰ পাছৰ বাজেট। মই বিভিন্ন সময়ত উপলব্ধি কৰো যে অসমৰ যি অসম আৰ্হিৰ ঘৰবোৰত যি টিঙ ব্যৱহাৰ কৰো, তাৰ ওপৰত যদি চোলাৰ পেনেল প্ৰতিঘৰ মানুহে ব্যৱহাৰ কৰে, নিশ্চিতভাৱে আমি self sufficient আৰু self reliable হ'ব পাৰিম। আমাৰ চৰকাৰখনে এটা এনেকুৱা law আনিবলৈ বিচাৰিছে যে যি লোকে ব্যক্তিগতই হওক বা চৰকাৰী গৃহই হওক অনাগত দিনত নিৰ্মাণ কৰিব তেওঁলোকে যাতে নিজৰ ঘৰৰ roof top ত Solar Panel ব্যৱহাৰ কৰে। মই ভাৱো এনেকুৱা দূৰদৰ্শীতা বেলেগ চৰকাৰে হয়তো কেতিয়াও দেখুৱাব নোৱাৰে।

ইয়াৰ লগতে মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ মুখ্যমন্ত্ৰীৰ যি সংগ্ৰহালয়ৰ কথা এই বাজেটত আহিছে মই ভাৱো সেইটো অতিকৈ প্ৰয়োজনীয় আছিল। কাৰণ পূৰ্বৰ মুখ্যমন্ত্ৰী সকলে কি কৰিলে, তেওঁলোকৰ কি কৃতিত্ব, বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই অসম খনৰ কাৰণে কি কৰিছে, সেইটো জনাৰ অতিকৈ প্ৰয়োজন আছে ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে। তেখেতৰ যি দূৰদৰ্শীতা আমি দেখিবলৈ পাইছো, আজি কোনোবাই সমালোচনা কৰিছে তেখেতক বাল্য বিবাহ ৰোধ কৰাৰ বাবে। তেখেতে যি আদৰ্শ দেখুৱাইছে তাৰবাবে কোনোবাই হয়তো তেখেতক সমালোচনা কৰিছে। কিন্তু অনাগত দিনত অসমে তেখেতক স্মৰণ কৰিব। তেখেতৰ দিনত তেখেতে কি ব্যৱস্থা গ্ৰহন কৰিছে। আজি ১ লাখ ভূমি তেখেতে বেদখলমুক্ত কৰিছে। তেখেতৰ নেতৃত্বত হৈছে, এই অসমখনত হৈছে। যিবিলাক বোবা প্ৰাণী, পশু সকলৰ কথা আমি চিন্তা নকৰো, কাজিৰঙাত যিবিলাক বন্য জন্তু আছে সেইবিলাকৰ কথা চিন্তা নকৰো, কিন্তু সেইবিলাকৰো কথা শুনিব পাৰিছে এইজন মুখ্যমন্ত্ৰীয়ে। সেইবিলাকৰ কাৰণে বুঢ়া চাপৰিত বেদখলমুক্ত কৰিছে। এইজন মুখ্য মন্ত্ৰীক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছো আৰু মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীকো আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. Next hon'ble member Shri Debabrata Saikia.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ২০২৪-২৫ চনৰ অসম বাজেটৰ যি আলোচনা, এই আলোচনাত অংশগ্ৰহন কৰিম। মহোদয়, এই বাজেটখন বিগত বৰ্যসমূহৰ তুলনাত যথেষ্ট ৰসহীন বুলিয়ে ক'ব বিচাৰিম। কাৰণ ইয়াৰ পূৰ্বৰ বিলাকত কবিতা, শ্লোক আদি ভৰ্ত্তি হৈ আছিল, কিন্তু এইবাৰ মাত্ৰ সকলোৰে কল্যাণ হওক, এই শ্লোকহে মই ইয়াত বিচাৰি পাইছো। ভিতৰত সকলোৰে কল্যাণময় দেখা পোৱা নাই। সেয়েহে বাজেটখন গতানুগতিক, নতুনত্বহীন আৰু নিৰ্বাচন সন্মুখত থকা বাবে ভোটাৰক আকৃষ্ট কৰিবলৈ আৰু বিশেষকৈ কেতবোৰ ধৰ্মীয় অনুষ্ঠানক উৎসাহিত কৰিবলৈ কৰা বাজেট। ইয়াত নতুন কথা নাই। যোৱাবাৰৰ বহুতখিনি কথা repeat হৈছে। কিন্তু সেই repeat হোৱা কথাখিনিও ৰূপায়ণৰ তথ্য আমি ইয়াত পোৱা নাই। উপৰ্যুপৰি ঋণ আৰু নতুন হিতাধিকাৰী সৃষ্টি হৈছে বাজেটখনৰ মূল কেন্দ্ৰবিন্দু। প্ৰায় ডেৰ লাখ কোটি টকা ধাৰ অসমৰ হ'ব বুলি ৰাজ্যিক বিত্তমন্ত্ৰীয়ে লোকসভাত ঘোষণা কৰিছে আৰু যেতিয়া নিজস্ব ৰাজহ অৰ্জন নহয়, তেনে সময়ত চৰকাৰে বাৰম্বাৰ ঘোষণা কৰিলেও বাজেটখনত আত্মনিৰ্ভৰশীলতা আমি দেখা নাপাওঁ। চৰকাৰৰ ঘোষণা সমূহ পৰাই এই বাজেটখন হিতাধিকাৰী সৃষ্টিৰ বাজেট হিচাপে পৰিগনিত হয়।

মহোদয়, ৰাজ্যচৰকাৰৰ নিজস্ব ৰাজহ যেনেধৰণে বৃদ্ধি হ'ব লাগে, তেনেদৰে বৃদ্ধি হোৱা নাই। কেন্দ্ৰৰ পৰা পাবলগা বিভিন্ন শিতানৰ প্ৰাপ্তিও কম হৈ আহিছে। যি compensation পাইছিলো, এই বছৰ আৰু আগন্তুক বছৰত আমি নাপাওঁ। অনুৰূপ ধৰণেৰে যি Devolution Fund টো কমি আহিছে,তেনে ক্ষেত্ৰত ৰাজ্যখনৰ বিভিন্ন ব্যয় কৰিবলৈ পুঁজি আহৰণ কৰাৰ একমাত্ৰ মূল উপায় হৈছে ঋণ আৰু এই ঋণ ল'বলৈ আমি FRBM ৰ পৰা GSDP যি শতাংশ লাগে সেই শতাংশ achieve কৰিবলৈ ঘৰুৱা উৎপাদন বৃদ্ধি কৰিব লাগিব। সেয়েহে চৰকাৰে যিকোনো উপায়ে GSDP, GDP বঢ়োৱাৰ প্ৰচেষ্টা হাতত লৈছে। পিচে ঘৰুৱা উৎপাদনৰ প্ৰকৃত তথ্য দিয়া হোৱা নাই। এই বছৰটোত বাজেটখনৰ নিজস্ব ২০২২-২১ ৰ তুলনাত ২০২১-২২ চনৰ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ ১৬.৭ শতাংশ বুলি কোৱা হৈছে আৰু তাৰ পৰৱৰ্তী বৰ্ষত ১৯.৮ শতাংশ দেখুওৱা হৈছে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন কৃষি,উদ্যোগ আৰু সেৱাখণ্ডৰ ওপৰত নিৰ্ভৰ কৰে। কৃষিখণ্ডত ২০২০-২১ চনত ঘৰুৱা উৎপাদনলৈ অৱদান আছিল ২৭.৭ শতাংশ, ২০২১-২২ চনত ই হ্ৰাস হৈ ২৪ শতাংশ হৈছে। একেদৰে উদ্যোগ খণ্ডত বৃদ্ধিৰ হাৰ ৬.৩ শতাংশ আৰু সেৱাখণ্ডৰ বৃদ্ধিৰ হাৰ মাত্ৰ ১.৩ শতাংশ। সেয়েহে এই ৩ টা খণ্ডৰ সহযোগত মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ ২০২১-২২ চনত ১৬.৪ শতাংশ কেনেকৈ বৃদ্ধি হ'ল সেয়া এক সাথৰ। একেদৰে ২০২২-২৩ চনত কৃষি খণ্ডত বৃদ্ধিৰ হাৰ দেখুওৱা হৈছে ৫ শতাংশ, উদ্যোগ খণ্ডত বৃদ্ধি নাই বৰঞ্চ ই হ্ৰাস হৈ ৫.৫ শতাংশ হৈছে। আনহাতে সেৱা খণ্ডত বৃদ্ধিৰ হাৰ ০.৯ শতাংশ। তেনেস্থলত এই বৃদ্ধি ঘৰুৱা উৎপাদন এই বছৰটোত ১৯ শতাংশ কি ধৰণেৰে হৈছে। এই বছৰ আমাৰ নিজৰ own tax 34148, Central share 40,000 cr. Central scheme 2319 & Loan প্ৰায় 30000 কোটি টকা ল'ব লাগিব যি সময়ত দা দৰমহা পেঞ্চন আৰু ঋণৰ সুত ৬৩০০০ কোটি টকাতকৈ কিছু অধিক ব্যয় কৰিব লগা হ'ব। এই খিনি সময়তে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব লগীয়া

বিভিন্ন আঁচনিৰ অনুদান সমূহো আমাৰ হ্ৰাস হৈছে। প্ৰধানমন্ত্ৰী গ্ৰাম্য যোজনাৰ ১০১৩৪৩ টকাৰ পৰিৱৰ্তে ৭২ হাজাৰ হৈছে। ঠিক তেনেকৈ স্বচ্ছ ভাৰত মিছনৰ অধীনত যোৱা বছৰৰ ৭৭৯৮৩ লাখৰ বিপৰীতে ৬৫২৭০ লাখ ধাৰ্য কৰা হৈছে। এবিপি আঁচনিৰ অধীনত যোৱা বছৰৰ ৩৪৫৪২ টকাৰ বিপৰীতে এই বছৰত ধাৰ্য কৰা হৈছে মাত্ৰ ২০০৩৩ টকা। প্ৰধান মন্ত্ৰী আৱাস যোজনা, দিব্যাংগ সকলৰ হেল্‌থ মিছন অনুৰূপ ধৰণেৰে মহাত্মা গান্ধী এনৰেগাৰ যোৱা বছৰ ধাৰ্য্য কৰা ১৭১০০০ লাখৰ বিপৰীতে এই বছৰ ধাৰ্য কৰা হৈছে ৯৪৯৮৪ লাখলৈ। সেয়েহে এই চৰকাৰ খনৰ যি সমূহ কেন্দ্ৰীয় আঁচনি সহযোগত কৰিব লগীয়া পৰিকল্পনা এইখিনিও কিমান গৈ ৰূপায়িত হ'ব সেই কথাটো চিন্তনীয়। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীক ২ লাখৰ পৰা ৫ লাখ টকা অনুদান হিচাপে আগবঢ়াবলৈ কোৱা হৈছে। ২ লাখৰ ভিতৰত এতিয়াও প্ৰায় ১ লাখে আবেদন কৰিছে। এই আঁচনিটোৰ প্ৰতি যুৱক সকলৰ কিয় ইচ্ছা হোৱা নাই সেই কথাটো চাবলগীয়া। কাৰণ ইয়াৰ পূৰ্বেও নিৰ্বাচনৰ আগত স্বয়ম আঁচনি আৰু পুনৰ স্বয়ম আঁচনিৰ যোগেদি এনে ধৰণৰ নিবনুৱা সকলক বিভিন্ন আঁচনিত অন্তৰ্ভুক্ত কৰি আত্মনিৰ্ভৰ কৰা হব বুলি কোৱা হৈছিল। কিন্তু আঁচনি সমূহ সফল ৰূপায়ণ নহ'ল। ঠিক তেনেকৈ অসমৰ থলুৱা যুৱক-যুৱতীক লোকনিৰ্মাণ বিভাগ আৰু অন্যান্য বিভাগৰ ঠিকাদাৰ কৰিবলৈ চৰকাৰে সাহাৰ্য দিব বুলি কৈছিল। এইখিনি সময়ত কিন্তু লোকনিৰ্মাণ বিভাগ আৰু চিকিউৰিটি মানি বৃদ্ধি কৰাৰ বাবে ঠিক তেনেকৈ কোনো কাম নোপোৱাৰ বাবে তথাপিতো তেখেতসকলে দিব লগা চিকিউৰিটিৰ বাবে অসমীয়া ঠিকাদাৰৰ সংখ্যা কমি গৈছে। আৰু পাওনা দিব লগীয়া আছে যি সমূহ চৰকাৰী কাম কৰাৰ বাবে, সেই খিনিৰ বাবেও এই বাজেটত বিশেষ সুবিধা দিয়া দেখা হোৱা নাই।

মহোদয়, মহিলা আত্মাসহায়ক গোট সমূহক বিভিন্ন প্ৰকাৰে উৎসাহ জগাবলৈ ছাবচিডিৰ ব্যৱস্থা কৰা হৈছে। যোৱা সময়ছোৱাত কনকলতা আঁচনি আছিল। তাৰ অধীনত লাখ টকালৈকে গোট সমূহক অনুদান দিয়া হৈছিল। এইবাৰ লাখপতি বাইদেউ আঁচনিৰ কথা কোৱা হৈছে। প্ৰথম ১০ হাজাৰ, তাৰ পিছত ২৫০০০ হাজাৰ আৰু এনেকৈ যোৱা সময়ছোৱা যিমান পুঁজি এই মহিলা আত্মসহায়ক গোটসমূহৰ বাবে দিয়া হয় সেই পুঁজি সমূহ কেনেধৰণে ব্যৱহাৰ হয় তাৰ পৰা আমি কি পালো, কেনেদৰে প্ৰবোধ আমি পালো বজাৰত সেইখিনি কৰি কিমান স্বনিৰ্ভৰ হ'ব পাৰিলে তাৰ কোনো উল্লেখ যোৱা সময়ছোৱাত বিধান সভাৰ মজিয়াত কোনো প্ৰতিবেদনত পোৱা নাই। সেই গতিকে যি ৰাজ্যিক গ্ৰাম্য মিছন মহিলা, এচ এল আৰৰ তাৰ এটা আউতপুট অডিট হ'ব লাগে, আউতপুট বাজেটৰ হ'ব লাগে যাতে আমাৰ যি ৰাইজৰ কৰকাতৰীয়া মহিলা সকলক উৎসাহিত কৰিবলৈ লোৱা আঁচনি সমূহ, সেই আঁচনি সমূহ ৰূপায়ণ সম্পৰ্কে অসমৰ জনগণেও জানিব পাৰে। মহোদয়, হিতাধিকাৰী সৃষ্টি কৰিছে সেইগতিকে এই আঁচনি নগৰীয়া অঞ্চললৈ লৈ যাব আৰু যি খিনি পুঁজি সৎ ব্যৱহাৰ হয় তাৰ বাবে চেষ্টা কৰিব লাগিব। চৰকাৰৰ মুখ্যমন্ত্ৰী মহোদয়ৰ দৈনিক বাৰ কি.মিটাৰকৈ ৰাস্তা প্ৰতিটো অঞ্চলত হোৱাৰ কথা কৈছে ভাল কথা। কিন্তু পুৰণা ৰাস্তা সমূহত বা যি সমূহত লোকনিৰ্মাণ বিভাগে এতিয়াও কাম কৰিব পৰা নাই তাৰ বাবে গ্ৰাম্যউন্নয়ন বিভাগৰ হলেও যি ৰাস্তা বনোৱা আঁচনি আছে সেই আঁচনিৰ অধীনত আৰু বেছি অন্তৰ্ভূক্ত হ'ব লাগে। কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা অতি দুখ লগা। যোৱা সময়ছোৱাত অসমত ৰাষ্ট্ৰীয় ঘাই পথ মাত্ৰ ৫০০ কি. মিটাৰ মানহে হ'ল বুলি এক তথ্য ৰিজাৰ্ভ বেংকৰ statistic ত প্ৰকাশ পাইছে, যিটোৱে আমাক হতাশ কৰে। মহোদয়, চৰকাৰে Multi Dimensional Property Indexৰ যোগেদি অসমৰ ৮০ লাখ জনগনৰ দুখীয়াৰ শাৰীৰ পৰা ধনীৰ শ্ৰেণীলৈ উত্তীৰ্ণ কৰিবলৈ সক্ষম হৈছে বুলি

যোৱা ৯ বছৰত কৈছে। কিন্তু সেইখিনি সময়তে এতিয়া নতুনকৈ ৫০ লাখ মানুহক ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছে। যোৱা সময়ছোৱা কভিডৰ সময়ত সুভাস দাস আৰু আমাৰ state innovation and transformation aayog চিতা আয়োগৰ প্ৰতিবেদনত প্ৰায় ৬৭ লাখ নাগৰিকৰ জীৱন ধাৰণৰ প্ৰতি ভাবুকি আহিব বুলি কৈছে। ৰাজ্যৰ নিবনুৱাৰ সংখ্যা ১৫.৭ ৰ পৰা ২৭ লাখলৈ বৃদ্ধি পাব বুলি  কৈছিল, চৰকাৰে পঞ্জীয়ন ভুক্ত ২০ লাখ হলেও অপঞ্জীকৃত নিবনুৱা তেনেকৈ বৃদ্ধি হ'ব পাৰে আৰু ইয়াৰ ফলৰ ৰাজ্যত দৰিদ্ৰতাৰ হাৰ ৫০ শতাংশলৈ বৃদ্ধি পাব বুলি কৈছিল। এই আয়োগ সমূহৰ যি বিলাক প্ৰতিবেদন সেই প্ৰতিবেদন সমূহ চৰকাৰে গ্ৰহণ কৰাৰ পিছত সেই অনুসৰি কি কি কাম কৰিছে এই বাজেটত আমি দেখা নাই। সেইখিনি যথেষ্ট বাস্তৱ সন্মত আছিল। সেইখিনি যদি কৰিলো হয় নিশ্চয় গম পালো হয়। চৰকাৰে উচ্চশিক্ষাৰ ক্ষেত্ৰতো বহুখিনি কথা কৈছে, যোৱা কালি মোক বিধায়ক ভৰত নৰহ ডাঙৰীয়াই কৈছিল শিক্ষাৰ ক্ষেত্ৰত কেনেকৈ উচ্চ শিক্ষাৰ প্ৰতি অনিহা আহিছে আৰু তাৰ বাবে আমাৰ নিযুত মইনা আঁচনি গঢ়ি লৈছে, এই আঁচনি ললেও যোৱা সময়ছোৱাত আমি জানো ইউ জি চি এক্টৰ ১৯৫৬ চনৰ ১২ বি ধাৰা অনুসৰি নাকৰ এৰ্কিডেচন প্ৰয়োজন কিন্তু অসমত ৩০০ খনতকৈও অধিক কলেজ ২০ খন বিশ্ববিদ্যালয় নাকৰ এৰ্কিডেচন যোৱা সময়ছোৱাত লোৱা নাছিল। যিটো উদ্বেগজনক। তাৰ ফলত তেওঁলোকে নিজেও বঞ্চিত হৈছে আৰু কেনেকুৱা শিক্ষা সেই অঞ্চলত হৈছে সেই কথাখিনি আমি কব নোৱাৰো। কেপিটেল এক্সপেনডিচাৰ বৃদ্ধি কৰিবলৈ নতুন কলেজ আদৰ্শ কলেজ বিশ্ববিদ্যালয় পাতি গৈছে কিন্তু এই বিশ্ববিদ্যালয় সমূহত কেনেকুৱা ধৰণৰ শৈক্ষিক মানদণ্ড হৈছে পাঠ দানৰ উপৰিও যে তেওঁলোকক ২০ টা বেলেগ বেলেগ কামত অমৃত বৃক্ষয়ে হওঁক আজাদীকা অমৃত মহোৎসৱে হওঁক বা অন্যান্য পাঠ্যক্ৰমৰ বহিৰ্ভূত কামত শিক্ষক সকলক লগোৱাৰ ফলত শিক্ষাৰ মানদণ্ড কেনেকৈ উন্নীত হ'ব বা ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষানুষ্ঠানটোৰ প্ৰতি আস্থা বাঢ়িব, এই কথা বিলাকো চিন্তনীয়। সেই গতিকে চৰকাৰে যিখিনি কৰিব লাগে এই ক্ষেত্ৰত সেই খিনি কৰে। অসম চুক্তিৰ ৫ নং আৰু ৬ নং দফাক লৈ আমি সকলোৱে নিশ্চিত ভাৱে উদ্বিগ্ন, চৰকাৰে দুখনকৈ কমিটী গঠন কৰিছিল সেই কমিটী সমূহে বিভিন্ন পৰামৰ্শ দিছিল, বিপ্লৱ শৰ্মা আয়োগৰ কথা আছে। তাৰ পিছতো কিন্তু অসমত লোকসভা নিৰ্বাচনৰ পূৰ্বে কা  বলবৎ হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে যি খিনি কথা কৈছে তাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে তাৰ পৰা যিটো অসুবিধা হ'ব সেইখিনি ক্ষেত্ৰত কেনেকৈ মোকাবিলা কৰিব আমাৰ বাজেটত তাৰবাবে কি কি সুবিধা দিয়া হ'ব এই গোটেই কথাবিলাকৰ উল্লেখ নথকাটো অতি দুৰ্ভাগ্যজনক। মহোদয়, ২০১৬-১৭ চনৰ পৰা জি এচ ডি পি বৃদ্ধি ঋণৰ হাৰতকৈ কম আছিল। কিন্তু ২০১৭-১৮ চনৰ পৰা ঋণৰ হাৰ জি এচ ডি পি ৰ হাৰতকৈ বৃদ্ধি পাইছে, যাৰ ফলত ঋণ পৰিশোধৰ ক্ষমতা ৰাজ্য খনে জি এচ ডি পি বৃদ্ধি হাৰে সমৰ্থন নকৰে। তাৰ বাবে এটা ভয়ানক পৰিস্থিতিলৈ আহিব পাৰো ২০২২-২৩ চনত আমাৰ জি এচ ডি পি ১৯.৯ শতাংশৰ বিপৰীতে আমাৰ ডেব্ট আছিল ২২.২ শতাংশ। অৰুণোদয় ৩০ লাখ হিতাধিকাৰীৰ বাবে ৩৮০০ কোটি আৱন্টন কৰিছো, ২৭ লাখ কৃষকৰ বাবে ২৪৪৫ কোটি ইয়াৰ যোৱা সময়ছোৱাত লোকসভাত তথ্য ওলাইছে ৫৭০ কোটি টকা ১১ লাখ পি এম কিষাণৰ হিতাধিকাৰীক দিবলৈ আছে। কিন্তু সেই ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা হোৱা নাই। মাত্ৰ এক লাখতকৈ কম কৃষকে চৰকাৰৰ যি এম এচ পি আঁচনি তাৰ অধীনত ধান বিক্ৰী কৰিছে ইয়ে অসমত যে বহুত পাৰ্থক্যত আছে সেই সকলক বাচি উলিয়াই চৰকাৰী ধনৰ অপচয় বন্ধ কৰিব লাগে। এই ক্ষেত্ৰত বিভাগ সমূহে কেনেকৈ কাম কৰিব সেয়া উল্লেখ নাই। মহোদয়, ঠিক তেনেকৈ শিপিনীৰ বাবে আত্মনিৰ্ভৰ আঁচনি কৰিছিল

মহিলাৰ বাবে  সেই আঁচনিৰ অধীনতো আমি চৰকাৰী তথ্যমতে টেম্পৰেৰী আৰু পাৰ্মেনেন্ট লগাই ১৮ লাখতকৈ অধিক শিপিনী আছে, ৫ লাখ চামথিং পঞ্জীয়ন হৈছে এই ৰেব পৰ্টেলত। কিন্তু প্ৰায় ৪৫ হাজাৰমান শিপিনীয়েহে চৰকাৰী সমৰ্থন মূল্যত গামোচা বিক্ৰী কৰিছে। যিটোৱে আহি বিভাগটোৰ কেনেধৰণে অসমক আত্মনিৰ্ভৰ কৰিব তাৰ ক্ষেত্ৰত প্ৰশ্ন উদয় হয়, সেইক্ষেত্ৰতো কেনেকুৱা পদক্ষেপ লব লাগে বাজেট খনত দিশ নিৰ্দেশনা থকাটো দৰকাৰ। কাৰণ কোনো ধৰণৰ মহিলা শিপিনী সকলক সমৰ্থ আঁচনি আৰু এটা আঁচনিৰ অধীনত প্ৰশিক্ষণ দিয়াৰ বাহিৰে যোৱা সময়ছোৱাত বিশেষ ভাৱে কৰা হোৱা নাই। ঠিক তেনেকৈ মুগা, ৰেচম এই সমূহ অসমৰ ট্ৰেডিচনেল বয়ন শিল্প। এই সমূহৰ যি চোমনি সমূহ আছে সেই সমূহ উন্নত হোৱা নাই। বহুত মাটি পৰিতপ্ত হৈ আছে, ৰেচমৰ বাবে নুনিগছৰ কোনো ব্যৱস্থা নাই। নুনি গছৰ পুলি বিতৰণৰ বাবে পলিথিন এটা দিবলৈ বিভাগৰ জিলা বিষয়া সকলৰ সামৰ্থ নাই। তেনেসময়ত কেনেকৈ আত্মনিৰ্ভৰ অসমৰ শিপিনী সকলক আগুৱাই নিয়া হ'ব সেই কথাও এই বাজেটত উল্লেখ নাই। আমাৰ কৃষিৰ বাবে এতিয়াও ১৪ শতাংশ কৃষি ভূমিতহে জলসিঞ্চনৰ ব্যৱস্থা হৈছে যিটো অধিক হোৱা উচিত। যিটো আৰু অধিক হোৱা উচিত। জলসিঞ্চন বিভাগে পাম দিছে, কিন্তু এই ক্ষেত্ৰত যেতিয়া বিদ্যুৎ মাচুল লয়, কেৱল যি সময়ত তেওঁলোকে পাম্পৰ যোগেদি কৃষিৰ বাবে পানী লয় সেই সময়তহে বিদ্যুৎ মাচুল লোৱাৰ ব্যৱস্থা কৰিব লাগে অন্য সময়ত থকা ফিক্স চাৰ্জ আৰু ৰেন্টেলখিনি বাতিল কৰিব লাগে। ঠিক তেনেকৈ মহোদয়, আমাৰ সুলভ মূল্যৰ দোকান সমূহত অকল এতিয়া চৰকাৰী বিনামূলীয়া চাউল দিয়া হৈছে, কিন্তু ভাৰতৰ অন্য ৰাজ্যত কেৰাচিন, আটা, চেনী, খোৱা তেল আদি সকলো দিয়া হয়। যিহেতু মুল্য বৃদ্ধিৰ কাৰণে কোনো পদক্ষেপ চৰকাৰে লোৱা নাই, মূল্য বৃদ্ধি ৰোধৰ আমাৰ price stability fund এটা বাজেটত প্ৰথম ২০১৬ চনত দিয়াৰ পিছতো সেয়া কাৰ্য্যকৰী হোৱা নাই। সেই গতিকে এই সামগ্ৰী সমূহো সুলভ মূল্যৰ দোকানৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আন্তজাৰ্তিক সীমান্তৰ কথা কোৱা হৈছে, আমাৰ ৬ চুবুৰীয়া ৰাজ্যৰ লগত আলোচনা হৈ আছে,  কিন্তু এই আন্তজাৰ্তিক সীমা উন্নয়নৰ বাবে বিভাগৰ পুঁজি খুব নিম্নতম আৱন্টন হৈছে। কেইবাখনো জিলাত যোৱা সময়ছোৱাত হোৱা নাই। সেই পুঁজিও সোনকালে আৱন্টন কৰিব লাগে। মহোদয় আমাৰ ৰাজ্যৰ অংগনবাড়ী সহায়িকা, আশা কৰ্ম্মী সকলে বহু কাম কৰে। তেওঁলোকক যোৱা সময়ছোৱাত মাত্ৰ নেশ্যনেল যিটো গাইড লাইন আছিল সেই মতে মাত্ৰ ৬ টা কাম কৰিবলৈ কোৱা হৈছিল। কিন্তু তেওঁলোকে এতিয়া ১৪ টাতকৈ অধিক কাম কৰে। কিন্তু তেওঁলোকৰ বেতন অতি সীমিত মাননি, ৬০০০ টকা আৰু ৩২৫০ টকা। অন্ধ্ৰপ্ৰদেশত ১১০০০ আৰু ৭০০০ টকা। ঠিক তেনেকৈ দিল্লীত ১১২০০ আৰু ৫৬০০ টকা। অসমত ইয়াৰ পৰিমান বৃদ্ধি কৰিব লাগে। তেনেকৈ দুপৰীয়াৰ আহাৰৰ ৰান্ধনি সকলেওঁ এটা গুৰুত্বপুৰ্ণ সামাজিক কাম কৰি আছে, ছাত্ৰ সকলৰ শিক্ষাৰ লগত জড়িত। তেখেত সকলৰো ৰান্ধনিৰ মাননি কেৰেলাত দৈনিক ৬০০ টকা, হিমাচল প্ৰদেশত ৪০০০ টকা কৰ্ণাটকত ৪৭০০ টকা, কিন্তু অসমত মাত্ৰ ১৫০০ টকা। এইখিনি বৃদ্ধি কৰিব লাগে। যি সমূহ শিক্ষানুষ্ঠানত ব্যক্তিগত হোৱা বাবে যোৱা এপ্ৰিল মাহৰ পৰা দিয়া নাই সেই সমূহত মিড দে মিল দিয়াৰ ব্যৱস্থা কৰিব লাগে। মহোদয়, কৃষি; গ্ৰামোন্নয়ন,পশুপালন আদি বিভাগত এতিয়াও বহুত তৃণমূল পৰ্য্যায়ৰ কৰ্ম্মী এতিয়াও খালী হৈ আছে। যাৰ ফলত কৃষক ৰাইজে চৰকাৰী আঁচনিৰ লাভা- লাভ পাবলৈ সক্ষম হোৱা নাই। সেয়ে পদ সমূহ তাৎক্ষণিক ভাবে  পূৰণ কৰিব লাগে। ৰাজ্যৰ যিমান বিলাক হস্পিতাল আছে প্ৰতিখনতেই হস্পিতাল পৰিচালনা সমিতিয়ে কিছু

৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী নিয়োগ কৰে। সেই কৰ্মচাৰী সকলৰ সহায়ৰ বাবেহে আমাৰ ৰাজ্যৰ যি চৰকাৰী স্বাস্থ্য ব্যৱস্থা সূচাৰুৰূপে চলি আছে। সেয়েহে চৰকাৰী স্বাস্থ্যখণ্ডৰ সেই কৰ্ম্মচাৰী সকলকো চৰকাৰী ভাৱে নিয়মীয়া কৰণৰ ব্যৱস্থা কৰিব লাগে। যাতে তেখেত সকলে ৰাইজৰ কাম কৰিব পাৰে। মুখ্যমন্ত্ৰী মহোদয়ে যোৱা সময়ছোৱাত কেইবাবাৰো ঘোষণা কৰিছিল, মোক এটা শ্ৰেণীৰ ভোট নালাগে। কিন্তু তেখেতে সেই শ্ৰেণীৰ কাৰণে কাম কৰি যাম বুলি কয়। অসমৰ মুখ্যমন্ত্ৰী অসমৰ সকলো জনগনৰ মুখ্যমন্ত্ৰী। গতিকে তেখেতে সকলো হিতাধিকাৰীৰ আঁচনিৰ লাভ কম বেছি পৰিমানে সকলোকে দিছে। কিন্তু তেখেতৰ এনেধৰণৰ বক্তব্যৰ যোগেদি এটা সামপ্ৰদায়িক বাতাৱৰণ অসমত প্ৰদুষিত কৰে আৰু এনেধৰণৰ কথা গ্ৰহণ যোগ্য নহয়। অসমৰ বাসিন্দা সকলো জাতি সকলো ধৰ্ম্মৰ লোকৰ বাবে তেখেত মুখ্যমন্ত্ৰী । সেই কাৰণে তেখেতৰ বক্তব্য আচৰনটো সেই ভাৱটো প্ৰতিফলিত হোৱা উচিত। মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে যেতিয়া প্ৰথম বি জে পিৰ বিত্ত মন্ত্ৰী হিচাপে ভাষণ দিছিল, সেই বক্তব্যত কংগ্ৰেছক সমালোচনা কৰি চীন দেশৰ এটা উপমা দাঙি ধৰিছিল যে কংগ্ৰেছে মাছ খাবলৈ শিকাইছে। আমি মাছ ধৰি খাবলৈ শিকাম। কিন্তু এতিয়া ডি বি টি ট্ৰেন্সফাৰৰ যোগেদি প্ৰতি মাহে মাহে মাছ ধৰাৰ কষ্টৰ পৰিৱৰ্তে মাছৰ দাম তেখেতে ডি বি টি ৰ যোগে প্ৰত্যেক হিতাধিকাৰীক দি আছে। যিটো অতি দুৰ্ভগ্যজনক, যিয়ে আমাৰ অসমীয়া জাতিটোক এলেহুৱা কৰিব। যিটো আহোমৰ ৰাজ সাহৰ্য্যৰ ব্যৱস্থাত পাইক ব্যৱস্থা আছিল, সেই পাইক সকলে সকলো কাম কৰিব পাৰিছিল। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে এনেকৈ অসমীয়া জাতিটোক এলেহুৱা কৰাৰ এটা প্ৰচেষ্টা কৰিছে এয়া দুৰ্ভাগ্যজনক। চাহ নিগমৰ বাগিচাত ক্ষুদ্ৰ চাহ খেতিয়কৰ যথেষ্ট সমস্যা আছে, এই বাজেটতত কোনো কথা দেখা নাই। প্ৰায় ৪৮০ খন বাগিচাৰ গ্ৰেছুইটী তেওঁলোকে পোৱা নাই। চৰকাৰে এই ক্ষেত্ৰত বিশেষ কোনো দায়িত্ব পালন কৰা নাই। ক্ষুদ্ৰ চাহ খেতিয়ক সকলে তেওঁলোকৰ চাহৰ মূল্য পোৱা নাই তেওঁলোকৰ কৰ্ম্মচাৰী সকলক দিব লগা সুবিধা পোৱা নাই। তেওঁলোকক যি জলসিঞ্চনৰ ব্যৱস্থা কৰি দিব লাগিছিল প্ৰধান মন্ত্ৰী সিচাই যোজনাত, সেইখিনিও যোৱা সময়ছোৱাত হোৱা নাই। মুখ্যমন্ত্ৰী মহোদয় বিত্ত মন্ত্ৰী হৈ থকা অৱস্থাতে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে চুপাৰ হাই ওৱে বনাম বুলি কৈছিল। কিন্তু এতিয়া তেখেত মুখ্যমন্ত্ৰী কিন্তু এই হাইওৱেৰ কোনো উল্লেখ আজি ৭ম বছৰত বাজেটত পোৱা নাই। অনুৰূপ ধৰণে dredging ৰ কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাষণত কৈছিল আৰু ইয়াৰ বাবে ডিব্ৰুগড়ত ফাউণ্ডেশ্যন হৈছিল আৰু ১০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে ডি পি আৰ দিছিল। গুৱাহাটীত নীতিন গাডকাৰী ডাঙৰীয়াৰ লগত চুক্তি স্বক্ষৰ হৈছিল। তাৰ পিছতো ইয়াৰ কোনো উল্লেখ নাই। মহোদয়, এই বাজেট খনত সেই গতিকে বহুতখিনি কথা ক'ব লগা আছিল কিন্তু সময়ৰ বাবে মই আৰু বিশেষ নকওঁ। কিন্তু বোকাখাটত গোলাঘাট জিলাৰ এগৰাকী প্ৰায় ৪০ বছৰ ধৰি বেচৰকাৰী ভাৱে শিক্ষকতা কৰি অহা এগৰাকী শিক্ষয়িত্ৰী উষা শইকীয়াৰ এখন পত্ৰ যোৱাকালি বাজেট বিতৰ্ক হৈ আছে বাবে মোলৈ প্ৰেৰণ কৰিছে। তাত তেখেতে দুখৰ কথা কৈছে, বহু ছাত্ৰ-ছাত্ৰী থকাৰ পিছতো চৰকাৰে এই বিদ্যালয়খন প্ৰাদেশীকৃত কৰা নাই। তেনে যিমানবোৰ স্কুল আছে, সকলো বিলাকক যাতে প্ৰাদেশীকিকৰণৰ আওঁতালৈ আনে এই কথাখিনিকে বাজেট বক্তিতাত মই সাঙুৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য কৌশিক ৰায়।

**শ্ৰীকৌশিক রাই (লক্ষীপুর) ঃ** আমি অসমের মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা এবং অসমের অৰ্থ মন্ত্ৰী শ্ৰীমতি অজন্তা নেওগ মহাশয়াকে ধন্যবাদ জানাচ্ছি। মাননীয় প্ৰধান মন্ত্ৰী নরেন্দ্ৰ মোদী যে

ভাবে ১৯৪৭ স্বাধীন হওয়া ভারতকে আত্ম-নির্ভরশীল ভারত ও বিকশিত ভারত করার লক্ষ্যে যেভাবে কাজ করে যাচ্ছেন ঠিক সেভাবে অসমকেও আত্ম-নির্ভর ও বিকশিত করার লক্ষ্যে এইবারের বাজেট পেশ করা হয়েছে, সেটা ভালোভাবে প্রতিফলিত হয়েছে। অনেক বিরোধী বিধায়করা বলেছেন এই বাজেট নির্বাচনমুখী বাজেট, নির্বাচন কেন্দ্রিক বাজেট। কিন্তু আমি মনে করি এই বাজেট অসমকে উন্নতশীল রাজ্যে পরিণত করার বাজেট। এই বাজেটে কোন কর বৃদ্ধি না করে ১ লাখ ৪৩ হাজার ৬০৫ কোটি টাকার বাজেট মাননীয় বিত্ত মন্ত্রী মহাশয়া দাখিল করেছেন। এইজন্য আমি ওনাকে ধন্যবাদ জ্ঞাপন করছি। আমি এই বাজেটে আমার বক্তব্য শুরু করার আগে আমি অসম সরকার মাননীয় মুখ্যমন্ত্রী ও মাননীয় অর্থমন্ত্রীকে ধন্যবাদ জানাচ্ছি। গত ২২ জানুয়ারীতে কোটি কোটি সনাতনী লোকের জন্য রাম মন্দির প্রতিষ্ঠিত হয়েছে। আর সেই রাম মন্দির দর্শন করার জন্য ভারত তথা পৃথিবীর বিভিন্ন দেশ থেকে মানুষ আসছে । অসম সরকার পুণ্য তীর্থ যোজনার অধীনে অসমের ২৫ হাজার সনাতনী মানুষকে আগামী দিনে রাম মন্দির দর্শন করার জন্য ২৫ কোটি টাকা বাজেটে বরাদ্দ করেছেন। আমি মনে করি এই বাজেটের এটা একটা অতি গুরুত্বপূর্ণ ও ঐতিহাসিক সিদ্ধান্ত অসম সরকার নিয়েছেন। এই জন্য অসম সরকারকে আমি ধন্যবাদ জানাই। বিগত ৩ ফেব্রুয়ারী মাননীয় প্রধানমন্ত্রী গুয়াহাটীতে এসেছিলেন। ৪ ফেব্রুয়ারীতে অসমের জন্য প্রায় ১১ হাজার ৬০০ কোটি টাকা বিভিন্ন project এর জন্য ধার্য করেছেন, ও শিলান্যাস করেছেন। আমরা দেখেছি কেন্দ্রীয় সরকারের ভারত মালা প্রকল্পের সাথে সংগতি রেখে অসম সরকারও অসম মালা পরিযোজনা নিয়েছেন। অসম মালা ১.০ এটা ইতিমধ্যে চলছে এবং সঙ্গে সঙ্গে অসম মালা ২.০ এটার পরিযোজনাও নেওয়া হয়েছে। প্রায় ১ হাজার কিলোমিটার অসমের রাস্তাকে উন্নতিকরণ করা, নতুন রাস্তা তৈরী করা, রাস্তাকে বর্দ্ধিত করা এবং সৌন্দর্য বৃদ্ধি করার পরিকল্পনা অসম সরকার নিয়েছে। তার জন্য ৩ হাজার ৪৪৪ কোটি টাকা বরাদ্দ করেছে, এবং ৪ ফেব্রুয়ারী ভারতের প্রধানমন্ত্রী নরেন্দ্র মোদী গুয়াহাটীতে এসে শিলান্যাস করেছেন। আমার বিধান সভা লক্ষীপুর সমষ্টির এলারের রাস্তার জন্য অসম সরকার ১৭ কিলোমিটার রাস্তা বরাদ্দ করেছেন। এইজন্য অসম সরকারকে আমি ধন্যবাদ জানাই। এই বাজেটে আমরা দেখেছি মুখ্যমন্ত্রীর পাকা পথ যোজনা, উন্নত পাকা পথ যোজনা, নগরের পথ যোজনা, পথ নবীকরণ যোজনায় অনেক রাস্তা ঘাটের জন্য টাকা বরাদ্দ করা হয়েছে। ১৯৯৮ সালে মাননীয় অটল বিহারী বাজপেয়ী প্রধানমন্ত্রী হওয়ার আগে ভারতবর্ষের গ্রাম-গঞ্জের রাস্তা ঘাটের কি বেহাল অবস্থা ছিল, বাজপেয়ীজী প্রধানমন্ত্রী হওয়ার পর প্রধানমন্ত্রী গ্রাম-সড়ক যোজনা নেওয়া শুরু হয়েছিল এবং আজ আমরা দেখছি অসম সরকারও মুখ্যমন্ত্রী পথ পকীকরণ যোজনার মাধ্যমে বিভিন্ন রাস্তা-ঘাটের উন্নয়নের কাজ শুরু হয়েছে। শুধু শাসক দলের নয়, বিরোধী দলেরও প্রত্যেকটি সমষ্টির রাস্তাকে উন্নতিকরণ করা, নির্মান করার কাজ অসম সরকার হাতে নিয়েছে। অসম সরকার স্বাস্থ্যে পরিষেবার ক্ষেত্রেও বিভিন্ন কাজ করছে। একটা সময় ছিল অসমে মাত্র ৩ টা মেডিকেল কলেজ ছিল কিন্তু আজ আমরা দেখছি যে অসমে ৮ টা মেডিকেল কলেজের কাজ শুরু হয়েছে এবং অনেক গুলো মেডিকেল কলেজের কাজ আজ চলছে। কয়েকদিন আগে এই বিধান সভায় আলোচনা হয়েছে যে করিমগঞ্জ মেডিকেল কলেজের দাবী নিয়ে কি অবস্থা হয়েছিল, কিন্তু আমরা আজ অত্যন্ত আনন্দিত যে মাননীয় ভারতবর্ষের প্রধানমন্ত্রী গুয়াহাটীতে এসে করিমগঞ্জে মেডিকেল কলেজের জন্য ৫৭০ কোটি টাকার শিলান্যাস করেছেন। বরাক উপত্যকার জন্য দ্বিতীয় মেডিকেল কলেজের কাজ উনি করেছেন এইজন্য অসম সরকারকে

আমি ধন্যবাদ জানাই। শিলচর মেডিকেল কলেজ অত্যন্ত পুরনো মেডিকেল কলেজ এই কলেজের পরিকাঠামো অত্যন্ত খারাপ ছিল। একটা সময় ছিল যে শিলচর মেডিকেল কলেজে ২০ টি ICU Bed ছিল। কিন্তু আজ শিলচর মেডিকেল কলেজে ICU র জন্য ৩০০ plus Bed এর ব্যবস্থা হয়েছে। শিলচর মেডিকেল কলেজে ১৩৫০ টি বেডের ব্যবস্থা করা হয়েছে। অসম সরকার নুতন ভাবে শিলচর মেডিকেল কলেজে ৫০০ টি Bed এর তাৎক্ষণিক হাসপাতালের কাজ শুরু করেছে, প্রায় ৭০ শতাংশ কাজ সম্পূর্ণ হয়েছে। নুতন ভাবে Super Specialist হাসপাতালের জন্য G plus 6 Building র কাজ অসম সরকার শুরু করেছেন। এই কাজ সম্পন্ন হয়ে গেলে আমরা বলতে পারি যে শিলচর মেডিকেল কলেজ 2000 প্লাস Bed capacity হবে । প্রধানমন্ত্রী নরেন্দ্র মোদী যখন গুয়াহাটীতে এসেছিলেন তখন তিনি গুয়াহাটী মেডিকেল কলেজের পরিকাঠামো উন্নয়নের জন্য প্রায় ৩০০০ কোটি টাকার বেশী এখানে শিলান্যাস করেছেন। AIMS র জন্য ২০০০ কোটি টাকা কেন্দ্রীয় সরকার দিয়েছে। কিন্তু অসম সরকার নিজস্ব ব্যবস্থায় গুয়াহাটী মেডিকেল কলেজের উন্নয়নের জন্য প্রায় ৩ হাজার ৪০০ কোটি টাকা বরাদ্দ করেছে। টাটার সঙ্গে সঙ্গতি রেখে আমাদের অসমে কেন্সার হাসপাতালের কাজ শুরু হয়েছে, প্রায় ৮ টি কেন্সার হাসপালের কাজ কার্যকরী হয়েছে। শিলচর মেডিকেল কলেজের কেম্পাসে কেন্সার হাসপাতালের কাজ প্রায় সম্পূর্ণ হতে চলেছে। আমার লক্ষীপুর বিধান সভা **১৯৯২** সালে মহকুমা হয়েছিল, কিন্তু সেখানে মহকুমা হাসপাতাল হওয়া তো দূরের কথা কোন হাসপাতালের পরিষেবাও ছিলনা। কিন্তু অসম সরকার আজ **১১৯** কোটি টাকা দিয়েছেন জেলা সদর হাসপাতাল নির্মান করার জন্য, সেইজন্য অসম সরকারকে আমি অশেষ ধন্যবাদ জানাচ্ছি। এর মধ্যে আমি দু'চারটি কথা এখানে বলতে চাই,যেভাবে মুখ্যমন্ত্রী মহাশয় 'মুখ্যমন্ত্রী আবাসের' কথা এখানে ঘোষনা করেছেন এবং 'মুখ্যমন্ত্রী আবাসের' মাধ্যমে **১লক্ষ ৩০** হাজার নুতন আবাস নির্মাণ করার জন্য আসাম সরকার যে টার্গেট নিয়েছে এটা অত্যন্ত গুরুত্বপূর্ণ। এবং তার জন্য চা বাগানের লোকদের জন্য আলাদাভাবে যে ব্যবস্থা করা হয়েছে প্রায় **১৩** হাজার গৃহ 'মুখ্যমন্ত্রী আবাস' চা বাগান এলাকাতে হবে। আমার বিধানসভা সমষ্টি চা বাগান অধ্যুষিত। সেজন্য চা বাগান অঞ্চলে আসাম সরকার যেভাবে কাজ শুরু করেছে যেমন জগন্নাথ মন্দির স্কিল সেন্টার নির্মাণ করা, মডেল স্কুল নির্মাণ করা, ঠিক সেভাবে প্রত্যেকটি চা বাগানে মডেল অঙ্গনওয়াড়ি নির্মাণ করা, প্রত্যেকটি চা বাগানে মুখ্যমন্ত্রী আবাস নির্মাণ করা। আমি মনে করি এই বাজেট আসামকে এগিয়ে নিয়ে যাওয়ার বাজেট। এবং মাননীয় মুখ্যমন্ত্রী **১০** মে **২০২১** সালে যখন শপথ গ্রহণ করেছিলেন উনি বলেছিলেন যে আসামকে ভারতবর্ষের মধ্যে শ্রেষ্ঠ পাঁচ রাজ্যের মধ্যে নিয়ে যাবেন। কিন্তু আমি দেখেছি বিগত তিন বছরে আসামের মাননীয় মুখ্যমন্ত্রী এবং ওনার নেতৃত্বাধীন আসাম সরকার যেভাবে কাজ করে যাচ্ছেন আসাম ভারতবর্ষের মধ্যে পাঁচ রাজ্য নয় আসাম ভারতবর্ষের শ্রেষ্ঠতম রাজ্যে পরিনত হবে বলে আমি আশা রাখছি। এবং এই বাজেট যেভাবে পেশ করা হয়েছে আসামকে এগিয়ে নেওয়ার বাজেট, আসামকে বিকশিত আসাম, আত্মনির্ভর করার যে বাজেট এই বাজেটকে আমি ধন্যবাদ জানিয়ে মাননীয় মুখ্যমন্ত্রী মহাশয়কে এবং মাননীয়া অর্থমন্ত্রী মহাশয়াকে ধন্যবাদ জানিয়ে আমার বক্তব্য এখানে শেষ করছি। জয় শ্রীরাম।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্ৰী জলেন দৈমাৰী ডাঙৰীয়াই বক্তব্য ৰাখিব। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী জলেন দৈমাৰী,(তামুলপুৰ) ঃ** মাননীয় সভাপতি মহোদয়, মই আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী

ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু আমাৰ সন্মানীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাইছো। এইবাৰৰ বাজেটত মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক মই সাহসৰ পৰিচয় দিয়া বাজেট বুলি ক'ব বিচাৰিছো। এই বাজেট সকলোৰে মঙ্গলৰ বাজেট। যিসকল আৰ্থিক ভাৱে স্বাবলম্বী ব্যক্তি, সেইসকলে এই বাজেটখন বেছি বুজি নাপাব। সকলো স্তৰৰ ৰাইজৰ মঙ্গলৰ কাৰণে এই বাজেট চাবমিট কৰা হৈছে। ইয়াৰ বাবে মই মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাইছো। আমাৰ BTR অঞ্চলৰ বাবে যি বিভিন্ন আঁচনি, এই আঁচনি ৰূপায়ণ কৰাৰ বাবে এইবাৰৰ বাজেটত যি বহুখিনি বাজেট ধাৰ্য্য কৰা হৈছে। BTR ৰ বিভিন্ন জাতি-জনগোষ্ঠী উন্নয়ণৰ কাৰণে আমি বিভিন্ন মিশ্যন লৈ কাম কৰি আছো। আমাৰ বড়োলেণ্ড পিগ মিশ্যন, চিড মিশ্যন আছে। মাটি-বাৰীৰ বিভিন্ন সমস্যা সমাধান কৰাৰ কাৰণে আমি Mission Bwiswmuthi আৰম্ভ কৰিছো। BTR অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমস্যা সমাধান কৰাৰ কাৰণে এই বাজেটত ৩,৭৮২.৫৯ কোটি টকা ধাৰ্য্য কৰাৰ বাবে মই সন্মানীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাইছো।

(Hon'ble Deputy Speaker in the Chair)

ইয়াৰ উপৰিও এইখন বাজেট ছাত্ৰ-ছাত্ৰী সকলৰ বাবেও মঙ্গলজনক বাজেট বুলি মই ক'ব বিচাৰিছো। আমি যিহেতু চৰকাৰী ভাৱে আমাৰ চৰকাৰৰ দিনত বাল্য বিবাহ ৰোধ কৰাৰ .কাৰণে কাম কৰি আছো, আমাৰ গ্ৰাম্য অঞ্চলৰ বিভিন্ন ছাত্ৰী বা ছাত্ৰ সকল বিভিন্ন দিশত সমস্যাৰ সন্মূখীন হয়। আমাৰ গাওঁ অঞ্চলৰ ছাত্ৰী সকলে বিভিন্ন আৰ্থিক অৱস্থাৰ বাবে কম বয়সতে স্কুল এৰিব লগীয়া হয়। আমাৰ চৰকাৰে এই ছাত্ৰী সকলে যাতে ভৱিষ্যতে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হ'ব পাৰে বা বিভিন্ন দিশত আগবাঢ়ি যাব পাৰে ইয়াৰ কাৰণে ছাত্ৰী সকলক আৰ্থিক ভাৱে সহায় কৰাৰ কাৰণে পুঁজি ধাৰ্য্য কৰা হৈছে তাৰ বাবে মই ধন্যবাদ জনাইছো। মই আশা কৰিছো যে গাওঁ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকল এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব। মই কেতিয়াও কল্পনা কৰা নাছিলো যে তামূলপুৰত ইমান উন্নয়ণৰ কাম-কাজ আৰম্ভ হ'ব। মই যেতিয়া কলেজত পঢ়ি আছিলো তেতিয়া অসমৰ বাতৰি কাকতত এটা বাতৰি পাই আছিলো যে পাগলা দলঙৰ যিখন concept paper সেইখন দিল্লীত হেৰাল। আমি প্ৰতিবছৰেই এটা বাতৰি পাই আছিলো যে আমাৰ পাগলাৰ দলং খনৰ DPR খন সদায় হেৰাই থাকে। কিন্তু এইখন চৰকাৰ অহাৰ পিছৰে পৰা আৰু মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত বৰ্তমান কুমাৰীকাটাৰ পৰা নয়াবস্তিলৈ যোৱা পাগলাত আমি অসম মালাৰ অধীনত দলং বনাই আছো। আমি কেতিয়াও ভবা নাছিলো তামূলপুৰৰ পৰা বৰমালৈ যোৱা ৰাস্তাটো ইমান ধুনীয়াকৈ বনোৱা হ'ব। আমি তামূলপুৰবাসীয়ে আমাৰ তামূলপুৰ অঞ্চলত ইমান উন্নয়ণ হ'ব বুলি কেতিয়াও ভবা নাছিলো। তামূলপুৰৰ পৰা বৰমালৈ যোৱা ৰাস্তাটো অসম মালাৰ অধীনত এতিয়া বনোৱা হ'ব। আমাৰ ৰঙিয়াৰ পৰা নাগ্ৰিজুলিলৈ যোৱা ৰাস্তাটো অসম মালাৰ অধীনত সম্পূৰ্ণ হোৱাৰ পথত। আমি তামূলপুৰবাসীয়ে কেতিয়াও ভবা নাছিলো যে অসমৰ বিভিন্ন জিলাৰ নিচিনাকৈ তামূলপুৰ জিলাতো মেডিকেল কলেজ নিৰ্মাণ হ'ব। সেয়েহে মই আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আমাৰ সন্মানীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাইছো। বহু বছৰৰ পৰা আমাৰ এই BTR অঞ্চলত কলেজ নিৰ্মাণ কৰিছিলো যদিও সেই কলেজবোৰ প্ৰাদেশিকীকৰণ হোৱা নাছিল। গতিকে মই এই চেগতে অসমৰ মুখ্যমন্ত্ৰী মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়নিকো মই ধন্যবাদ জনাইছো যে আজি যিটো বাজেট ধাৰ্য্য কৰা হৈছে, সেইটো সকলোৰে মঙ্গলৰ কাৰণে। আমাৰ BTR অঞ্চলত বহু বছৰৰ পৰা কলেজ নিৰ্মাণ কৰিছিল যদিও সেই কলেজসমূহ কেতিয়াও provincialization হোৱা নাছিল। কিন্তু এইবাৰ BTR অঞ্চলত ১০ খন কলেজ provincialise কৰিব পাৰিছো।

আমাৰ মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেট দাখিল কৰিছে, তাত সকলো শ্ৰেণীৰ মঙ্গলৰ কাৰণে বাজেট দাখিল কৰিছে আৰু এই বাজেট অসমখনক ভাৰতবৰ্ষৰ ভিতৰত পাঁচখন শ্ৰেষ্ঠ্য ৰাজ্য বনোৱাৰ ক্ষেত্ৰত এখোজ আগবাঢ়ি যাব বুলি আশা ৰাখিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বক্তব্য ৰাখিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ বাবে আৱন্টিত কিছু সময় মই অনুমতি সাপেক্ষে ব্যৱহাৰ আমাৰ চৰকাৰে প্ৰস্তুত কৰা বাজেটখনৰ বিষয়ে দুষাৰ বক্তব্য ৰাখিব খুজিছো আৰু এখন আত্ম বিশ্বাসী আৰু আত্ম নিৰ্ভৰ অসমৰ বুনিয়াদ ৰচনা কৰিব পৰা বাজেট বিধান সভাত উপস্থাপন কৰাৰ বাবে মই বিত্ত মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়নিক ধন্যবাদ আৰু অভিনন্দন জনাইছোঁ।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই নাৰী শক্তি বন্ধন, এই বিষয়টো ৰাজ্য আৰু ৰাষ্ট্ৰৰ সন্মুখলৈকে লৈ আহিছে। পশ্চিমীয়া concept ত যাক আমি woman empowerment বুলি কওঁ। প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই তাক নাৰী শক্তি বন্ধন, অৰ্থাৎ যি ভাৰতীয় সংস্কৃতিত নাৰীৰ এক কেন্দ্ৰীয় ভূমিকা ঐতিৰ্য্যৰে পৰা আছিল, ইয়াত power sharing নাছিলে, নাৰী আমাৰ সমাজ ব্যৱস্থাত মুখ্য ভূমিকা আছিল। প্ৰথম বাৰৰ বাবে অসমৰ ইতিহাসত এগৰাকী মহিলা বিত্ত মন্ত্ৰীয়ে চাৰিটাকৈ বাজেট এই সদনত উপস্থাপন কৰিব পৰাটো আন এক ইতিহাস আৰু ই আমাৰ নাৰী শক্তি বন্ধনৰ এক জীৱন্ত উদাহৰণ।

মাননীয় উপাধ্যক্ষ মহোদয়, যিকোনো চৰকাৰৰ কাম কাজৰ কেন্দ্ৰ বিন্দু হৈছে দৰিদ্ৰলোক সকল। আমি সকলোৱে জানো যে ২০১৪ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দায়িত্ব গ্ৰহণ কৰে। নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ প্ৰচেষ্টা আছিল যে আমি কেনেকৈ এটা new middle class সৃষ্টি কৰিব পাৰো। অৰ্থাৎ দৰিদ্ৰতাৰ গৰাল গ্ৰাসৰ পৰা ৰাইজক ওপৰলৈ লৈ গৈ এটা নতুন মধ্যবিত্ত সমাজৰ সৃষ্টি কৰা। মধ্যবিত্ত সমাজ মানে aspirational society, (আকাংক্ষিত সমাজ)। এটা আকাংক্ষিত সমাজৰ নিৰ্মাণ কৰা। আমাৰ ৰাজ্যত ২০১৪ চনৰ আগতে ৩৭ শতাংশ লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছিল। যোৱা ১০ টা বছৰৰ হোৱা কৰ্মযোগ্যৰ ফলত আমাৰ ৰাজ্যখনৰ ৮০ লাখ লোক বৰ্তমান দৰিদ্ৰতাৰ পৰা ওলাই আহিছে, আৰু তেওঁলোকে এখন নতুন মধ্যবিত্ত সমাজৰ সৃষ্টি কৰিছে। আজি আমাৰ অসমত multi dimensional poverty index ৩৭ শতাংশৰ পৰা ১৪.৪৭ শতাংশলৈকে হ্ৰাস পাইছে। অসমৰ বাবে ইমান ডাঙৰ প্ৰাপ্তি স্বাধীনতাৰ পিছত কেতিয়াও অসমে লাভ কৰিব পৰা নাছিল। এই প্ৰাপ্তি কোনো চৰকাৰৰ নহয়, এটা এটা পৰিয়াল যেতিয়া দৰিদ্ৰতাৰ গৰাল গ্ৰাসৰ পৰা ওলাই আহে, through a silent revolution, এটা নিৰৱ বিপ্লৱৰ মাজেৰে ৮০ লাখ লোক আজি দৰিদ্ৰতাৰ গৰাল গ্ৰাসৰ পৰা মুক্ত হৈছে। জাতিৰ বাবে ই এক মহান প্ৰাপ্তি আৰু এই ক্ষণত মই প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়া আৰু অসম বিধান সভা আৰু অসমৰ ৰাইজক অভিনন্দন জনাইছোঁ আৰু মই প্ৰতিশ্ৰুতি দিছো যে বাকী ১৪ শতাংশ লোককো আমি দৰিদ্ৰতাৰ গৰাল গ্ৰাসৰ পৰা উলিয়াই লৈ আহিম, সেই সংকল্পৰ যাত্ৰা আমি অব্যাহত ৰাখিম।

মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আশীৰ্বাদ আৰু গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ প্ৰচেষ্টাত আজি অসম এক শান্তিৰ নতুন দ্বীপলৈ পৰিবৰ্তীত হৈছে। অলপ আগতে সাংবাদিকৰ আগত নতুন অসমৰ বিষয়ে উল্লেখ কৰিছো। কাছাৰ জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত যেতিয়া লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তী প্ৰতিষ্ঠা হয়, সাংস্কৃতিক মহাসংগ্ৰামত যেতিয়া

বৰাক উপত্যকাত জ্যোতি সংগীত, ৰাভা সংগীতৰ চৰ্চা হয়, প্ৰতিযোগীতা হয় আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া ভাষীলোকে যেতিয়া ৰবিন্দ্ৰ সংগীতত প্ৰথম, দ্বিতীয়, তৃতীয় পুৰস্কাৰ লাভ কৰে, সি এখন নতুন অসমৰ প্ৰতিছবি আমাৰ সন্মুখলৈকে কঢ়িয়াই আছে। প্ৰথমবাৰৰ বাবে বৰাক উপত্যকা, কাৰ্বি আংলং, ডিমা হাছাও জিলাত 'অ' মোৰ আপোনাৰ দেশ' আৰু বড়োলেণ্ডত অখণ্ড অসমৰ বক্তব্য। ই এক সাধাৰণ প্ৰাপ্তি নহয়, আমাৰ প্ৰজন্মই যাৰ বয়স ৪০ বছৰৰ ওপৰত আমি কেতিয়াও এইখন নতুন অসমৰ কথা কল্পনা কৰিব পৰা নাছিলো। এইখন অসম এখন পৰিবৰ্তীত অসম। আজি আমি এটা transformation ৰ এটা নতুন যুগত পৰিণত হৈছো। বৰাক, ব্ৰহ্মপুত্ৰ, কাৰ্বি আংলং, ডিমা হাছাও আদিবাসী, জনজাতিয় লোকসকল, অনুসূচীত জাতিৰ লোকসকলৰ মাজত আত্মবিশ্বাস আৰু আস্থা আৰু সংকল্পৰ এটা নতুনত পৰিবেশ গঢ়ি উঠিছে।

যেতিয়া এখন ৰাজ্যত সামাজিক শান্তি বিৰাজ কৰে, তাৰ প্ৰথম benefit টো পাই অৰ্থনীতি। যদি কোনোবা এখন ৰাজ্যত সামাজিক শান্তি যদি বিনস্ত হয় আৰু যদি সমাজত শান্তি আৰু শৃংখলা প্ৰতিষ্ঠা হয়, তেতিয়াও first beneficiary is the economy।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন এটা সময়ত dependent state আছিল। আমি আন্দোলন কৰিছিলো, দিল্লীয়ে আমাক দিব লাগে, দিব লাগে আৰু দিল্লীৰ ওচৰত বিচাৰি বিচাৰি আমাৰ প্ৰজন্মটো ডাঙৰ হৈছে। আজি ভাৰত যি 5th economy, সেই 5th economy ত ২ শতাংশ contribution অসমৰ পৰা আহিছে। 2% contribution to the India GDP আমাৰ ৰাজ্যখনৰ পৰা আহিছে। প্ৰথমবাৰ আমি dependent state ৰ পৰিবৰ্তে contributory state লৈকে আমি আমাৰ যাত্ৰা আগুৱাই লৈ গৈছো। এতিয়া আমাক কোনেও ক'ব নোৱাৰে যে we are a dependent state may be humble , may be a beginning। কিন্তু এতিয়া আমি ভাৰতৰ অৰ্থনীতিৰ ২ শতাংশ যি growth আছে, তাত অসমে positive contribution ৰাখিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ২০২২ -২৩ চনত ৪.৯৩ লাখ কোটি টকা আমাৰ GDP আছিল। ৪.৯৩ লাখ কোটি টকা যোৱা বছৰত ৫.৭০ লাখ কোটি টকাত ভৰি দিলে। অৰ্থাৎ আজি যদি আমি চাব যাওঁ যে যোৱা বছৰ আৰু এই বছৰৰ মাজত ৮০ হাজাৰ কোটি টকা আমাৰ growth হৈছে, আমি আগবাঢ়িছো। যেতিয়া লোণৰ কথা আহে ৪.৯৩ ৰ যিটো ৩ শতাংশ আছিল, নিশ্চয়কৈ এই বছৰ ৮০ হাজাৰ কোটি টকা economy বাঢ়িছে। গতিকে ৮০ হাজাৰ কোটি টকাৰ ৩ শতাংশ, অৰ্থাৎ আৰু ২৪০০ কোটি টকা যোৱা বাৰতকৈ এবাৰ আমি বেছি ঋণ ল'ব পাৰো। অৰ্থাৎ fiscal space বাঢ়িছে। এখন ৰাজ্যৰ positive কথা কি? GDP বাঢ়িব, GDP বাঢ়িলে Tax GDPৰ ratio বাঢ়েঞ। আজি অসমৰ tax GDP ratio almost 5% অৰ্থাৎ যদি এইবছৰ আমাৰ ৫ লাখ ৭০ হাজাৰ কোটি টকা GDP তাৰ 5% tax উঠাব পাৰো। সেই কাৰণে যোৱা বছৰত প্ৰথম বাৰৰ বাবে ঘৰুৱা কৰ আমি ৩০ হাজাৰ কোটি সংগ্ৰহ কৰাৰ লক্ষ্যৰ ফালে ধাৰমান হৈছো। What is th significent of this 30 thousand crore. তাৰ significance হৈছে অসমত প্ৰতিমাহে দৰমহা দিবৰ কাৰণে আমাক ২৪ শ কোটি টকা লাগে আৰু ১২ মাহৰ দৰমহা দিবৰ কাৰণে এতিয়া আমি কেন্দ্ৰীয় চৰকাৰৰ অপেক্ষা কৰিব নালাগে। কেন্দ্ৰীয় চৰকাৰে tax devolution ৰ টকা ১১ তাৰিখে পঠায়।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত দৰমাহাটো বেছি দেখুৱাইছে।

**মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন** ঃ Please আপোনাৰ সময় আছে, আপোনাৰ সময়ত

ক'ব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই হৈছো plain আৰু simple. তাত আমি দিছো দৰমহাৰ পেঞ্চন আৰু মই কৈ আছো দৰমহা। পেঞ্চনত আমাৰ ১৭ শ কোটি টকা। মই যদি কিবা ভুল তথ্য দিছো আপুনি Privilege notice লৈ আহিব। সংসদত তাৰ প্ৰচেষ্টা আছে। আজি আমাৰ দৰমহাৰ টকা ১ তাৰিখে দৰমহা দিও, tax devolution ৰ পুঁজি ১১ তাৰিখে আহে। তাৰমানে কেন্দ্ৰীয় চৰকাৰে দৰমহা দিয়াৰ ১০ দিন আগত ৰাজ্য চৰকাৰে প্ৰতি মাহৰ দৰমহা clear কৰি যাব পাৰে তাৰ সামৰ্থ আজি ৰাজ্য চৰকাৰে সংগ্ৰহ কৰিছে। প্ৰতিবছৰে fiscal space বাঢ়িছে। তৰুণ গগৈ ডাঙৰীয়াৰ শেষ বাজেটখনত অৰ্থ ব্যয় কৰিছিল ৪২ হাজাৰ কোটি টকা। যোৱাবছৰ আমি ব্যয় কৰিছো ১ লাখ ২২ হাজাৰ কোটি টকা। তাৰমানে There is a clear increase of 300%. অসম বিধান সভাত মই ২০ টা বছৰ আছো। Within a span of 8 years. ৰাজ্যৰ বাজেটৰ ব্যয় 300% increase হোৱাৰ আমাৰ ৰাজ্যৰ সমসাময়িক ইতিহাসত দ্বিতীয় উদাহৰণ নাই। তৰুণ গগৈ ডাঙৰীয়াৰ শেষ বাজেটত খৰচ হৈছিল As per AG report 42 thousand crore আৰু আজি কিমান খৰচ হৈছে ১ লাখ ২২ হাজাৰ কোটি টকা। Thats the kind of Budget আজি দেখা পাইছো। ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত মই আগতেই কৈছো ৪.৯৩ লাখ টকা আছিল যোৱাবছৰ। এইবছৰ আমাৰ ৫ লাখ ৭০ হাজাৰ কোটি টকা আৰু প্ৰাককলন অনুসৰি অহা বছৰ আমাৰ growth আমি গৈ পাম ৬ লাখ ৪৩ লাখ কোটি টকা। প্ৰতি বছৰে যদি ৮০ হাজাৰ কোটি টকা আমি যোগ কৰি যাও, তেতিয়া ১০ লাখ হ'বৰ কাৰণে আমাক কিমানটা বছৰ লাগে, ৪ টা বছৰ লাগিব। তাৰমানে Assam will be a 10 lakh crore economy by the time the next Government comes into পাব। অহা ২০২৭ চনত যেতিয়া বিত্তমন্ত্ৰী ডাঙৰীয়াই তেওঁৰ বাজেট দিব তেতিয়া গৌৰৱেৰে সৈতে ক'ব the Assam is now 10 lakh crore economy.কিছুমানে জাতিৰ ভাল কথা ক'লে দুখ পায়। এয়া মই হিমন্ত বিশ্ব শৰ্মাৰ ঘৰৰ উপাৰ্জনৰ কথা কোৱানা নাই। ইয়াত প্ৰতিবাদ কৰিবলৈ একো নাই, জাতিৰ উপাৰ্জন বাঢ়িছে, জাতিৰ উপাৰ্জন বঢ়াৰ কাৰণে যদি কোনোবাই দুখ পায় তাতে মোৰ ক'বলগীয়া একো নাই। তাত statistics কথা নাই, একো নাই। জাতিৰ উপাৰ্জন জাতিৰ উপাৰ্জনে ৫ লাখ ৪৭ হাজাৰ কোটি টকা পাব আৰু ২০২৭ চনত যেতিয়া বিত্তমন্ত্ৰী ডাঙৰীয়াই যেতিয়া বাজেট দিব। এই বাজেটৰ জৰিয়তে আমি ১০ লাখ কোটি টকাৰ এখন econom y লৈ ৰূপান্তৰ কৰিম। আজি আত্মবিশ্বাসী অসমৰ কথা কৈছো। আজি আমি কি কৈছো, বাল্যবিবাহ ৰোধ হ'ব লাগে। পুলিছে গ্ৰেপ্তাৰ কৰিছে কিন্তু আমাৰ চৰকাৰখনৰ দুটা ৰূপ আছে। কঠোৰ আৰু মমতা। আমি কঠোৰৰ পৰা কঠোৰতম যেতিয়া আইন ভংগ কৰে কিন্তু যেতিয়া কোনোবাই দৰিদ্ৰতাৰ কাৰণে আইন ভংগ কৰে তাৰ কাৰণে মমতা আৰু কৰুণাৰ হাত এখন আগবঢ়াই দিয়াতো আমাৰ চৰকাৰৰ দায়িত্ব। ৰাজ্যৰ শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ত মই বিনামূলীয়া নামভৰ্তিৰ concept আৰম্ভ কৰিছো। Assam is the leading State তাতো কোনোবাই মনত দুখ পালে সহায় কৰিব নোৱাৰো। হাইয়াৰ চেকেণ্ডাৰীৰ পৰা পোষ্ট গ্ৰেজুয়েট লৈকে বিনামূলীয়া নামভৰ্তি দিয়া অসম এখন leading State. মোৰ এটা অভিজ্ঞতা হৈছে শিক্ষামন্ত্ৰী হৈ থকা সময়ত মাননীয় সদস্য শ্ৰীবলীন চেতিয়া ডাঙৰীয়াৰ সমষ্টিত মই এবাৰ গৈছিলো, তেতিয়া মই নাজানিছিলো যে, Admission fees 1st semister, 2nd semister, 3rd semister ৰ ত থাকে। সৰু ছোৱালী এজনী মোৰ ওচৰত আহি মোক এখন কাগজ দিলে যে চাৰ, আপোনাৰ বিনামূলীয়া নামভৰ্তিৰ

কাৰণে দেউতাৰ লগত কাজিয়া কৰিও শদিয়া কলেজত নামভৰ্তি কৰিছো। যদি 2nd semeister ৰ নামভৰ্তি যদি বিনামূলীয়া নহয় মই কলেজখন আকৌ এৰিব লাগিব। আমি সিদ্ধান্ত লৈছিলো যে 1 st semister, 2nd semister, 3rd semister আৰু six semister সকলোতে ২ লাখ টকাৰ তলৰ উপাৰ্জন থকা মানুহে বিনামূলীয়া নামভৰ্তি কৰিব। নাম ভৰ্তিৰ পাছত স্কুটিৰ যোগ হ'ল। পোষ্ট গ্ৰেজুয়েটত পঢ়া চোৱালী বিলাকক mobility fund দিও। মাননীয় সদস্য শ্ৰীৰঞ্জিত দত্ত ডাঙৰীয়া আছে। বিহালী কলেজত মই তেখেতৰ লগত এবাৰ গৈছিলো। বিহালী কলেজত ছোৱালী  বিলাকে মোৰ ওচৰত আহি কথা পাতোতে মই ছোৱালী জনীক সুধিছিলো, তোমালোকে কেনেকৈ আহা? বাগিছাৰ চোৱালী আছিল। ক'লে যে চাৰ, আমি বাছত আহো। ইয়াত আহিলে কি খোৱা? বোলে কিছুমানে পৰঠা খায় আৰু কিছুমানে পইচা নাই কাৰণে আমি খাব নাপাওঁ। আমি তেনেকৈ ঘৰত গুচি গৈ ঘৰতে ভাত খাওঁ। সিদিনাখন আমি সিদ্ধান্ত লৈছিলো যে Post graduate পঢ়া চোৱালী সকলক আমি ১৫ হাজাৰ টকাকৈ দিম অন্ততঃ দেউতাক মাকৰ নামভৰ্তিৰ পইচা, admission ৰ পাছত আমি mobility তেওঁলোকৰ যাতায়াত আৰু পৰঠা এখন খোৱাৰ পইচাটো চৰকাৰে দিব। এয়া হ'ল মমতা আৰু কৰুণাৰ চৰকাৰ। এইবাৰ আমি তাক আগুৱাই লৈ গৈছো। নামভৰ্তি দিয়াৰ সময়ত দেউতাক মাকৰ প্ৰশ্ন আহে, ঘৰত কাজিয়া লাগে যে নামভৰ্তিটো বিনামূলীয়া কৰিব। CM য়ে কিয় কিতাপবোৰো বিনা পইচা দিব নেকি? CM য়ে বহীবিলাক বিনাপইচাত দিব নেকি? বহু ল'ৰা-ছোৱালীয়ে মোক কয় নামভৰ্তিৰ fees টো আছে free টো পাম। কিন্তু বাকী সুবিধা নোহোৱাৰ কাৰণে আমি কলেজত যাব নোৱাৰো। দেউতা মায়ে কয় যে বিয়া হৈ যা। এইবাৰ আমি কি কৰিছো যে, Higher Secondary ৰ ১ বৰ্ষত ছোৱালীয়ে নাম লগোৱাৰ লগে লগে within 2 month 10 হাজাৰ টকাকৈ আমি তেওঁলোকৰ accont ত transfer কৰি দিম। Graduate হোৱাৰ লগে লগে চাৰে বাৰ হাজাৰ টকা তেওঁলোকৰ account ত transfer কৰি দিছো আৰু post graduate পঢ়া ছোৱালীজনীয়ে ১৫ হাজাৰ টকা mobility টো পাই আছিলেই তাৰ লগত আৰু ১৫ হাজাৰ টকা post graduate পোৱাৰ লগে লগে তেওঁলোকে নামভৰ্তি কৰিব পাৰিব। মোৰতো এজনীয়ে ছোৱালী, বাকীবোৰতো আপোনালোকৰ ছোৱালী- হাত চাপৰী মৰাত কি যায় ?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** আপোনাকতো কোনো কোৱা নাই যে, আমাৰ ছোৱালী নহয় বুলি।

(সদনত বাদ- বিবাদ)

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ প্লিছ - ইনটাৰাপ্ট নকৰিব। আপোনাক যেতিয়া সময় দিয়া হ'ব তেতিয়া আপুনি ক'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অখিল গগৈয়ে বিধান সভাত বেলেগ কথা কয় আকৌ শিৱসাগৰত বেলেগ এটা কয় গতিকে টেনশ্যন নাই । গতিকে অহা মাহত মই শিৱসাগৰত কেবিনেট লৈ যাম তেতিয়া আমাক খুব প্ৰশংসা কৰিব টেনশ্যন নাই । আগৰ চিষ্টেম বদলি গৈছে - এতিয়া অখিল গগৈক ডীল কৰাৰ বাবে আমি নতুন নিয়ম বুজিব লাগে ।শিৱসাগৰত তেওঁ আমাৰ লগত আছে বাহিৰত তেওঁ আমাৰ বিৰোধী । ঠিক আছে , উই হেভ একচেপ্টেড দেট । কোনো আপত্তি নাই । চাৰ্কিট হাউচ চেংশ্যন হৈ গৈছে । গোটেইখিনি হৈ যাব খালি ধৈৰ্য্য ধৰক।

**বিৰোধী দলৰ পৰা উফৰি অহা উক্তি ঃ** -- প্ৰিঞ্চিপালে দুই লাখৰ তলৰ পৰাও এডমিশ্যনৰ টকা লৈছে ....।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** একেবাৰে ল'ব নোৱাৰে ল'লে এৰেষ্ট হ'ব । কোনোবা কলেজৰ প্ৰিঞ্চিপালে যদি দুই লাখ আয়ৰ তলৰ ছাত্ৰ - ছাত্ৰী পৰা এডমিশ্যনৰ বাবে টকা লৈছে কেৱল এখন এফ আই আৰ দিলে কালি ৰাতিয়েই মই জেলত ভৰাই দিম। এইখন কঠোৰ চৰকাৰ । মই আগতেই কৈছো নহয় যে ইয়াত দুটা ৰূপ আছে । এটা ৰূপ হ'ল কঠোৰ আৰু আনটো মমতা । আমি এনেই ১৫০ কোটি টকাকৈ কলেজবিলাকক দি আছো নেকি । সবৰে নামত বিল লয় । অধ্যক্ষ মহোদয়, মহিলা- কোনো এখন সমাজত মাতৃ জাতিক সবলীকৰণৰ অবিহনে সমাজ আগবাঢ়িব নোৱাৰে । আজি আমি মাতৃসকলৰ বাবে এখনৰ পিছত এখন আঁচনি আমি লৈছো । অলপতে কংগ্ৰেছৰ এটা যাত্ৰা হৈছিল মই ইয়াত নাম লৈ কৈছো কিন্তু কাৰো বিপক্ষে নকওঁ । মৰিয়ণিত যাত্ৰা ৰখিলে -- 'হাৰে ইতনা মহিলা কিউ হে'- তেওঁক কোৱা হ'ল আমাৰ মহিলাবিলাকে ' মহিলা উদ্যমিতা'ৰ ফৰ্ম ফিলআপ কৰিবলৈ আহিছে। তেওৰ লগত ফটো উঠিছে , ভাল কথা - ফটো কেৱল মোৰ লগত উঠিব লাগে বুলি কি কথা আছে , সকলোৰে লগত ফটো উঠিব লাগে । কিন্তু দেখি গ'ল যে অসমত কেনেকৈ ৱমেন এমপাৱাৰমেন্টৰ কাম হৈ আছে । আত্ম সহায়ক গোট সকলোতে আছে । কংগ্ৰেছ ৰুলড গৰ্ভমেন্টৰ ৰাজ্যতো আত্ম সহায়ক গোট আছে , নেক্সট লেভেল- চেলফ্ হেলপ্ গ্ৰুপ হ'ল- এইবাৰ আমি কি কৰিছো-- যে দহ হাজাৰ টকাকৈ আমি সকলো মহিলাক দিম - তাৰ মানে গ্ৰুপটোত কিমান জমা হ'ল ? মানে মুঠ এক লাখ টকা আমি একেলগে দিম । গাইগুটীয়াভাৱে ,ব্যক্তিগতভাৱে এক লাখ টকা পাই তেওঁলোকে কাম কৰিব পাৰিব, আঁচনি ল'ব পাৰিব।- ইয়াৰ ফৰ্ম ফিলাপৰ ডেট হৈছে - ৩-৪ আৰু ৫ মাৰ্চ । আমাৰ মহিলা সকলে ফৰ্মখন ফিল আপ কৰি ৩-৪ আৰু ৫ মাৰ্চত আমাক ফৰ্ম ওভতাই দিব । আমি কি কৰিছো- আমি হিতাধিকাৰী সৃষ্টি কৰিব খোজা নাই । we want to create entrepreneurship যদি কোনোৱাই আমাক মাতৃশক্তিক ভোট বেংক সজাব বিচাৰিছে বুলি কয়, অপমান কৰে তাত মোৰ একো ক'বলগীয়া নাই । মই নিজে জানো বাঘবৰ আৰু জনিয়া সমষ্টিত মই যদি মাতৃ জাতিৰ হাতত এক লাখকৈ টকা তুলি দিওঁ স্বামীয়ে মোক ভোট দিব, তেওঁলোকক নিদিয়ে । গতিকে তেওঁলোক ভোট বেংক হ'বই নোৱাৰে। দোৱাটোহে মোৰ লগত থাকিল।

----বিৰোধী পক্ষৰ পৰা বাদ বিবাদ ...

**মাননীয় উপাধ্যক্ষ ঃ** শ্বেৰমান আলি ডাঙৰীয়া প্লিছ বহক । মই আপোনাক ক'বলৈ সময় দিম । বহক এতিয়া । nothing will go on record , please seat down.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই ইয়াত মুখ্যমন্ত্ৰী হিচাপে উত্তৰ দি থকা নাই , বিধায়ক হিচাপে কৈ আছো। গতিকে লৰফৰ কৰি থাকিলে আমাৰ পৰা সময় যাব, এম এল এৰ সময় কটা যাব। বাইদেউয়ে ইয়াত ৰিপ্লাই দিব। মইতো ইয়াত ৰিপ্লাই দিয়া নাই । সেই কাৰণে মোক কাট-কুট নকৰিলে ভাল হ'ব নহ'লে মই ষ্ট'পৱাটছ লগাব ক'ম যে, এই সময়খিনি ৰখাই দিব। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত আমি কি কৰিব বিচাৰিছো যে নেক্সট লেভেল যিসকল মহিলাই দহ হাজাৰ টকাৰ সফল প্ৰয়োগ কৰিব তেওঁলোকক আমি ২৫০০০ হাজাৰকৈ টকা দিম । তাৰে ১২৫০০ টকা চাবচিডি হ'ব আৰু ১২৫০০ টকা লোন হ'ব। ভগবানে সহায় কৰিলে লাখপতি বাইদেউলৈকে আমাৰ সংকল্প আছে আমি আশা কৰিম যে আমি লাখপতি বাইদেউলৈকে লৈ যাম । মই এইবাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিছো যে, অহাবাৰ অসমত আহিলে আপুনি আমাৰ এক হাজাৰমান লাখপতি বাইদেউৰ লগত কথা পাতক। নাৰী শক্তিবন্দনৰ আমি এক নতুন কৰ্মসূচী হাতত লৈছো। উপাধ্যক্ষ মহোদয়, অৰুণোদয় আঁচনিখন আমি সকলোৰে জানো - আঁচনি ঘোষণা

কৰাটো আমাৰ উদ্দেশ্য নহয় - হিতাধিকাৰী সৃষ্টি কৰাটো আমাৰ উদ্দেশ্য নহয় তথাপি হিতৰ অধিকাৰী হ'লে আমি গৌৰৱ অনুভৱ কৰো ।- anybody who is become empowerment through benefit --- হিতৰ অধিকাৰী ইমান সুৰলা অৰ্থ - আমিতো হিতাধিকাৰী সন্মিলন পাতিলো - কিয় ? হিতৰ অধিকাৰীত কৈতো ডাঙৰ কথা একো নাই । কিছুমানে আন্দোলনৰ অধিকাৰী কৰে - কিন্তু আমি হিতৰহে অধিকাৰী কৰো, গতিকে হিতৰ অধিকাৰী- হিতাধিকাৰী- very sweet and good work - আৰু আমি সদায় ক'ব লাগে- তানা ফাৰকে বোলনা চাহিয়ে- আমি হিতাধিকাৰী সৃষ্টি কৰিছো। গৌৰৱেৰে ক'ব লাগে- যি নহওক অধ্যক্ষ মহোদয়, অৰুণোদয়, মধ্যপ্ৰদেশত- লাডলী লক্ষ্মী, কৰ্ণাটক- লাডলী বেহেন, কৰ্ণাটকত কংগ্ৰেছ চৰকাৰ । every one is drawing inspiration from the Assam's Arunodoy model -এতিয়া আমি অৰুণোদয়ক এটা নতুন পৰ্য্যায়লৈ লৈ যাব খুজিছো। বিশ্বনাথ জিলা, চৰাইদেউ জিলাৰ বিধায়কসকলে বাজেট পঢ়ি থাকোতে বস্তুটো বুজি পোৱা নাই। এতিয়া মই বুজাব বিচাৰিছো যে বিশ্বনাথ আৰু চৰাইদেউ জিলাত এইবাৰ পাইলট বেচিচত কৰিম। এইবাৰ আমি হিতাধিকাৰী হাজাৰত নাযাও - যাৰ যাৰ ৰেশ্যন কাৰ্ড আছে সকলোকে আমি অৰুণোদয় দিম । তাৰ মানে কি হ'ল এটা পৰিয়ালে ৰেশ্যন কাৰ্ড পালে , এটা পৰিয়ালে অৰুণোদয় পালে, এটা পৰিয়ালে প্ৰধান মন্ত্ৰীৰ আয়ুস্মান যোজনা পালে । মুখ্যমন্ত্ৰীৰ আয়ুস্মান অসম পালে - এটা পৰিয়ালে উজ্বলা গেছ পালে- উজ্বলা গেছ মানে ৩০০ টকা প্ৰতি মাহত গেছ কিনোতে বিনামূলীয়া । এতিয়া আমি তাক আৰু অলপ আগুৱাব খুজিচো । এইবাৰ আমি প্ৰধানমন্ত্ৰীৰ দুটা সুৰক্ষা বীমা যোজনা- এটা এক্সিডেন্ট আৰু এটা ডেথ । পৰিয়ালটোক এই দুটা বেনিফিটৰ সৈতেও জড়িত কৰাব খুজিছো । এটলিষ্ট পৰিয়ালটোৰ ব্ৰেথ আৰ্নিঙ মেম্বাৰজন- The breath earning members of the community সেই কাৰণে কোনোবাই কয় যে পুৰণি বটলত পানী - আমাৰ বটলটো পুৰণা থাকে পানীটো ফ্ৰেছ আহি থাকে। কাৰণ বটলটো ৰেজটেছ কৰিব নাপায়। এই অসমীয়া ফঁকৰা যোজনাবিলাক যিয়ে বনাইছিল ভালেই বনাইছিল, কিন্তু আন্দোলনৰ পিছত ফঁকৰা যোজনাখিনি বেয়া হৈ গ'ল। যেতিয়া ডাঁকৰ বচন আছিল তেতিয়া শুদ্ধ আছিল। বটলটো পেলাব নোৱাৰে নহয় পৰিবেশতন্ত্ৰৰ সমস্যা হৈ যাব। গতিকে বটলতো কেতিয়াও ডিছপোজ নকৰিব। বটলটোত নতুন পানী ঢালি থাকিব। গতিকে পুৰণি বটলত নতুন পানী , আৰু সেই কাৰণে পুৰনা অৰুণোদয় নাথাকে প্ৰতি বছৰে তাত নতুন পানী আহি থাকিব। এইটোয়ে হ'ল নতুন অসম। অৰুণোদয় আঁচনি আগবাঢ়ি গ'ল। মাননীয় অধ্যক্ষ মহোদয়, মাইক্ৰ' ফাইনেন্সৰ জৰিয়তে আজি আমি এটা এটাকৈ শ্লেৰ কৰি কৰি কেতিয়াবা প্ৰশ্ন হয় যে মাইক্ৰ' ফাইন্সেত নাপালেই - যে তাত দুটা পাৰ্থক্য আছে ।

মাননীয় উপাধ্যক্ষ মহোদয়, মাইক্ৰ' ফাইনেঞ্চৰ জৰিয়তে আজি আমি এটা এটাকৈ শ্লেপ কৰিম। কেতিয়াবা প্ৰশ্ন হয় মাইক্ৰ' ফাইনেঞ্চত নাপালে। ইয়াত দুটা পাৰ্থক্য আছে, সদায় মাইক্ৰ' ফাইনেঞ্চৰ লোণ থকা মানুহখিনিক দিব খোজা নাই। ২০২১ চনৰ মে' মাহৰ আগলৈকে ঋণ লোৱা মানুহখিনি এই আঁচনিৰ হিতাধিকাৰী। তাত আমি ১১,৯৩৬২৬ জন মানুহক দিছো। কেতিয়াবা মাননীয় বিধায়ক সকলে নাম, ঠিকনাসহ সুধিব লাগে। তেতিয়া আমি সঁচা কৈছো নে মিছা কৈছো ওলাব। অহাবাৰ ৫০০০০ টকালৈকে ঋণ লোৱা মহিলা সকলক ঋণ ৰেহাই দিম আৰু এনেকৈ আগুৱাই গৈ থাকিম। কিন্তু আমাৰ টাৰ্গেট ডেট হ'ল ২০২১ চনৰ মে' মাহৰ আগলৈকে । ........ Interruption..........

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া আপুনি বহক, এনেকৈ নহয়। Nothing

will go on record.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ.** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো কি অভ্যাস মই নাজানো। কিন্তু আমাৰ পৰা বাৰ হাজাৰ পাঁচ শ কোটি টকা লোৱাৰ বেংকৰ সাহস আছে নেকি ? আমি মহিলা সকলক ঋণ মুক্ত বুলি এন অ' চি দিম। টকাত নাযাব। আমি................ Interruption..........

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ডিবেটত অংশ লৈ আছে। আপোনাৰ সময়ত আপুনি ক'ব। আপোনাক সময় দিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ.** মাননীয় উপাধ্যক্ষ মহোদয়, এইবিলাক সুধি থাকোতে পিছত ২০২৬ ৰ নিৰ্বাচনত বাকচত বস্তুৱেই নোহোৱা হৈ যাব। লাইভত চাই আছে, আপুনি এনেকুৱা কৰিলে মহিলা সকলে বেয়া পাব। আপোনাক মই কটন কলেজৰ জুনিয়ৰ হিচাবে কৈছো যে ৰাইজৰ ভাল কথা কৈ থাকোতে মনে মনে শুনি থাকিব লাগে। কংগ্ৰেছ দলৰ সদস্য সকলক চাওঁক। বেয়া কথা ক'লে জপিয়াই থাকিব লাগে। নহ'লে মানুহে ক'ব আমাৰ লোনৰ কথা কৈছে, মানুহজনে চিঞৰিৱেই থাকিলে, শুনিব নিদিলে। মহিলা সকলে বেয়া পাব আৰু তেতিয়া ভোট ভাঙি যাব। ইয়াৰ পিচত আহিল মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম। ১০৪০০০ ল'ৰা-ছোৱালীয়ে আবেদন কৰিছে আৰু ২ লাখ টকাকৈ আমি দিম। ১ লাখ টকা চাব-চিডি হিচাবে দিম ঘূৰাই দিব নালাগে। বাকী ১ লাখ টকা ৫ বছৰৰ পিছত তাকো ৫ বছৰৰ ভিতৰত অৰ্থাৎ ১০ বছৰত ঘূৰাই দিব। কোনোবাই ক'ব টকাটো এনেই বিলাই দিম নেকি ? সেইটো নহয় তেওঁলোকক বাঁচনি কৰাৰ পিচত এণ্টাৰপ্ৰিনাৰশ্বিপৰ ট্ৰেইনিং দিম। ভাৰতৰ বিভিন্ন প্ৰতিষ্ঠানত আমি তেওঁলোকক লৈ যাম আৰু এজন এজন হিতাধিকাৰীৰ লগত এজন এজন মেণ্টৰ থাকিব। আমাৰ উদ্দেশ্য হৈছে ২ লাখ টকা খৰচ কৰাৰ পিছত ল'ৰা জনে যাতে প্ৰধান মন্ত্ৰীৰ মুদ্ৰা আঁচনিৰ অধীনত আৰু ধন ল'ব পাৰে। এই আঁচনিখন আমি এতিয়া স্থায়ী কৰিব বিচাৰিছো। যাতে প্ৰত্যেক বছৰে অন্তঃত ৫০০০০ হিতাধিকাৰী এই আঁচনিৰ অধীনত কৰি গৈ থাকিব পাৰো। এইটো কেৱল এবাৰৰ বাবে নহয়। ইয়াত দুটা ভাগ আছে। এইবাৰ আমি সিদ্ধান্ত লৈছো যে যিসকলে ইঞ্জিনিয়াৰিং, কৃষি, পশু চিকিৎসা পাচ কৰিছে , তেওঁলোকেক ৫ লাখ টকাকৈ দিম আৰু বাকী সকলে ২ লাখ টকাকৈ পাব। ৫ লাখ টকাৰ আঢ়ৈ লাখ লোণ অহা ১০ বছৰৰ ভিতৰত ঘূৰাই দিব লাগিব। প্ৰথম ৫ লাখ টকা পোৱা সকলক অহা ১০ মাৰ্চত পুঁজি দি দিব খুজিছো। বাজেট নিয়ম মতে প্ৰথম এপ্ৰিলৰ পৰা আৰম্ভ হয়। আমি এপ্ৰিল মাহলৈ ৰখাই নাই। মাৰ্চৰ পৰাই আৰম্ভ কৰিছো। ................ Interruption.......... কি কৈছে তেখেতেহে বুজি পাইছে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া, কথা শুনিবলৈ ধৈৰ্য্য থাকিব লাগে। আপোনাৰ সময়ত আপুনি ক'ব। আপোনাক সময় দিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ................ Interruption.......... কি কৈছে তেখেতেহে বুজি পাইছে। মানুহে একো নোখোৱাকৈ নিচা লাগে নেকি ? মদ খাই নিচা লগা মানুহৰ কথা শুনিছো। কিন্তু কথা শুনি নিচা লগাতো শুনা নাই। মোৰ কথাত নিশ্চয় কিবা অমৃত আছে। ১ লাখ নিযুক্তিৰ কেতিয়া হ'ব বুলি প্ৰশ্ন কৰিছিল। এতিয়া চাওঁতে চাওঁতে অসমত ৯৪ হাজাৰ ৫ শ ৬ জনক নিযুক্তি দিছো। নিযুক্তি দিয়াটো ডাঙৰ কথা নহয়, কিন্তু এটাও কোৰ্ট কেচ হোৱা নাই। কোনোবা ডাঙৰ চৰকাৰে হয়তো ৫ লাখো নিযুক্তি দিব। কিন্তু টেটৰ নিযুক্তি, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি আৰু আৰক্ষীৰ নিযুক্তিত যি ধৰণৰ স্বচ্চতাৰ নিযুক্তি দিয়া হৈছে, তাত এটাও কোৰ্ট কেচ নাই। অহা ১৬ তাৰিখে এচি এচ ত নিযুক্তি দিয়া হ'ব। তেতিয়া ৯৪ হাজাৰটো

৯৫ হাজাৰ হ'ব। সদনক জনাবলৈ পাই সুখী হৈছো যে ইয়াত এটাও কোৰ্ট কেচ নাই। লোকসকলক উত্তেজিত কৰিবলৈ কিমান চেষ্টা কৰা হৈছিল। ৰেটিং লিষ্ট, ডাবল এপয়ণ্টমেণ্ট আদিক লৈ কেচ কৰিবলৈ কিমান উত্তেজিত কৰা হৈছিল। কিন্তু কোনেও কেচ নকৰিলে। যোৱাবাৰ যিখিনি ল'ৰা-ছোৱালীয়ে আবেদন কৰা নাছিল এইবাৰ যেতিয়া আমি নতুনকৈ বিজ্ঞাপন দিলো তেওঁলোকে এইবাৰ আবেদন কৰিছে আৰু নতুন আবেদনকাৰীৰ সংখ্যাও বাঢ়িছে। তেওঁলোকৰ আস্থা ঘূৰি আহিছে। ব্যক্তিগত খণ্ডত কাম কৰা কৰ্মচাৰী সকল যিসকল নিবনুৱা নহয়, তেওঁলোকে এতিয়া নতুনকৈ আবেদন কৰিছে। তেওঁলোকৰ বিশ্বাস আছে যে এইখন চৰকাৰক চাকৰিৰ নামত কোনেও টকা নলয়। আমি আৰু অলপ আগুৱাই গৈছো, যাক চৰকাৰী চাকৰিৰ গণতান্ত্ৰিকৰণ বুলি কোৱা হয়। এখন ঘৰত তিনি জনৰ চৰকাৰী চাকৰি আছে। কিন্তু কাষৰ ঘৰখনত এটাও চৰকাৰী চাকৰি নাই। কিন্তু নম্বৰৰ ব্যৱধান এক বা দুই নম্বৰ। আজি আমি সিদ্ধান্ত লৈছো তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ বাবে চৰকাৰী চাকৰি নথকা পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে অন্তঃত ৫ শতাংশ আমি এডভাণ্টেজ দিম। অসম চৰকাৰে চৰকাৰী চাকৰিৰ গণতান্ত্ৰিক কৰণ কৰিবৰ বাবে নতুন সিদ্ধান্ত হাতত লৈছে। অসম মালাৰ আঁচনি অহা বছৰৰ বাবে ঘোষণা কৰা হৈছে। কিন্তু কালিয়েই আমি কেবিনেটত গোটেইকেইখন আঁচনিৰ অনুমোদন জনালো Model Code of Conduct ৰ ভিতৰতে যাতে ঠিকাদাৰ সকলে কাম আৰম্ভ কৰিব পাৰে। আমি ২০ তাৰিখৰ আগতে ৱৰ্ক অৰ্ডাৰ দি দিম। যাতে বানপানীৰ সময়ত ক্ষতি কৰিব নালাগে। আগতে এনেকৈ কেতিয়াও হোৱা নাছিল। বিত্তমন্ত্ৰী মহোদয়াই এপ্ৰিল মাহৰ বাবে বাজেট ঘোষণা কৰিছে। কিন্তু আমি কাম হাতত ল'লোৱেই। আজি অসম মালাৰ আঁচনি, অমৃত কালৰ প্ৰকল্প আদিৰ দ্বাৰা নতুন অসম হ'বলৈ ওলাইছে। গুৱাহাটীৰ ৰিং ৰোড, কাজিৰঙাৰ এলিভেটেট কৰিড'ৰ, ধলা শদিয়াৰ দলং, বগীবিল তাৰ পৰা অলপ আগুৱাই আহিলে মাজুলীৰ পৰা যোৰহাটলৈ আৰু মাজুলীৰ পৰা চেলেক ধুনাগুৰিৰে বিহপুৰীয়ালৈ কৰা হৈছে। ঘূণাসুঁতিৰ ওপৰত দলং নিৰ্মাণ কৰা হৈছে। আকৌ অলপ আগলৈ আহি গহপুৰৰ মাজত তলেৰে দলং নিৰ্মাণ কৰা হৈছে। কাজিৰঙাত ওপৰেৰে দলং নিৰ্মাণ কৰা হৈছে। কলিয়াবৰৰ ওপৰত এখন দলং আছিল। এতিয়া আৰু এখন দলং নিৰ্মাণ কৰা হৈছে। সেই দিনাখন আহোতে মই ফটোও উঠি আহিছো। ................ Interruption.......... আপুনি চেণ্ট্ৰেলৰ লগত আছেতো। মই মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী জীৰ কথা কৈ আছো। তেওঁৰ গুণ-গান কৰি আছো। তেওঁ আমাৰ সৰ্বোচ্চ নেতা। মোদীজী থাকিলেহে আমি আছো। সেয়েহে মোদীজীৰ বন্দন কৰিলে আমাৰ বন্দন কৰিব নালাগে। মোদীজীক ধন্যবাদ দিয়াৰ বাবে ধন্যবাদ জনাইছো। বিধায়িনী দলত এটা প্ৰস্তাৱ লৈ লওঁক। মই সাংবাদিকক কৈছিলো ২০ শতাংশ আছে। কিন্তু এতিয়া দেখিলো যে মনে মনে মোদী জীৰ লগত এশ শতাংশ আছে। এতিয়া মোৰ মনত এটা প্ৰেৰণা জাগিছে যে দৰং আৰু মৰিগাওঁৰ মাজতো দলং বনাব পাৰি নেকি? আমাৰ মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই নগাওঁৰ পৰা শোণিতপুৰলৈ মানুহ পঠিয়ায়। মই দলঙেই বনাই দিব বিচাৰিছো যাতে কষ্ট কৰি মানুহ পঠিয়াব নালাগে। নাৰেঙ্গীৰ কুৰুৱাতো দলং নিৰ্মাণ কৰা হ'ব। আগতে তাত দলং নহ'ব বুলি কৈছিল কিন্তু টেণ্ডাৰ ওলাই গ'ল। গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটীৰ দলঙৰ এই কেইদিনৰ ভিতৰতে এটা অংশ খুলিব। ব্ৰহ্মপুত্ৰৰ ওপৰত শৰাইঘাটত দুখন দলং আছিলেই। এতিয়া আকৌ ৰেল দলং নিৰ্মাণ কৰা হ'ব। বিৰোধীৰ পৰা শুনিলে অলপ কষ্ট হয়। কিন্তু অসমৰ কাৰণে ভাল পাব। ................ Interruption.........আমি এনেকৈ নৰেন্দ্ৰ মোদী জী বুলি কৈয়েই থাকো। এতিয়া অলপ কৈয়েই দিওঁ। (শাসক দলৰ সদস্য সকলে 'মোদী জী, মোদী জী' বুলি শ্লোগান দিয়ে।) তাৰ পিছত পলাশবাৰী

আৰু শুৱাকুছিৰ মাজত দলং হ'ব। এল এন টি য়ে ৱৰ্ক অৰ্ডাৰ পাই গ'ল আৰু কাম আৰম্ভ হ'ল। তাৰ পিছত ফুলবাৰী ব্ৰহ্মপুত্ৰৰ দ্বিতীয়খন দলং হ'ব। মাজৰ যিটো gap, তাৰ ভিতৰত জলজলি আহি গ'ল, ৰেকিবুদ্দিনে ক'লে। আমি এই ধৰণে আগুৱাই গৈ আছো। বৰাক উপত্যকাৰ দলুত ইমান দিনে Airport নহয় বুলি কৈ আছিল, কিন্তু এতিয়া ভাৰত চৰকাৰে প্ৰথম স্তৰৰ Dolu Airport ৰ বাবে অনুমোদন দি দিলে। আমি কাকো পিছ পেলাই থোৱা নাই। আগলৈ গৈ মোৰ আৰু এখন দলঙৰ কল্পনা আছে। বিধান সভাত প্ৰশ্ন আহিছে। গোলকগঞ্জ সমষ্টিৰ টামাৰহাটৰ ওপৰতো মোৰ ডাঙৰ ডাঙৰ কল্পনা আছে। পাগলাদিয়া নদীৰ ওপৰৰ দলঙৰ কথা জলেন দৈমাৰীয়ে ক'লে। তাত আমি এখন দলং উদ্বোধন কৰিলো। দুখন দলঙৰ কাম এতিয়া চলি আছে। বৰাক উপত্যকাৰ শিলচৰ চহৰৰ বাবে ডাঙৰ পৰিকল্পনা এটা কৰিছো, কি হয় ক'ব নোৱাৰো। অহা ১ মাৰ্চত বৰাক উপত্যকাৰ কাছাৰত গৈ কেঞ্চাৰ হস্পিতালখন আমি উদ্বোধন কৰিম। কৰিমগঞ্জত মেডিকেল কলেজ কৰা হৈছে। হাইলাকান্দিতো হ'ব।

উপাধ্যক্ষ মহোদয়, বানপানীৰ বাবে আমি এইবাৰ নতুন প্ৰয়োগ এটা কৰিব বিচাৰিছো। আমি মথাউৰি বনাই আছো, মথাউৰিৰ ওপৰত ৰাস্তা বনাই আছো। North East Satellite Application Centre (NESAC) যিটো অমিত শ্বাহ ডাঙৰীয়াই অধ্যক্ষতা কৰে, তেওঁলোকে আমাক কৈছিল যে ব্ৰহ্মপুত্ৰৰ কাষত বহুত wetland আছে আৰু এই wetland বোৰক যদি আমি ৩ মাহৰ বাবে water reservoir কৰিব পাৰো। ব্ৰহ্মপুত্ৰ নদী আছে, আমি চাৰণ বিললৈকে পানী channelize কৰি লৈ গৈ বানপানীৰ সময়ত পানীখিনি ৰাখি দিব পাৰো। এইবাৰ আমি দীপৰ বিলত পানী সম্পূৰ্ণ আৱদ্ধ কৰি থৈছো। আপোনালোকে গ'লে দেখিব। পুৰণি পানীৰ ঠাইত নতুন পানী আহিলে মাছ-কাছয়ো অক্সিজেন পালে আৰু artificial reservoir এটাও হ'ল। বানপানী যোৱাৰ পিছত শ্লুইছ গেটেৰে আমি পানীটো খুলি দিম। আমি এই কামটো উজনিত কৰিব নোৱাৰিম, কাৰণ উজনিত নদীয়ে মাটি লৈ আহে। কিন্তু নামনিৰ ফালে মাটিটো কমি কমি গৈ থাকে। এই ক্ষেত্ৰত আমি সফল হওঁ নে নহওঁ নাজানো, কিন্তু প্ৰথমবাৰৰ বাবে বানপানীৰ ওপৰতো, মথাউৰিৰ ওপৰতো গৈও, এটা বিকল্প চিন্তা অন্ততঃ এইখন চৰকাৰে কৰিছে।

উপাধ্যক্ষ মহোদয়, মই যেতিয়া মুখ্যমন্ত্ৰী আৱাস যোজনাৰ কথা কৈছিলো সেই মূহুৰ্তত আমাৰ ধাৰণা আছিল যে PMAY ৰ আঁচনিখনৰ সামৰণি পৰিব। কিন্তু, প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ৩ কোটি ঘৰ শেষ কৰি ২ কোটি ঘৰৰ বাবে আকৌ ঘোষণা কৰিলে। অসমে তাৰ ভাগ পাবই। ইয়াৰ লগত আমি মুখ্যমন্ত্ৰী আৱাস যোজনাৰ ঘৰ দিম। যিবোৰ দুখীয়া মানুহৰ নাম কিবা কাৰণত wait list ত সোমাই থকা নাই, সমষ্টিয়ে সমষ্টিয়ে ১০০০ কৰি হ'লেও আমি দুখীয়া মানুহক মুখ্যমন্ত্ৰী আৱাস যোজনাৰ ঘৰ দিব পাৰিম। ইয়াৰ বাবে আমি কাম হাতত লৈছো।

উপাধ্যক্ষ মহোদয়, আৰক্ষীৰ বাবে housing satisfaction খুবেই জৰুৰী। আৰক্ষীৰ ল'ৰা-ছোৱালীবোৰে সাধাৰণতে পিতৃৰ মৰম নাপায়েই। তেওঁলোকে দিনে ৰাতিয়ে থানাত duty কৰোতে কৰোতে তেওঁলোকৰ কথাবিলাক এনে হৈ যায় যে সাধাৰণ মানুহৰ বাবে তেওঁলোকে গৰম মেজাজত কথা পাতে। আমি মানুহজনৰো কথা চিন্তা কৰিব লাগিব। তেওঁলোকে ৮ ঘণ্টা, ১৬ ঘণ্টা, ২৪ ঘণ্টা duty কৰিবলগীয়া হয়। ফলত পিতৃৰ মৰম তেওঁলোকে তেওঁলোকৰ সন্তানক দিব নোৱাৰে। আমি এইবাৰ আৰক্ষীৰ housing satisfaction বঢ়াব বিচাৰিছো। প্ৰথমবাৰত আমি ২০০০ Quarter বনাব বিচাৰিছো, ১০,০০০ বনোৱা আমাৰ লক্ষ্য। আপোনালোকে বাহিৰত পুলিচবোৰ চাব, তেওঁলোক ডেকা ল'ৰা। দেখিলে মৰম লাগি যায়। আগৰ পুলিচৰ লগত এতিয়াৰ

পুলিচ নিমিলে। ৫ বছৰত সম্পূৰ্ণকৈ generation change আহি যাব। আজিকালিৰ S.I. বোৰ দেখিলে এনেকুৱা লাগে যেন মোৰেই ল'ৰা-ছোৱালী। তেওঁলোকৰ বাবে আমি ঘৰ বনাব বিচাৰিছো যাতে বিয়া হৈ তেওঁলোক অন্ততঃ 2 BHK ঘৰত থাকিব পাৰে। নিজে নিজে পৰিৱৰ্তন হ'ব। সংস্কাৰ কৰাৰ বাবে অকল গালি গালাজ, suspension য়েই যথেষ্ট নহয়। আমি চাফাই কৰ্মচাৰীৰ বাবেও ঘৰ বনাব বিচাৰিছো। মুঠ ১ হাজাৰ ঘৰৰ এই বছৰত আমি ২৫০ ঘৰ বনাম।

চাহ-বাগিচা আৰু আদিবাসী মানুহৰ বাবে যিমান চিন্তা হ'ব লাগিছিল, সিমান চিন্তা নহ'ল। তেওঁলোকৰ electrcity bill ৰ কথাটো আছেই। এইবাৰ আমি মিছন বসুন্ধৰাত চাহ-বাগিচা আৰু আদিবাসী লোকসকলৰ বাবে ৩ টা generation ৰ কাগজ নোসোধো, তেওঁলোকক আমি আৱণ্টন দি দিম। আমি তেওঁলোকৰ দিন বাৰ এই কাৰণেই চাব বিচৰা নাই, কাৰণ তেওঁলোকক ব্ৰিটিছে কেতিয়া লৈ আহিছিল, তেওঁলোকে নিজেও নাজানে...interruptions.. মিঞাৰ অৱস্থাটো ভাল। মাতব্বৰৰ কামটো কৰিব দিয়ক stage by stage। আপোনালোকে মিঞা নামটো লৈ ল'লে। গতিকে মোৰ সুবিধাই হৈ গ'ল। কোনো অসুবিধাই নাই। উপাধ্যক্ষ মহোদয়, মিছন বসুন্ধৰাত আমি গোৰ্খা মানুহখিনিক তিনিটা প্ৰজন্মৰ কাগজ নিবিচৰাকৈয়ে মাটি আৱণ্টন দিব বিচাৰিছো। শদিয়াত বহুত মানুহে পোৱা নাই। গোৰ্খা মানুহখিনিয়ে খুঁটিত কাম কৰিছিল। ব্ৰহ্মপুত্ৰৰ পানী আহিলে ইটো খুঁটিৰ পৰা গৈ আনটো পায়। তেওঁলোকে কাগজ-পত্ৰ ক'তো ৰাখিব নাজানিছিল। সেয়েহে, মিছন বসুন্ধৰা-৩ ত এই দুয়োটা জনগোষ্ঠীক কাগজ-পত্ৰ নিবিচৰাকৈয়ে আগুৱাই লৈ যাব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, Tribal Belt & Block হ'ল। Belt & Block বুলি ক'লে এটা ডাঙৰ অঞ্চল বুজায়। কিন্তু, ১০০% ট্ৰাইবেল মানুহ থকা গাঁও বহুত আছে। গাঁওবোৰক আমি যদি এতিয়াই বেল্ট বনাই নলওঁ, তাত কিন্তু non-tribal মানুহ সোমাব। সেইকাৰণে মই ৰণোজ পেগু ডাঙৰীয়া, ট্ৰাইবেল সংঘ আহোতে তেওঁলোকক কৈছো যে ১০০% ট্ৰাইবেল গাঁওবোৰক আপোনালোকে Belt & Block লৈ convert কৰি দিয়ক। ইয়াৰ বাহিৰে বিকল্প নাই। ডাঙৰ এলেকা Belt & Block কৰিবলৈ গ'লে তাত সমস্যা থাকে, protected class লাগে। কিন্তু ১০০% ট্ৰাইবেল থকা গাঁও এখন যদি Belt & Block কৰি দিওঁ, তেন্তে তাত আমাক protected class ও নালাগে। মই অসম বিধান সভাৰ সন্মানীয় জনজাতীয় বিধায়কসকলক অনুৰোধ কৰিম যে আপোনালোকৰ সমষ্টিৰ ১০০% ট্ৰাইবেল গাওঁবোৰৰ নাম আমাক দিয়ক। আমি সেইবোৰক Belt & Block লৈ convert কৰি দিম যাতে তাত কেতিয়াও অনা জনজাতীয় লোক যাব নোৱাৰে। এনেকৈয়ে আমি জনজাতীয়সকলৰ মাটি ৰক্ষা কৰিব পাৰিম। উপাধ্যক্ষ মহোদয়, গোপীনাথ বৰদলৈৰ অসমৰ প্ৰতি contribution আছিল Tribal Belt & Block আৰু আমাৰ প্ৰজন্মৰ contribution হ'ব Heritage Belt & Block। নাৰায়ণপুৰত মাধৱদেৱৰ জন্ম হৈছিল, বটদ্ৰৱাত শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল। বৰপেটা মাধৱদেৱৰ কৰ্মভূমি আছিল আৰু মাজুলী অসমৰ বৈষ্ণৱ পৰম্পৰাৰ এক কেন্দ্ৰভূমি। দুয়োজনা গুৰুৰ মিলনভূমি। এই চাৰিওটা অঞ্চলত আমি heritage belt and block কৰিব খুজিছো যাতে গুৰুজনাৰ সংস্কৃতিটো তাত আমি ৰক্ষা কৰিব পাৰো। অকল খিলঞ্জীয়ালোকেহে তাত বসবাস কৰিব পাৰিব।---interruption----

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, উত্তৰৰ কাৰণে অলপ সময় ৰাখিব লাগিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** माननीय উপাধ্যক্ষ মহোদয়, মই এক মিনিটত শেষ কৰিম। আমি Film Industry, সমষ্টিৰ বিধায়কসকলে অকণমান চেষ্টা কৰক নিজৰ নিজৰ সমষ্টিত যাতে এটা ভাল Film Studio হ'ব লাগে। ৫০ লাখ টকা আমি দিম আৰু বিধায়ক পুঁজিৰ পৰাও তাত দিব পাৰিব। NGO ও বনাব পাৰিব, club য়েও বনাব পাৰিব বা কোনোবাই ব্যক্তিগতভাৱেও বনাব পাৰিব। লাগিলে মই পাছত আৰু ১০-৫ লাখ টকা দি দিম। ১২৬ টা সমষ্টিত যদি আমি কৰি ল'ব পাৰো তেনেহ'লে অসমীয়া চিনেমা সদায় আগবাঢ়ি যাব। উপাধ্যক্ষ মহোদয়, ইমানবিলাক কাম কৰা পাছতো ১,৪৩,০০০ কোটি টকাৰ বাজেট। তাৰ পিছতো এটকাও কোনেও tax লগোৱা নাই। কোনো কৰ কাটল নাই। গতিকে নাৰী শক্তিৰ বন্দন আৰু নাৰী শক্তিয়ে অসমখনক আগুৱাই লৈ যাওক তাৰে কামনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বি জে পি ৰ বিধায়ক সকলৰ সময় আৰু নাই। তেখেতসকলে ক'ব নোৱাৰিব। কংগ্ৰেছৰ ১৮ মিনিট, এ জি পি ৰ ১০ মিনিট, এ আই ইউ ডি এফ ৰ ৬ মিনিট আৰু ইউ পি পি এল ৰ ৯ মিনিট, বি পি এফৰ ১০ মিনিট আৰু independent ৰ ৩.৫ মিনিট। গতিকে পাৰে যদি অলপ কমাই কমাই ল'লে ভাল কাৰণ উত্তৰটোও ল'ব লাগিব। উত্তৰৰ কাৰণে ২২ মিনিট আছে। Next speaker Shri Wazed Ali Choudhury.আপোনালোকৰ দলৰ মাত্ৰ ১৮ মিনিট সময় আছে আৰু তিনি জন বক্তা আছে। গতিকে ৪-৫ মিনিটকৈ মিলাই লওক।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা )ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে submit কৰা এই বছৰৰ পূৰ্ণাঙ্গ বাজেটখন হতাশজনক। এইখন এখন সপোন দেখুওৱা সীমিত বাজেট। এই বাজেটখনত আমাৰ কিছু জ্বলন্ত সমস্যা এই বাজেটৰ দ্বাৰা সমাধান কৰিব লাগিছিল। কিন্তু এইটো আমি বাজেটখনত দেখা নাপালো। শিক্ষা বিভাগৰ যেতিয়া ভেঞ্চাৰ স্কুল বিলাক চৰকাৰীকৰণ কৰা হ'ল, চৰকাৰীকৰণ কৰাৰ নামত অকল শিক্ষকসকলক অন্য স্কুলত attachment দিয়া হ'ল। যাৰ ফলত কেইবা হাজাৰ স্কুল বন্ধ কৰি দিয়া হ'ল। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে ২০০৩ চনত চৰ এৰিয়াৰ এটা চাৰ্ভে হৈছিল। এই চাৰ্ভেত দেখা গৈছিল যে চৰৰ শিক্ষাৰ হাৰ আছিল মাত্ৰ ১৯ শতাংশ আৰু চৰৰ মহিলাৰ শিক্ষাৰ হাৰ আছিল মাত্ৰ ৩ শতাংশ। এটা দুখলগা অৱস্থাত আছিল। সেই সময়ত সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে হওক বা ভেঞ্চাৰ স্কুল যিবিলাক আছিল চৰ -চাপৰিত, তেওঁলোকৰ জৰিয়তে শিক্ষাৰ হাৰ বঢ়াবলৈ যি প্ৰচেষ্টা সেই সময়ৰ চৰকাৰৰ পৰা লোৱা হৈছিল, কিছু হয়তো বাঢ়িছে। কিন্তু এতিয়াও চৰ অঞ্চলৰ শিক্ষাৰ হাৰ আৰু অসমৰ অন্য অঞ্চলৰ শিক্ষাৰ হাৰ সমপৰ্য্যায়িৰ হোৱা নাই। শিক্ষা প্ৰতিষ্ঠানৰ এতিয়াও যথেষ্ঠ অভাৱ। এল পি স্কুল, এম ই স্কুল, হাই স্কুল, হায়াৰ চেকেণ্ডাৰী স্কুল, কলেজ এইবিলাকৰ এতিয়াও বহুত অভাৱ। কিন্তু এই অভাৱ দুৰ কৰাৰ ক্ষেত্ৰত ভেঞ্চাৰ স্কুল বিলাকে অলপ সহায় কৰিছিল। কিন্তু ভেঞ্চাৰ স্কুল লোৱা বন্ধ কৰা হ'ল। ভৱিষ্যতে আৰু নল'ব বুলি চৰকাৰে ঘোষণা কৰিছে। কিন্তু আমি ভাৱো যে এই চৰ- চাপৰিৰ শিক্ষাৰ হাৰ যদি বঢ়াব লাগে তেনেহ'লে ভেঞ্চাৰ স্কুল চৰকাৰীকৰণ কৰিব লাগিব নহ'লে প্ৰাথমিক বিদ্যালয় বা middle school, হাই স্কুল, হায়াৰ চেকেণ্ডাৰী স্কুল, চৰ অঞ্চলত প্ৰতিষ্ঠা কৰিব লাগিব।তেতিয়াহে আমাৰ শিক্ষাৰ হাৰ গোটেই অসমৰ লগত সমপৰ্য্যায়ত আহিব পাৰিব। উপাধ্যক্ষ মহোদয়, এতিয়া চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে যে কোনো ভেঞ্চাৰ

স্কুলক চৰকাৰীকৰণ কৰা নহ'ব তথাপিও দেখা গৈছে যে এতিয়াও বহুত ভেঞ্চাৰ স্কুল বিভিন্ন অঞ্চলত চলি আছে। তাত শিক্ষাদান চলি আছে, লৰা-ছোৱালী আছে। গতিকে এই ছাত্ৰ-ছাত্ৰী বিলাকে কিছুদিন আগলৈকেও Mid-Day-Meal পাইছিল। সেই Mid-Day-Meal ও বন্ধ কৰি দিয়া হ'ল। এইটো এটা অত্যন্ত দুৰ্ভাগ্যজনক কথা। ছাত্ৰ-ছাত্ৰী সকলে ক্লাচ কৰি আছে। তাত এতিয়াও সেই ভেঞ্চাৰ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে আশা কৰি আছে যে চৰকাৰে নিশ্চয় এদিন নহয় এদিন বিবেচনা কৰিব।

( Dr. Rafiqul Islam on the chair)

সভাপতি মহোদয়, আৰু এটা জ্বলন্ত সমস্যা হৈছে গৰাখহনীয়াৰ সমস্যা। গোটেই অসমত প্ৰতিজন বিধায়কে এই গৰাখহনীয়াৰ সমস্যা উত্থাপন কৰে। এই গৰাখহনীয়াৰ সমস্যাৰ কথা বাজেটত উত্থাপন কৰা নহ'ল। মথাউৰি নিৰ্মাণৰ কথা কোৱা হৈছে। সভাপতি মহোদয়, যদি গৰাখহনীয়া ৰোধ কৰিব নোৱাৰে, তেনেহ'লে মথাউৰি বনাই কি লাভ হ'ব? গতিকে গৰাখহনীয়া সমস্যাটোৰ ক্ষেত্ৰত বাজেটখনত কোনো ধৰণৰ তাত উল্লেখ কৰা নহ'ল। আৰু এটা ডাঙৰ বিভাগ আছে, কৃষি বিভাগ। আপুজিনে এই কৃষি বিভাগৰ ৮০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিৰ ক্ষেত্ৰত যিটো mechanisation পাৰ্টটো একেবাৰে দুৰ্বল। যিমান support পাব লাগিছিল,mechanisation ৰ ফালৰ পৰা সেই support টো কিন্তু পোৱা নাই আৰু এই বাজেটখনত তাক সমাধান কৰাৰ কোনো উল্লেখ আমি দেখা নাপালো। সময়ৰ অভাৱ, গতিকে মই সোনকালে শেষ কৰিব বিচাৰিছো। আৰু এটা বিভাগ আছে একেবাৰে সৰু বিভাগ চৰ উন্নয়ণ আৰু সংখ্যালঘু বিভাগ। প্ৰত্যেকটো বিভাগৰ বাজেট বাঢ়ে। প্ৰতিবছৰে বাঢ়ি আছে। কিন্তু এই বিভাগটোৰ বাজেট প্ৰতিবছৰে কমি কমি একেবাৰে নোহোৱা হৈ যোৱাৰ পথত। কি কাৰণে চৰকাৰৰ ফালৰ পৰা কোৱা হয় যে সবকা সাথ সবকা বিকাশ, এই বিভাগত অকল চৰৰ মানুহক, সংখ্যালঘু মানুহৰ কাম কৰে বুলি এই বিভাগটোক একেবাৰে নিচ্ছিন্ন কৰি দিছে। বাজেটটো একেবাৰে দিয়া হোৱা নাই।

আন এটা কথা, এই বাজেটখনত মূল্য নিয়ন্ত্ৰণ কৰি ৰাইজক সকাহ দিয়াৰ চেষ্টা কৰা হোৱা নাই। বাজেটখনত জ্বলন্ত সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কোনো লক্ষ্য নিৰ্দ্ধাৰণ নকৰাকৈ মাথোন সপোনহে দেখুওৱা হৈছে। সেয়েহে, এক কথাত ক'ব পৰা যায় যে এইখন এখন ৰাইজৰ স্বাৰ্থ ৰক্ষাৰ নহয় বৰং নিৰ্দ্দিষ্ট লক্ষ্যবিহীন সম্পূৰ্ণ বাজেট, ধন্যবাদ।

**সভাপতি, ( ড° ৰফিকুল ইছলাম)** ঃ ধন্যবাদ। এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য শ্ৰীপোনাকন বৰুৱা, ১০ মিনিট সময় আপোনাৰ।

**শ্ৰীপোনাকন বৰুৱা** ঃ মাননীয় সভাপতি মহোদয়, সুযোগ দিয়াৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। ১২ ফেব্ৰৱাৰীত বিত্তমন্ত্ৰী বাইদেউৱে যি বাজেট দাখিল কৰিলে সেই বাজেট জনকল্যাণকামী, ভৱিষ্যৎ দৰ্স্তা আৰু অসমক আগত লৈ যোৱাৰ কাৰণে এখন পূৰ্ণগতিৰ বাজেট। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বধীন এই চৰকাৰে এটা লক্ষ্য লৈছে যে আহি থকা সময়ত অসম খনত ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিব লাগিব। সেই যাত্ৰাত এই বাজেট এক বিশিষ্ট আলোক প্ৰতিমা বুলি আমি অনুভৱ কৰো। এই বাজেটে ৰাজ্য খনৰ কৃষি, স্বাস্থ্য, ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ, শিক্ষা সকলো দিশতে আমাৰ হৃদয়ক চুই যোৱা ধৰণে বাজেট খনৰ প্ৰতিটো বাক্য, প্ৰতিটো শব্দ উল্লেখ হৈছে। মোৰ সময় যিহেতু সীমিত সেইবাবে বিস্তৃতভাৱে সকলো দিশলৈ যাব খোজা নাই, মই দুটামান বিষয় চুই যাব বিচাৰিছো। এখন ৰাজ্যৰ বিকাশ, এখন সমাজত বিকাশ হ'বলৈ

সকলোধৰণৰ শিক্ষাৰ আৱশ্যকতা অপিহাৰ্য। শিক্ষাৰ বিকাশৰ কাৰণে আমাৰ চৰকাৰ খনে এই বাজেটত কেতবোৰ উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। তৃণমূল পৰ্যায়ৰ পৰা সমাজকল্যাণ বিভাগৰ জৰিয়তে অঙ্গনবাড়ী কেন্দ্ৰবোৰ নিৰ্মাণ কৰা হৈছে। আমাৰ যি বিলাক অঙ্গনবাড়ী কেন্দ্ৰ আছিল, পূৰ্বৰ যিটো কংগ্ৰেছ চৰকাৰৰ দিনত আছিল জুপুৰী ঘৰ সদৃশ, দুৰ্বল আন্টগাথনি, তাত শিশুৰ শাৰিৰীক আৰু মানসিক বিকাশৰ সম্ভৱে নহয় তাত পতনহে হ'ব। তেনেকুৱা গৃহত দিয়া সময়ছোৱাত আমাৰ শিশু সকলক তাত আমি লৈ গৈছিলো। সেই অঙ্গনবাড়ী কেন্দ্ৰ বিলাকলৈ অভিভাৱক সকলে নিজৰ শিশুক পঠাবলৈ অনিহাস প্ৰকাশ কৰে। ছাত্ৰ-ছাত্ৰী সকলে বেয়া পালে যাব নিবিছাৰে, শিশু সকলে তালৈ যাব নিবিচাৰে। কিন্তু এতিয়া আমাৰ চৰকাৰে ইয়াক আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰলৈ ৰূপান্তৰ কৰি এক সুন্দৰ গৃহ নিৰ্মাণ কৰিছে। চহৰ বিলাকত যি বিলাক খেল স্কুল আছে সেই খেলস্কুল বিলাকত ধুনীয়া আন্তঃগাঠনিৰে গৃহ বিলাক নিৰ্মাণ হৈছে। যোৱা ২০২৩ বৰ্ষত মোৰ চাবুৱা বিধান সভা সমষ্টিৰ পৰা আমি ১১ টাকৈ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছিলো, ৰাজ্যখনত হাজাৰ হাজাৰ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ হৈছে। মই গৌৰৱ অনুভৱ কৰিছো যে অঙ্গনবাড়ী কেন্দ্ৰ বিলাক নিৰ্মাণ কৰোতে আমি নিজে চোৱাচিতা কৰিছিলো আৰু ৰাজ্য চৰকাৰে অঙ্গনবাড়ী কেন্দ্ৰবোৰ চোৰচিতা কৰিবৰ কাৰণে গ্ৰেড চিচ্‌টেম কৰিছিল। সেই গ্ৰেডত আমি A+ পাবলৈ সক্ষম হৈছো। কাৰণ বিত্তমন্ত্ৰী মহোদয়াই সেই কথাটো জনাইছে। সেইকাৰণে মই গৌৰভ অনুভৱ কৰিছো। গতিকে শিশুৰ শাৰিৰীক আৰু মানসিক বিকাশ কৰিবৰ কাৰণে যি অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ তাৰ কাৰণে আমাৰ চৰকাৰ ধন্যবাদৰ পাত্ৰ। সভাপতি মহোদয়, ৰাজ্যত শিক্ষা বিস্তাৰৰ কাৰণে বিশেষকৈ নাৰী শিক্ষা সম্প্ৰসাৰণৰ কাৰণে আমাৰ চৰকাৰে নিযুত মইনা নামৰ এখন আঁচনি গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এতিয়া কথাখিনি কৈ গৈছে। যে উচ্চতৰ মাধ্যমিক, ডিগ্ৰী, পি জিৰ যি সকল ছাত্ৰী সেই সকলক আৰ্থিক ভাৱে উপকৃত কৰিব পৰাকৈ তেওঁ পৰিয়ালক টকা দিব পৰাকৈ তাত সুবিধা আগবঢ়োৱা হৈছে। এই ব্যৱস্থাই নাৰী শিক্ষাক সম্প্ৰসাৰণ কৰিব আৰু নাৰীক শিক্ষাৰ দিশত উদগণি যোগব। এইটো এটা অতুলনীয় পদক্ষেপ। এনেকুৱা সিদ্ধান্তই এনেকুৱা আঁচনি ভাৰতৰ কোনো ৰাজ্যতে কেতিয়াও হোৱা নাই। তালুকদাৰ দা আছে, তালুকদাৰ দাৰ requisite তেওঁ গৈ গৈ শাসন কৰা কোনো Communist ৰাজ্যতে হয়তো দেখা পোৱা নাযায়। তেখেতক মোবাইলত চাৰ্জ কৰিবৰ কাৰণে অনুৰোধ কৰিম কৰবাত যদি আছে। এই খন চৰকাৰে ৰাজ্যৰ শিক্ষা বিস্তাৰৰ কাৰণে আৰু বিভাগটোৱে ভাল পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰতিটো বিধান সভা সমষ্টিত দুখনকৈ, চাৰিখনকৈ স্কুল আধুনিকীকৰণ কৰিবৰ কাৰণে সকলো ধৰণৰ আন্তগাঠনি থাকিব পৰাকৈ নিৰ্মাণ কৰিবৰ কাৰণে ৮ কোটি টকাকৈ পুঁজি ধাৰ্য কৰিছে। আমাৰ বিদ্যালয় বিলাক যি সময়ত নিৰ্মাণ কৰা হৈছিল তেতিয়া পুঁজি খুৱ কম যোগান ধৰা হৈছিল। আমাৰ বিদ্যালয় বিলাক ৰাইজে গঠন কৰিছিল, চৰকাৰী হোৱাৰ পিছত অলপ চলপ পুঁজি আহিছিল কোনো ভাল বিদ্যালয় আমাৰ নাছিল, আন্তগাঠনি খুৱ দুৰ্বল। গতিকে আন্তগাঠনি দুৰ্বল বিদ্যালয় বিলাকক আগবঢ়াই নিবলৈ চৰকাৰে ৮ কোটি টকাকৈ পুঁজি ধাৰ্য কৰিছে। ৰাজ্যৰ অন্য ঠাইৰ লগতে মোৰ সমষ্টিতো দুখন বিদ্যালয় ইয়াত আহিছে, এখন বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বানীপ্ৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়। মই গৌৰৱ অনুভৱ কৰিছো, কিয় অনুভৱ কৰিছো যে মই নিজে অধ্যায়ণ কৰা বানীপ্ৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় এই শিতানত আহিছে। নাৰী শিক্ষা সম্প্ৰসাৰণৰ কাৰণে যি আঁচনি গ্ৰহণ কৰা হ'ল এই আঁচনি খনে অন্যান্য সকলৰ লগতে বিশেষকৈ আটাইতকৈ উপকৃত কৰিব পৰা অন্ধ বিশ্বাস, কুসংস্কাৰ, আদি কথা সংখ্যালঘু বসতি প্ৰধান অঞ্চল বিলাকত। য'ত নাৰী শিক্ষাৰ অভাৱ আছে। য'ত নাৰী সকলে শিক্ষা গ্ৰহণ

কৰিব পৰাকৈ ব্যস্ত নাই বা সমাজৰ পৰা বাধা আছে। গতিকে সেই বিলাক ঠাইত এই আঁচনি বিলাকে উপকৃত কৰিব। গতিকে আটাইতকৈ উপকৃত হ'ব সংখ্যালঘু বসতিকৰণ অঞ্চল বিলাক, আটাইতকৈ উপকৃত হ'ব চাহ বাগিছাৰ অঞ্চল বিলাক। গতিকে এই ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে মাননীয় বিত্তমন্ত্ৰী মহোদয়াক অসম চৰকাৰৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। আমাৰ চৰকাৰে যিহেতুকে মই ডিব্ৰুগড়ীয়া, সেই বাবে মই গৌৰৱ অনুভৱ কৰিছো, সুখী হৈছো যে ইয়াত অন্যান্য শিক্ষানুস্থানৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অহা তিনি বছৰ হলে ১০০ কোটি টকা পুঁজি ধাৰ্য কৰা হৈছে। গতিকে এই ব্যৱস্থাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ক আগবঢ়াই নিব আৰু উজনি বা অসমৰ যি সকল ছাত্ৰ-ছাত্ৰী তাত পঢ়ে সেই অঞ্চলৰ ৰাইজ, তেওঁলোক যথেষ্ট ভাৱে উপকৃত হ'ব। অন্য এটা গুৰুত্বপূৰ্ণ বিষয় চুই যাব খুজিছো যে আমাৰ চৰকাৰে ঘোষণা কৰিছিল দায়িত্ব গ্ৰহণ কৰাৰ সময়তে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ঘোষণা কৰিছিল যে ১ লাখ নিযুক্তি দিয়া হ'ব। অখিল গগৈ ডাঙৰীয়াই কথাবোৰ কলেও বেয়া পায়। অখিল গগৈ ডাঙৰীয়াই সম্ভৱ নহয় বুলি কৈছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো সম্ভৱ কৰি দেখুৱালে আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত এতিয়ালৈকে ৯৪ হাজাৰতকৈ অধিক লোকক স্বচ্ছ ভাৱে নিকা ভাৱে নিযুক্তি দিয়া সম্ভৱ কৰিলে। আৰু ৩৫ হাজাৰ নিবনুৱাক নিযুক্তি দিবলৈ এতিয়া আৰম্ভ হৈছে, খুৱ কম সময়ৰ ভিতৰতে নিযুক্তি হ'ব। অহা দুই এদিনৰ ভিতৰতে আৰু ৮০০/৯০০ নিবনুৱাই নিযুক্তি লাভ কৰিব। নিযুক্তি বিলাক খুৱ স্বচ্চতাৰে কৰা হৈছে, নিকা ভাৱে কৰা হৈছে, শৃংখলাবদ্ধ ভাৱে কৰা হৈছে। আজি পৰিৱেশ এনেকুৱা হৈছে আজি গাৱে-ভূৱে গলে মানুহ পঢ়াৰ পৰিৱেশত আহিছে চৰকাৰৰ ওপৰত আস্থা আৰু বিশ্বাস ঘুৰি আহিছে। এটা সময় আছিল যে নিযুক্তি বিলাক ৰাজনৈতিক ভাৱে হয়, আমাৰ লগত লাগি থকা লোক সকলক, আমাৰ লগত লাগি আছে কাৰণে নিবনুৱা সমস্যা সমধান কৰিবৰ কাৰণে আমি দায়িত্ব সাৰিবৰ কাৰণে নিযুক্তি দিছিল, কিন্তু সেই ব্যৱস্থা নাইকিয়া কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সু স্বচ্চতাৰে নিযুক্তিৰ ব্যৱস্থা বাহাল ৰাখিছে। মোৰ সমষ্টিত মোৰ দলৰ এগৰাকী মহিলা তেঁওৰ এগৰাকীয়ে ছোৱালী তৃতীয়, চতুৰ্থ বৰ্গৰ কাৰণে পৰীক্ষা দি চাকৰি লাভ কৰিব পৰা নাই, আমাক খুৱ গালি গালাজ কৰে যোৱা তিনি চাৰিমাহৰ আগত মই কথা পাতিছো, কথা পতাৰ পিছত উপলব্ধি কৰিলো কৈছে যে ছোৱালী পঢ়ি আছে। ছোৱালীয়ে ভাৱিলে যে নপঢ়িলে চাকৰি নহ'ব। গতিকে পঢ়িছে পৰীক্ষা দিবৰ কাৰণে পঢ়াশুনা কৰিছে। গতিকে এটা পৰিৱেশ ঘুৰি আহিছে। চৰকাৰৰ এটা আস্থা আৰু বিশ্বাসৰ বাতাবৰণ তৈয়াৰ হৈছে যে পঢ়িলে ভালকৈ পৰীক্ষা দিলে চাকৰি পাব। এইটো গেৰান্তী হৈছে। আজি গাৱে গাৱে নগৰে চহৰে খেল পথাৰ বিলাকত ৰাতিপুৱা দৌৰাৰ পৰিৱেশ আৰম্ভ হৈছে। যে পুলিচৰ পৰীক্ষা দিব লাগিব ভালকৈ দৌৰিলে ভালকৈ পাছ কৰিলে মই চাকৰিটো পাম। কিন্তু আগতে কি আছিল আমি নিজেই প্ৰত্যক্ষ কৰিছো, যে দৌৰে প্ৰথম হয়, লিষ্টত নামবোৰ লিখে শেষত গৈ তেওঁৰ নামটো গৈ নোলাই, যি দৌৰাই নাই, যিয়ে প্ৰতিযোগীতাত যোৱা নাই, পিছ ফালৰ পৰা তেওঁৰ নামটো প্ৰথমত আহি যায়, পিছত তেনেকুৱা ধৰণে নিযুক্তি পোৱা ঢেৰ উদাহৰণ আছে। গতিকে এতিয়া গোটেই ব্যৱস্থাটোত স্বচ্চতা আহিছে নিকা হৈছে, শৃংখলা বদ্ধ হৈছে সেই কাৰণে চৰকাৰৰ ওপৰত আস্থা আৰু বিশ্বাসকতা গঢ়ি উঠিছে। গতিকে সমলোচনাৰ কাৰণে সমালোচনা নকৰি বিৰোধী দলৰ মাননীয় সদস্য সকলক মই অনুৰোধ কৰিম এই বাজেটক আপোনালোকে সমৰ্থন জনাওক আমাৰ সৈতে সহযোগ কৰক চৰকাৰৰ উন্নয়নশীল যাত্ৰাত আপোনালোকে সহযোগ কৰক। মই এইবাৰ এটাখুৱ গুৰুত্বপূৰ্ণ কথা এটা কবলৈ লৈছো যে আমাৰ বিহু আহোম সকল অসমলৈ অহাৰ পূৰ্বৰ পৰা এক বিহুৰ পৰম্পৰাগত ভাৱে চলি

আহিছিল। সেই বিহু নিৰ্দিষ্ট পৰম্পৰাৰে ইমান দিনলৈ চলি আছিল কিন্তু আমাৰ চৰকাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী হোৱাৰ পিছত এই বিহুক আজি বিশ্বত প্ৰদান কৰা হ'ল, বিহুত গ্ৰীনিছ বুক অৱ ৰাল্ডত স্থান লাভ কৰিলে, বিহুৰ যি নান্দনিক ৰূপ সেই ৰূপ আজি আমি যোৱা বছৰ বিহুৰ সময়ত সৰুসজাত ১১ হাজাৰ নাচনীয়ে বিহুৰ যি নান্দনিক পদৰ্শণ কৰিলে ভাৰত বৰ্ষৰ মাননীয় প্ৰধানমন্ত্ৰী উপস্থিতিত, সেই বিহু গোটেই বিশ্বই দেখিলে, সেই বিহু বিশ্বই দেখাৰ পিছত এতিয়া বিহুক লৈ বিভিন্নধৰণৰ চৰ্চা আৰম্ভ হৈছে। বিহুক লৈ গৱেষণা আৰম্ভ হৈছে। সেই বিহুক পৰ্যটনৰ মাত্ৰা দিবৰ কাৰণে চৰকাৰে যি চেষ্টা কৰিছিল আজি পৃথিৱীত বিভিন্ন দেশৰ মানুহে বিহু চাৰ্জ কৰা হৈছে, আপুনি চাব বিহু বিভিন্ন দেশৰ মানুহে বিহু চাৰ্জ কৰা হৈছে। মুগাৰ সাজজোৰ দেখিলেই মানুহে বিহুৰ সাজ বুলি চিনি পাই, বিহুৰ নাচনী জনী দেখিলেই অংগিভংগী কৰিলেই মানুহে গম পাই যে এইটো বিহু নাচ। গতিকে বিহুৰে তেনেকুৱা এটা মাত্ৰ লাভ কৰিছে। মই ভাৱো অহা দিন কেইটাত এই বিহুৰে সমগ্ৰ পৃথিৱীজুৰি প্ৰসৰতা লাভ কৰিব আৰু বিহুক ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ লগতে পৃথিৱীৰ বিভিন্ন দেশৰ শিল্পী সকলে ইয়াক গ্ৰহণ কৰিব, শিকিবলৈ আগ্ৰহ প্ৰকাশ কৰিব আৰু অসমলৈ বিহুৰ সময়ত অন্তত পৰ্যটক আহিব। গতিকে এই কাৰণে আমাৰ চৰকাৰ খনক ধন্যবাদ জনাবই লাগিব।

পৃথিবীৰ বিভিন্ন দেশৰ মানুহে বিহু চাৰ্হ কৰা হৈছে। মুগা সাজযোৰ দেখিলে মানুহে বিহুৰ সাজ বুলি চিনি পাই। বিহুৰ অংগীভংগী কৰিলেই মানুহে গম পাই যায় এইটো বিহু নাচ। গতিকে বিহুৰে সেই ধৰণৰ মাত্ৰা এটা লাভ কৰিবলৈ সক্ষম হৈছে। মই ভাবো যে অহা দিনকেইটাত বিহুৰে সমগ্ৰ পৃথিৱী জুৰি প্ৰসাৰতা লাভ কৰিব আৰু বিহুক ভাৰতবৰ্ষৰ লগতে বিভিন্ন ঠাইৰ লগতে পৃথিৱীৰ বিভিন্ন দেশৰ শিল্পীসকলে ইয়াক গ্ৰহণ কৰিব শিকিবলৈ আগ্ৰহ প্ৰকাশ কৰিব। অসমলৈ বিহুৰ সময়ত পৰ্য্যটক আহিব। গতিকে এই ব্যৱস্থাৰ দ্বাৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাক আমি শলাগ ল'বই লাগিব, ধন্যবাদ জনাবই লাগিব। একে সময়তে আমাৰ চৰকাৰে আমাৰ সাতাম পুৰুসীয়া যি কৃষ্টি সংস্কৃতি তাক ৰক্ষণা বেক্ষণ দিবৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিছে, মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ ভাৰতীয় সংস্কৃতিক কৃষ্ণ সংস্কৃতিক। সেই কৃষ্ণ সংস্কৃতিক অসমত আমাৰ সত্ৰ সমূহে আগবঢ়াই নিছে। আধ্যাত্মিক ভাবেই হওঁক বা আমাৰ ধৰ্ম্মীয় কাম কাজৰ জৰিয়তে হওঁক, আমাৰ যি সত্ৰীয়া ৰীতিনীতি আছে, বা জাতীয় কৃষ্টি ৰীতি নীতি আছে তাক আগবঢ়াই নিছে। কিন্তু আমাৰ সত্ৰ বিলাক আজি কি পৰ্য্যায়ত আছে, অসম চৰকাৰে , অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে , জ্যেষ্ঠ বিধায়ক মাননীয় প্ৰদীপ হাজৰিকাৰ নেতৃত্বত সত্ৰ আয়োগ গঠন কৰি দিছিল । মাননীয় বিধায়ক সকল তাত সদস্য আছিল। গতিকে সেই সত্ৰ আয়োগে যোৱা দিন কেইটাত বিভিন্ন সত্ৰ সমূহ তাৰ পৰিবেশ পৰিস্থিতি অধ্যয়ন কৰিছে, তাত গৈ চাইছে । সেই সমূহ চাই আহি তেওঁলোকে প্ৰতিবেদন দাখিল কৰিছে তাতে ভয়ানক তথ্য উন্মোচিত হৈছে। যে আমাৰ সত্ৰৰ হাজাৰ হাজাৰ বিঘা মাটি, সৰহ সংখ্যক মাটি আজি বেদখল হৈছে, আৰু চৰকাৰে অধিগ্ৰহণ কৰিছে। ইয়াক যোৱা সময়চোৱাত পৰিকল্পিতভাবে কৰা হৈছে বা ষৰযন্ত্ৰমুলক ভাবে কৰা হৈছে বুলি আমি অনুভৱ কৰিবলৈ বাধ্য হৈছো। কাৰণ ১৯৫১ চনত জমিদাৰি এক্ট হ'ল,১৯৫৬ চনত চিলিং এক্ট ১৯৫৯ চনত Religious and Charitable Act , 1971চনৰ Tenancy Act আদি আইন গ্ৰহণ কৰা হৈছিল। মই অনুভৱ কৰিছো যে সেই আইনবিলাক চৰকাৰে

সজ্জনমুলকভাবে গ্ৰহণ কৰিছিল। কিন্তু যোৱা স্বাধীনতাৰ পাছত কংগ্ৰেছ চৰকাৰ বেছি সময় আছিল, সন্দেহযুক্ত লোকক মাটিখিনি বেদখল কৰাৰ বাবে সুযোগ দিবৰ কাৰণে বোধহয় এনে আইন বিলাক গ্ৰহণ কৰা হৈছিল। গতিকে আইন বিলাক সংশোধন কৰিবৰ কাৰণে , এই আইন বিলাক বাতিল কৰিবৰ কাৰণে মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই অসম চৰকাৰক অনুৰোধ জনাম আৰু বেদখলিকৃত সত্ৰৰ মাটি সমূহ উদ্ধাৰ কৰিবৰ কাৰণে, চৰকাৰে যদি অধিগ্ৰহণ কৰিছিল মাটিখিনি মুক্ত কৰি দিব লাগে। বেদখল যদি কোনোবাই কৰি আছে তাক মুক্ত কৰি সত্ৰ সমূহত কৃষ্ণ সংস্কৃতি প্ৰসাৰ কৰিবৰ কাৰণে অসমৰ সত্ৰীয়া সংস্কৃতিক আগবঢ়াই নিবৰ কাৰণে সুবিধা কৰি দিব । মাননীয় উপাধ্যক্ষ মহোদয় এইখিনি ক'বৰ কাৰণে সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো। আৰু যিখন বাজেট এইখন এখন সৰ্বতোপ্ৰকাৰে গ্ৰহণ কৰিব পৰা বাজেট। মাননীয় বিৰোধী দলৰ সদস্য সকলক ইয়াক প্ৰত্যাহাৰ কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমক ভাৰতবৰ্ষৰ ভিতৰত শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য কৰাৰ যি যাত্ৰা, সেই যাত্ৰাক সকলোৰে সহযোগিতা আগবঢ়া বৰ্লে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য চিৰাজ উদ্দিন আজমলৰ ঠাইত ড০ ৰফিকুল ইছলাম ডাঙৰীয়া। আপোনালোকৰ ৬ মিণিট আছে আপুনিয়েই শেষ কৰি দিব।

**ড° ৰফিকুল ইছলাম, (বিধায়ক)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট ভাষনত তেখেতৰ বিভিন্ন শিতানত যি কাম কৰাৰ কথা কৈছে, প্ৰতিশ্ৰুতি দিছে পইচা আৱন্টন দিছে, তাত আমি লক্ষ্য কৰিছো, শিক্ষা বিভাগ। তাতে কিছু পদক্ষেপ লৈছে, যিখিনি তেখেতে লৈছে ঠিকে আছে। ছাত্ৰী সকলৰ কাৰণে ইউনিভাৰচিটি বা কলেজ লেভেলত যি সকল ছাত্ৰী পঢ়িব তেখেতসকৰ কাৰণে কিছু স্কীম বা ইত্যাদি দিছে। positive scheme ও আছে। মই গোটেইখিনি নস্যাৎ কৰা নাই। কিন্তু আমি লক্ষ্য কৰিছো, শিক্ষা বিভাগত বহুত কৰিব লগা কাম আছে, আৰু সেইখিনি যদি কৰা নহয়, তেতিয়া হলে অকল এই কিছু কাম কৰিলেই এই বিভাগটো ঠিক ন'হব। মাননীয় উপাধ্যক্ষ মহোদয়, সেইখিনি মই ক'ব বিচাৰছো আজি ভেঞ্চাৰ স্কুলখিনি আমি প্ৰাদেশীকৃত কৰিলো। বা post provincialized কৰিলো, তাৰে যি সকল শিক্ষকক আমি ললো, তেতিয়া প্ৰতিশ্ৰুতি দিয়া আছিল যে তেখেত সকলক full fledged শিক্ষক হিচাপে স্বীকৃতি দিয়া হ'ব। কিন্তু এতিয়ালৈকে ন'হল। tutor হিচাপে তেখেত সকলে ১০ হাজাৰ টকাত কাম কৰি আছে। LP, ME, High School, high Secondary লৈকে এই সকল শিক্ষক ১০,১২, ১৫ হাজাৰ টকাত তেখেত সকলে কাম কৰি আছে, আৰু তেখেত সকলৰ অৰ্হতা আছে। যি সকল শিক্ষক, তেখেত সকলৰ অৰ্হতা আছে, ইতিমধ্যে বি এড কৰিছে, ডি এল এড কৰিছে, টেট কৰিছে বা অন্যান্ন যিখিনি কৰিব লগা আছিল, সেইখিনি কৰিছে। সেই সকলক অতি সোনকালে এজন পুৰ্ণ বা full fledged শিক্ষক হিচাবে, তেখেত সকলক নিযুক্তি দিব লাগে। গোটেইখিনি সা-সুবিধা তেখেত সকলেও পাব লাগে, আৰু লগতে ৩য়, ৪ৰ্থ শ্ৰেণীত যিসকল আছিল, লাইব্ৰেৰিয়ান হওঁক, ৩য় বা ৪ৰ্থ শ্ৰেণীৰ হওঁক, এই ভেঞ্চাৰ স্কুলৰ যি সকলৰ পদ প্ৰাদেশীকৃত হ'ল, তেখেত সকলৰ কাৰণে কোনো কণ্ডিশ্যন নাই। তেখেত সকলে এই ৰি এ, এম এ পাছ কৰিব লাগিব বা তেখেত সকলে নেট, শ্লেট, পি এইচ ডি কৰিব লাগিব, ডি এল এড কৰিব লাগিব। এই বিলাক একো কণ্ডিশ্যন নাই। তেখেত সকলৰ ইতিমধ্যে কণ্ডিশ্যন ফুল ফিল্ড। কিন্তু তেখেত সকলকো এটা কেৱল এটা মাননি দিয়া হৈছে। আমি ভাবো এইটো অন্যায় কৰা হৈ আছে। গতিকে এই বাজেটত এই বিষয়ে কোনো পইচা ধাৰ্য্য নাই। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে আৰু লওঁক পইচা লাগিলে,

চাপ্লিমেন্টৰী বাজেটত আপুনি পইচা লওঁক, যিসকলক নিযুক্তি ইতিমধ্যে দিছে আমি বছৰ বছৰ যি পদ্ধতিত গৈ আছো এই সকল কিয় বঞ্চিত হ'ব? গতিকে ৩য়, ৪ৰ্থ শ্ৰেণীৰ, লাইব্ৰেৰিয়ান আদি কৰি যি সকল আছে, এই সকল যিমান তেখেত সকলৰ প্ৰাপ্য এই পইচাখিনি তেখেত সকলক দিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত হিতাধিকাৰীৰ কথা উল্লেখ আছে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাৰ বিশ্লেষনো দিছে, হিতাধিকাৰী বনাইছে। তেখেতেওঁ সেই খিনি ব্যাখ্যা কৰিছে। কিন্তু মই ভাবো যি সকল শিক্ষক বছৰ বছৰ পঢ়াইছে, ভেঞ্চাৰ স্কুলত ২০,২৫ লৈকে পঢ়াইছে, সৰুসুৰা কাৰণত তেখেত সকলক বঞ্চিত কৰা হৈছে। এল পি স্কুলৰ ডাইচ কোডৰ কাৰণে ,এম ই স্কুলত issue date ৰ issue লৈ হাইস্কুলত আৰু হায়াৰছেকেণ্ডাৰী এই বিলাকত এজন দুজন ছাত্ৰ-ছাত্ৰী কম থকাৰ কাৰণে বছৰ বছৰ ঠিক আছে, কোনো এটা বছৰত এজন ছাত্ৰ-ছাত্ৰী কম থকাৰ কাৰণে হয়তু সেই শিক্ষক বা স্কুল লোৱা হোৱা নাই। কলেজত বিভিন্ন বিষয়ৰ পৰা আৰম্ভ কৰি হায়াৰ ছেকেণ্ডাৰীত concurrence ৰ issue লৈ কলেজ শিক্ষক বা হায়াৰছেকেণ্ডাৰীৰ শিক্ষক সকলক বঞ্চিত কৰা হৈছে। মই ভাবো ২০১৬-১৭ চনৰ যিটো ভেঞ্চাৰ স্কুলৰ Amendment bill আছিল, provincialization Amendment bill সেইটো মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানী, চৰকাৰ আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ মোৰ আহ্বান থাকিল এইটো সংশোধন কৰিব লাগে। সংশোধন কৰি যি সকলে ২০,২৫, ৩০ বছৰ ধৰি ভেঞ্চাৰ স্কুলত এই শিক্ষক সকলে কাম কৰিলে তেখেত সকলক হিন্দী শিক্ষক, হিন্দী বিষয়টো বাধ্যতামুলক কৰিলে। কিন্তু শিক্ষক সকলক লোৱা ন'হল। আৰবী বিষয় আমি স্বীকৃতি দিছিলো, সেই সকলক বঞ্চিত কৰি বাদ পেলাই দিয়া হ'ল। মাদ্ৰাছাখিনিক , স্কুলখিনি প্ৰাদেশিকৃত কৰিলে, মাদ্ৰাছাখিনি লোৱা ন'হল। মাদ্ৰাছা স্কুললৈ কনভাৰ্ট কৰিলে কিন্তু আধা অংশ লোৱা ন'হল। বিল সংশোধন কৰি এই বঞ্চিত শিক্ষক সকল যি সকলে আমাৰ সমাজক চাৰ্ভিচ দিছে, তেখেত সকলৰ সেই পদখিনি ল'ব লাগে আৰু বহু মানুহ অৱসৰ লৈ গুছি গ'ল ।আজি আমি হিতাধিকাৰী বনাই আছো, কমচে কম সেই সকলক হিতাধিকাৰী বনালেও , তেখেত সকলৰ প্ৰাপ্যখিনি তেখেত সকলে পোৱা বুলি অনুভৱ কৰিব। গতিকে মোৰ পৰামৰ্শ থাকিল বাজেটত পইচা লওঁক আপোনালোকে আৰু সেই অৱসৰ হৈ যোৱা যি সকলক আমি লোৱা নাই মিনিমাম ৫ৰ পৰা ১০ লাখ টকা তেখেত সকলক এককালিন সাহাৰ্য্য দি কমচেকম সেই সকলে আমাক যে চাৰ্ভিচ দিলে, সমাজৰ, ৰাজ্যক সেই সকলক এই প্ৰাপ্যখিনি আমি আদায় দিব লাগে। তাৰ কাৰণে ভেঞ্চাৰ স্কুল provincialization Amendment Act টো সংশোধন কৰি এই যিসকল প্ৰাপ্য মানুহ আছে, সেই সকলৰ পদখিনি প্ৰাদেশীকৃত কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয় শিক্ষাত আমি বহু দিনৰ পৰা কৈ আছো বৰপেটা বিশ্ববিদ্যালয়ৰ কথা। আজি অসমত বহুত ঠাইত বিশ্ববিদ্যালয় দিছে, ভাল কথা বৰপেটা, গোৱালপাৰা, শালমাৰা, ধুবুৰী মই আগতেও কৈছো এতিয়ালৈকে বিশ্ববিদ্যালয় নাই। এই বৰপেটাৰ পৰা ধুবুৰীলৈকে দুই আঢ়ৈস কিঃ মিঃ এখনো বিশ্ববিদ্যালয় নাই। এইটো দুখেৰে মই ক'ব লগা হৈছে, গতিকে বাজেটত পইচা লওঁক আপোনালোকে এইটো ঘোষণা কৰক। বৰপেটাত বহুকেইখন কলেজ আছে, এম চি কলেজ বৰপেটা, বি এচ কলেজ বৰপেটাত আছে, নৱজ্যোতি মহাবিদ্যালয় কলগাছিয়া, মন্দিয়া আঞ্চলিক কলেজ, চেঙা কলেজ, কোনোবা এখন কলেজ কেন্দ্ৰ কৰি বৰপেটা বিশ্ববিদ্যালয় ঘোষণা কৰিব লাগে তাৰ কাৰণে পইচা লওঁক আমাৰ কোনো আপত্তি নাই। মোৰ বৈঁকীৰ পাৰত ২০০ বিঘা মাটি আছে জনিয়াত লওঁক আপোনালোকে আমি দি দিম। বৰপেটাত এখন বিশ্ববিদ্যালয় লাগে। আজি আমি লক্ষ্য কৰিছো ৰাস্তাৰ নামত, অসম মালাৰ অধীনত পইচা দিছে, কিন্তু মুখ্যমন্ত্ৰী মহোদয়ৰ

সমষ্টিৰ পৰা আৰম্ভ হোৱা আমিন গাওঁৰ পৰা বৰপেটা হৈ জনিয়াহৈ অভয়াপুৰিলৈকে এই ৰাস্তা , অসমৰ প্ৰায়বোৰ ৰাস্তা ৪ লেন যুক্ত হৈ গ'ল। কিন্তু এইটো ৰাস্তা বৰপেটা নলবাৰী, বঙাইগাওঁ এই ৩ খন জিলা কামৰূপৰ পৰা আৰম্ভ কৰি মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিৰ পৰা এতিয়ালৈকে এই অঞ্চলটো বঞ্চিত হৈ আছে। গতিকে ৪ লাইন কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি যেতিয়ালৈকে আনিব নোৱাৰিব মই ভাবো ৰাজ্যৰ হাতত যিহেতু সুযোগ আছে, অসম মালাৰ যোগেদিও এইটো আপোনালোকে লওঁক। পইচা তাৰ কাৰণে বঢ়াওক। বহুত পইচা লৈছে কিন্তু আমি লক্ষ্য কৰিছো, বৰপেটা, জনিয়া, আমিনগাওঁ হৈ এই ৰাস্তাটো এতিয়ালৈকে ৪ লাইনৰ কোনো প্ৰস্তাৱ নাই । গতিকে মই পৰামৰ্শ দিব বিচাৰিছো বাজেটত পইচা বেছিকৈ লওঁক বা যিখিনি এতিয়ালৈকে আপোনালোকে দিছে সেইখিনি discrimination ৰ স্বীকাৰ কৰিছে। এনেকুৱা হ'ব নালাগে। মাননীয় মুখ্যমন্ত্ৰী বা বিত্ত মন্ত্ৰী গোটেই অসমৰ কাৰণে গতিকে যিখিনি পইচা ধাৰ্য্য কৰা হয়। সমভাৱে যাতে বিতৰণ হয়। এই পইচাখিনিৰ তেতিয়া কাম হ'ব। বসুন্ধৰাৰ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে, চাহ বাগানক বসুন্ধৰা -৩ তেখেত সকলক মাটি দিব ভাল কথা। সেই সকল বহুত বঞ্চিত। কিন্তু লগে লগে চৰ চাপৰিত সংখ্যালঘু অধ্যেশিত অঞ্চলত তেখেতসকলৰ হাতত আজি ভুমি নাই, ভূমিহীন মানুহ নদীয়ে ভঙা মানুহ, গড়খহনীয়াগ্ৰস্থ মানুহ চৰকাৰী মাটিত আছে কেইদিন পিছে পিছে তেওঁলোকক উচ্ছেদ কৰি ঘৰ ভাঙি দিয়ে। ল'ৰা-ছোৱালী পৰীক্ষা দিব যাব পৰা নাই। এই ঠাণ্ডা, পৰীক্ষাৰ সময়ত তেওঁলোকক উচ্ছেদ কৰি থকা হৈছে । গতিকে বসুন্ধৰা -৩ যদি আনে চাহ বাগানৰ লগে লগে চৰ চাপৰি অধ্যেষিত অঞ্চলত এই ভূমিহীন মানুহ যি সকলৰ হাতত মাটি নাই, চৰকাৰী ভূমি আছে, এইখিনি যাতে লগে লগে আৱন্টন দিয়া হয়, ইয়াতে যাতে কোনো discrimination ৰ স্বীকাৰ কৰা নহয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰতি আমাৰ আহ্বান থাকিল। আপুনি মুখ্যমন্ত্ৰী গতিকে অসমৰ এক তৃতীয়াংশ মানুহ বাদ দি বাকীখিনিৰ কাৰণে কাম কৰি থাকিলে ৰাজ্যখন কেতিয়াও আগবাঢ়ি নাযায় আকৌ এইখিনি কথা কৈ বৰপেটা বিশ্ববিদ্যালয়, বসুন্ধৰাত সংখ্যালঘু সকলক মাটি দিয়া, আমিন গাওঁ মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিৰ পৰা বৰপেটা, জনিয়াৰ হৈ অসম মালাৰ আওতাৰত আনি ৪ লেনযুক্ত ৰাস্তা বনাব লাগে তাৰ কাৰণে পইচা লাগিলে লৈ লওঁক। এইখিনিপৰামৰ্শ দি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন। আপোনালোকৰ সংৰক্ষিত সময় ১১ মিনিট আছে।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১২ ফেব্ৰুৱাৰী,২০২৪ তাৰিখে সদনত মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে যি বাজেট দাখিল কৰিছে, সেই বাজেটখন নিৰাশাজনক, হতাশজনক আৰু গভীৰ উদ্বেগজনক। মই নিৰ্ধাৰিত সময়ৰ ভিতৰত থাকিয়েই কি কাৰণে নিৰাশাজনক, হতাশজনক আৰু গভীৰ উদ্বেগজনক বুলি কৈছো এইখিনি তথ্য সহকাৰে ক'বলৈ বিচাৰিছো। অকল নিৰাশজনক, উদ্বেগজনকেই নহয়, চৰকাৰ দোধোৰ-মোধোৰ। আজিৰ কথাৰ লগত কালিৰ মিল নাই, কালিৰ কথাৰ লগত পৰহিৰ মিল নাই। ইখন বাজেটৰ লগত সিখনৰ মিল নাই, সিখন বাজেটৰ লগত সিখনৰ মিল নাই। আনকি গোটেই মানসিকতাটো সলনি হৈছে। এই বাজেটখন দিয়াৰ আগত যেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তৰুণ গগৈ ডাঙৰীয়াৰ কথা কৈছে, মই তৰুণ গগৈৰ পৰাই আৰম্ভ কৰিছো। তৰুণ গগৈ ডাঙৰীয়া যিদিনা মুখ্যমন্ত্ৰীৰ পৰা গ'ল, যেতিয়া বিৰোধী পক্ষত আহি বহিলে তেতিয়া মাননীয় অৰ্থমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে তৰুণ গগৈ ডাঙৰীয়াই গোটেই অসমখন শেষ কৰি থৈ গৈছে। এইবিষয়ে মই অসমৰ ৰাইজক জনাম আৰু মই এখন

শ্বেতপত্ৰ দিম। এই শ্বেতপত্ৰত আছে ঃ Government of the Assam, White paper of Assam State Finance as on 24th May, 2016, place on the table of the House on 3rd June, 2016. তাত conclusion 9.1 ত কৈছে, from the above, it is clear that the new Government has to begin in the journey with a extremely negative financial position of about Rs.10,000 crore. তেওঁ যিখন শ্বেতপত্ৰ দিছে তাত কৈছে যে বিগত চৰকাৰে ১০ হাজাৰ কোটি টকাৰ ধাৰৰ বোজা থৈ গৈছে আৰু সেইকাৰণে আমি extremely negative, financial possition ৰ পৰা চৰকাৰখন চলাব লগীয়া হৈছে। প্ৰত্যেকখন পেপাৰত ডাঙৰ ডাঙৰকৈ উঠাইছে যে- ১০ হাজাৰ কোটি ঋণৰ গৰাহত ৰাজ্য, ভয়াবহ আৰ্থিক সংকটক উদঙাই সদনত বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শ্বেতপত্ৰ দাখিল কৰিছে। গগৈ চৰকাৰে এৰি গ'ল উদং ৰাজকোষ। আনকি Times of India ত লিখিছিল The poor Financial health of the State is due to all around inefficiency and corruption more over the previous Government resoted to many non productive expenditure to accept political mileage before the Assembly Election. Before the Assembly election non- productive expenditure কৰাৰ কাৰণেই অসমৰ অৱস্থা ভয়াবহ হৈছে বুলি আমাৰ সেই সময়ৰ চৰকাৰখনে কৈছিল। সেই চৰকাৰে শ্বেতপত্ৰ দিয়াৰ পিছত ২২ জুলাই,২০১৬ চনত বাজেট দাখিল কৰিছিল। সেই বাজেটত গোটেই অসমৰ আকাশ-বতাহ মুখৰিত কৰি পেলাইছিল। তৰুণ গগৈ ডাঙৰীয়াই অসহায় অৱস্থাত ইয়াত বহি চাই আছিল যে কোনে কথাবিলাক কৈছে। ৰাষ্ট্ৰ আৰু কোষাগাৰৰ বিষয়ে চাণক্যই কোৱা এষাৰ কথা মই স্মৰণ কৰিব খুজিছো, যি কথা সেই সময়ত মাননীয় চৰকাৰে কৈছিল। তেওঁ কৈছিল যে - যদিহে কোষাগাৰ সম্পদেৰে উপচি থাকে তেতিয়াহে সামাজিক হিতৰ বাবে গ্ৰহণ কৰা আঁচনিবোৰ সহজে ৰূপায়ণ কৰিব পাৰি। কেৱল কঠোৰ পৰিশ্ৰমেই বাঞ্চিত ফল লাভ কৰিবৰ বাবে যথেষ্ট নহয়। আমাৰ চৰকাৰৰ উদ্ভাৱনী মূলক পৰিকল্পনাৰ পুষ্ট যিকোনো পৰিমাণৰ কঠোৰ শ্ৰম কৰিবলৈ প্ৰস্তুত। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে আমাৰ হিতাধিকাৰী সকল swift। আমি সেই কথাটো সমৰ্থন কৰিছো। কিন্তু তেওঁ কি কৈছিল। তেওঁ কৈছিল যে পৰিকল্পনা বহিঃভূত শিতানৰ ব্যয় যোৱা কিছুবছৰ ধৰি বৃদ্ধি পাবলৈ ধৰিছে। তৰুণ গগৈ চৰকাৰৰ দিনত। বিগত কেইটামান বছৰৰ বাজেট পৰিপূৰ্ণ হৈ আছিল ব্যক্তিগত হিতাধিকাৰী লাভৰ বাবে প্ৰস্তুত কৰা আঁচনিৰ। এনে আঁচনিবোৰে ৰাইজৰ বিকাশ তৰান্বিত কৰিব নোৱাৰে। হিতাধিকাৰীৰ বাজেট যদি পৰিপূৰ্ণ হৈ থাকে তেতিয়াহ'লে বিকাশ তৰান্বিত নহয় বুলি সেই সময়ৰ লিখিত বাজেটত আছে। আৰু কৈছিল যে - এনেকৈ যদি বাজেট প্ৰস্তুত কৰে য'ত হিতাধিকাৰী পৰিপূৰ্ণ হৈ থাকে, আমি হিতাধিকাৰীক সমৰ্থন কৰো। এই সমগ্ৰ ব্যৱস্থাটোৱে বাজেটৰ পবিত্ৰতাটো বহু পৰিমাণে ম্লান কৰি পেলাইছে বুলি সেই সময়ৰ চৰকাৰৰ এই উক্তি আছিল। আজিৰ চৰকাৰ খন সম্পূৰ্ণৰূপে confused.আজি আমাৰ চৰকাৰখন দোধোৰ-মোধোৰ। আজি চৰকাৰে কৈছে যে দৰমহা দিবলৈ আমি প্ৰস্তুত আৰু দৰমহা দিবলৈ আমাৰ নিজৰ ৰাজহ আছে। তাৰমানে দৰমহা দিবলৈহে আমাৰ ৰাজহ আছে নেকি? বাকী যে ইমান খৰছ হৈছে সেইবোৰ ক'ৰ পৰা আহিছে। সেইবোৰ ধাৰ লৈছে। এইখন চৰকাৰে ধাৰ নলওঁ বুলি কৈছে। ১০ হাজাৰ কোটি টকা ধাৰ লোৱা কাৰণে এই বাজেটৰ পিছত আমাৰ বিভিন্ন বাতৰি কাকতৰ মাজৰ পৃষ্ঠা পঢ়িবৰ কাৰণে মই অনুৰোধ কৰিছো। এই মাজৰ পৃষ্ঠা বিলাকত আমাৰ বিভিন্ন অৰ্থনীতিবিদ সকলে

লিখিছে যে এখন অসম্পূৰ্ণ বাজেট আৰু এখন বিত্তীয় ব্যৱস্থাক ঢাকোন দি ৰখাৰ প্ৰয়াসৰ বাজেট। ২০০৬ চনৰ ড° মনোমোহন সিঙৰ নেতৃত্বত UPA চৰকাৰ গঠন নোহোৱা পৰ্য্যন্ত অসম তীব্ৰ বিত্তীয় সংকটত বিবৰ্জিত হৈ আছিল। ২০০১ চনৰ পৰা ২০০৪ চনলৈ বিত্তীয় সংকটৰ মোকাবিলা কৰি তৰুণ গগৈ ডাঙৰীয়াই চৰকাৰ চলাব লগীয়া হৈছিল। কিন্তু তৰুণ গগৈৰ পূৰ্বে আমাৰ চৰকাৰ নহয়, প্ৰফুল্ল কুমাৰ মহন্ত, হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই তীব্ৰ বিত্তীয় সংকটৰ চাকনৈয়াৰ মাজেৰে চৰকাৰ চলাব লগীয়া হৈছিল। কিন্তু পূৰ্বৰ কোনো এখন চৰকাৰেই বাজেটৰ আকাৰত ঋণৰ পৰিমাণ অতিক্ৰম কৰিব পৰা নাছিল। কাৰণ ৰাজ্যখনৰ কাৰণে মৰম আছিল। আজি বাজেটত কৈ ধাৰ বেছি। বাজেটত কৈ বেছি ধাৰ লোৱাতো অমঙ্গলীয় চিন বুলি মই কোৱা নাই, চৰকাৰে কৈছিল। মাননীয় উপাধ্যক্ষ মহোদয়, ধাৰ ল'ব নালাগে বুলি কৈছিল। সেই কাৰণে মই কৈছো অলপ মাজৰ পৃষ্ঠাবোৰ পঢ়ক। বাতৰি কাকতৰ মাজৰ পৃষ্ঠাবোৰত কৈছে যে এই বাজেটখন হতাশ জনক। আজি হাজাৰ হাজাৰ কৰ্মচাৰীৰ দৰমহাৰ কাৰণে হাহাকাৰ বুলি কৈছে। তাৰ পিছতো আমাৰ GDP ভাল বুলি কৈছে। Gross domestic product জোখাৰ এটা অন্যতম যন্ত্ৰ হ'ল কৃষি। এই GDP ৰ অসমীয়াটো হ'ল ঘৰুৱা উৎপাদন। ইয়াত কেন্দ্ৰীয় মন্ত্ৰীয়ে GDP লৈ কৃষি খণ্ডৰ বৰঙণি হ্ৰাস হৈছে বুলি কৈছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰতহে GDP বাঢ়িছে। দলং বনোৱাত, ঘৰ ভঙাত বাঢ়িছে। মাননীয় উপাধ্যক্ষ মহোদয়, এইবোৰ অতি উদ্বেগজনক আৰু চিন্তনীয় কথা। দলং হৈছে, চিমেণ্ট কিনিছো, ৰড কিনিছো সেইটো আমি GDP ত দেখুৱাইছো। কিন্তু তাৰ পইচাটো ক'ৰ পৰা আহিছে সেইটো আমি দেখুওৱা নাই। বি.জে.পি ৰ এজন জ্যেষ্ঠ নেতা সুব্ৰমনিয়াম স্বামী ডাঙৰীয়াই নিজৰ কিতাপত লিখিছে যে - Reset ত regelling Indian economy. এই methology to determine the GDP is defactive. গোটেই নিয়মটোৱেই defactive. কাৰণ আন্তঃগাঁথনিৰ ক্ষেত্ৰত চিমেণ্ট কিনিছে, দলং বনোৱাৰ ক্ষেত্ৰত ৰড কিনিছে সেইখিনি যদি GDP ত কৰিছে কিন্তু তাৰ পইচাটো ক'ৰ পৰা আহিছে সেইটো উহ্য ৰাখিছে। তাৰ মানে ধাৰৰ বোজাত আমি যেনেদৰে কলমলাই আছো, অৰ্থনীতিবিদ সকলে ভয় কৰিছে কাৰণ এই চৰকাৰখনে এই ধাৰটো এতিয়া পূৰাব নালাগে, আমাৰ চৰকাৰে কয় যে আমি ইন্টাৰেষ্ট পাইছো আগৰ চৰকাৰৰ। interest মাৰিছে, এই ধাৰ লৈ মাৰিছে। সেই কাৰণে আজি হতাশজনক এখন ছবি, আজি যিটো index দেখুৱাইছে, মই কম চৰকাৰক যে আপোনালোকৰ এই কথা বিলাক ভাল নহয়। per capita income ত ২৯ নম্বৰ স্থান অসম, (BPL rank) দুখীয়া ৰাজ্যৰ ভিতৰত অসম ২৩ নম্বৰ, পুষ্টিহীনতাৰ ক্ষেত্ৰত অৱস্থা বেয়া, India innovation index ত ১ ৰ পৰা ১৭ লৈকে অসমৰ নামে বিচাৰি নাপালো। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, এটাত খুব ভাল স্কুল বন্ধ। ৯০৪৯ খন চৰকাৰী প্ৰাথমিক বিদ্যালয় বন্ধ, ২১৪ খন চৰকাৰী মাধ্যমিক স্কুল বন্ধ, উচ্চতৰ মাধ্যামিক বিদ্যালয় বন্ধ, স্কুল বন্ধ সেইটোত এতিয়া আগুৱাই আছে।

আৰু এটাত আগুৱাই আছে, মাননীয় উপাধ্যক্ষ মহোদয়, মদৰ দোকান খোলাত। মদৰ দোকান খোলত আমাৰ চৰকাৰ বহুত আগুৱাই আছে, কোনো চৰকাৰে পৰা নাই। দুখীয়া ৰাজ্যৰ ভিতৰত আমাৰ ৰাজ্য ৫ নম্বৰত আছে। লগতে ছাত্ৰ-ছাত্ৰীৰ কথা কৈ আছো মাননীয় অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীৰ নাম এটা সলনি কৰিব লাগিলে, তাৰ কাৰণে সেই stamp paper খনৰ ১০০০ শতাংশ বাঢ়ি গৈছে। এই বিলাকৰ ক্ষেত্ৰত চৰকাৰখনে দৃষ্টিগোচৰ কৰিব, এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী লৰেন্স ইছলাৰী।

**শ্ৰী লৰেন্স ইছলাৰী, (পূৰ কোকৰাঝাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অমৃত কালৰ সময়ত অসমৰ প্ৰথমগৰাকী মহিলা বিত্ত মন্ত্ৰীয়ে চতুৰ্থবাৰৰ কাৰণে যি বাজেট দাখিল কৰিছে, সচাঁকৈ আমি ধন্যবাদ দিব লাগিব। এনেকুৰা এটা সময়ত য'ত আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমখন ভাৰতৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ এটা পৰিকল্পনা কৰিছে। এনেকুৰা যি বাজেট, এই বাজেটখন দেখাৰ লগে লগে ইয়াৰ এটা উমান পাব পাৰো।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ লগত যোৱা বছৰ আমি বাংলাদেশত যাবলৈ সুবিধা পাইছিলো। সেই দেশৰ প্ৰধানমন্ত্ৰী, লোকসভাৰ অধ্যক্ষ, বৈদেশিক মন্ত্ৰী, উদ্যোগ মন্ত্ৰী, সকলোকে লগ কৰিবলৈ এটা সুবিধা হৈছিল আমাৰ সজাতি দলৰ। তাতে তেওঁলোকৰ লগত আলোচনা হৈছিল। তেওঁলোকে কৈছে যে বাংলাদেশৰ যিমান বিলাক উদ্যোগ আছে, সেই উদ্যোগসমূহত ৫০ শতাংশ কৰ্মচাৰী মহিলা বুলি তেওঁলোকে কৈছিল। যিসকল মহিলা উদ্যোগলৈ নাহিলেও, তেওঁলোকে নিজৰ ঘৰতে বহুত ধৰণৰ বয় বস্তু নিৰ্মাণ কৰে বুলি তেওঁলোকে আমাক জনাইছে। আমি আগতে কৈছিলো বাংলাদেশ দুখীয়া এখন দেশ। কিন্তু এতিয়া বাংলাদেশৰ যিটো অৰ্থনীতি লাহে লাহে বহুত আগুৱাই আহিছে। ইয়াৰ কাৰণ হয়তো হ'ব পাৰে, তেওঁলোকৰ দেশৰ যিবিলাক মহিলা, সেই মহিলাবিলাক নিশ্চয় এনে থকা নাই। যিসকলে উদ্যোগলৈ নাযায় তেওঁলোকেও নিজৰ ঘৰত আচাৰ, কাপোৰ ইত্যাদি বহুতো ধৰণৰ বস্তু বনাই দেশৰ যিটো অৰ্থনীতি, সেই অৰ্থনীতিত তেওঁলোকে অৰিহণা যোগাইছে।

আমি এই বাজেটত দেখিবলৈ পাইছো, যে আমাৰ ৰাজ্যখনত থকা যিমান বিলাক আত্ম সহায়ক গোটত মহিলাসকল আছে, সেই মহিলাসকলৰ প্ৰতিগৰাকীক ১০ হাজাৰকৈ টকা দিয়াৰ যিটো পৰিকল্পনা এই বাজেটত আমি দেখিবলৈ পাইছো। আগতে গ্ৰুপত দিয়া হৈছিল, এতিয়া আত্মসহায়ক গোটৰ প্ৰতিগৰাকী সদস্যক ১০ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু যদি লাগে বুলি কৈছে, তেতিয়া হলে তেওঁলোকক ২৫ হাজাৰকৈ টকা লোণ দিয়াৰ ব্যৱস্থা কৰা হ'ব। আমি নিজেও দেখিলো, আমি BTR অঞ্চলৰ বিধায়ক, গতিকে আমাৰ তাত পঞ্চায়ত নাই, আমাৰ VCDC আছে, আমাৰ VCDC বিলাকত প্ৰ-পত্ৰ বিলাক দিয়া হৈছে। আমি দেখিছো তেওঁলোকে বহুত আগ্ৰহৰে প্ৰ-পত্ৰবিলাক সংগ্ৰহ কৰিছে, ইচ্ছা প্ৰকাশ কৰিছে যে আমিও কিবা এটা কৰিম। মই ভাৱো ইয়াৰ জৰিয়তে আমাৰ ৰাজ্যখনৰ যিটো অৰ্থনীতি, সেই অৰ্থনীতিত আমাৰ মহিলাসকলে অৰিহণা যোগাব পাৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি মাজে মাজে আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বহু সমস্যা দেখিবলৈ পাওঁ। সেই ক্ষুদ্ৰ চাহ খেতিয়ক সকলে ডাঙৰ চাহ বাগানৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। কোকৰাঝাৰত ডাঙৰ বাগান মাত্ৰ তিনিখনহে আছে, বাকী বহুত ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগান আছে। তেওঁলোকে ডাঙৰ বাগানৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, দাম বহুত কম । আমি মাজে মাজে যেতিয়া উজনি অসমত যাওঁ তেতিয়া সোধো তেওঁলোকৰ কেঁচা চাহপাতৰ দাম, তেঁওলোকৰ লগত আমাৰ ইয়াৰ কেঁচা চাহপাতৰ দাম তুলনা কৰা নাযায়, বহু কম ৰেটত দিয়া হয়। যাৰ কাৰণে পশ্চিমবংগৰ পৰা বহুতো এনেকুৰা সৰু সৰু গাড়ী আহি নিজে পাত তুলি লৈ যোৱা আমি দেখিবলৈ পাইছো। এনেকুৰা এটা সময়ত আমি ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে চৰকাৰে পোন্ধৰ কোটি টকা ধাৰ্য্য কৰিছে। মই ভাৱো যে ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকল আছে, সেই খেতিয়কসকলে তিনিখন-চাৰিখন বাগান মিলি পেলাই বা এটা অঞ্চলৰ চাহ বাগান মিলি পেলাই তেওঁলোকে নিজে এটা উদ্যোগ বহাই লব পাৰিব তেনেকুৰা এটা সুবিধা আমি ইয়াত

দেখিবলৈ পাইছো, যাৰ যোগেদি ডাঙৰ চাহ বাগানৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া নহয়। তেওঁলোকে উচিত মূল্য উলিয়াই লব পাৰিব, তেনেকুৱা এটা পৰিকল্পনা আমি ইয়াত দেখিছো ।এই খেতিয়ক সকলক সহায় কৰা এটা পৰিকল্পনা আমি এই বাজেটত দেখিবলৈ পাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, বিধায়ক সকলৰ ওচৰত বহুতো ছাত্ৰ-ছাত্ৰী স্কুলত নামভৰ্তিৰ সময়ত সহায় বিচাৰি আহে, যাতে আমি তেওঁলোকক সহায় কৰিব পাৰো। কিন্তু আমি ইয়াত দেখিবলৈ পাইছো যে ইয়াত যি আঁচনি higher secondary ত দহ হাজাৰ, ডিগ্ৰীত বাৰ হাজাৰ, master degree ত পোন্ধৰ হাজাৰ নামভৰ্তিৰ সময়ত দিয়া হ'ব। হয়, স্কুলত এতিয়া drop out নহয়, class 10th লৈকে কোনো drop out student নাই। কিবা কাৰণত দুই এজন drop out হ'ব পাৰে, কিন্তু higher secondary, ডিগ্ৰী বা master degree লৈকে বহুত drop out হৈ যায়, বিশেষকৈ আমাৰ কিছুমান দুখীয়া ঘৰৰ ল'ৰা-ছোৱালী বিলাকে drop out হ'বলগীয়া হয়। তেওঁলোকে আগলৈ পঢ়া-শুনা কৰিব নোৱাৰে। এনেকুৱা ক্ষেত্ৰত চৰকাৰে যি সিদ্ধান্ত লৈছে, তাৰ বাবে আমি ধন্যবাদ জনাবই লাগিব যে আমাৰ আৰু উচ্চ শিক্ষালোৱাত কোনো ছাত্ৰ-ছাত্ৰীয়ে drop out নহ'ব, এনেকুৱা এটা আমি ইয়াতে দেখিছো। তাৰ কাৰণে আমি বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ জনাবই লাগিব যি তেখেতে বাজেট দাখিল কৰিছে ।আমাৰ ৰাজ্যখনক যি অগ্ৰগতি, আমাৰ ৰাজ্যখনৰ যি উন্নয়নৰ ধাৰা, সেই ধাৰাটো continue যে হ'ব, এইটো আমি স্পষ্ট দেখিবলৈ পাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী অখিল গগৈ। আপুনি ৫ মিনিটত শেষ কৰিব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, মোৰ সময় তেনেই কম। মই চিধাচিধিকৈ কথাখিনিলৈ যাম। কেইদিন মান আগতে আমাৰ ৰাইজৰ দলে এটা চাইকেল যাত্ৰা আৰু মটৰ চাইকেল যাত্ৰা কৰিছিলো উজনি অসমৰ শিৱসাগৰ আৰু যোৰহাট জিলাত। চাৰিটা সমষ্টিত যেতিয়া চাইকেল যাত্ৰা কৰিছিলো আমি ৫৫ টা দিনত ৫৫ খন পঞ্চায়তলৈ গৈছিলো। ৰাতি সেই পঞ্চায়তৰ কাৰোবাৰ এঘৰত থাকিছিলো। তেতিয়া সেই প্ৰতিখন জনসভাতে ৫৫ খন পঞ্চায়তৰ সদায় এটা প্ৰশ্ন সুধিছিলো যে খেতি-বাতি কৰাৰ পাছত আপোনালোকৰ গাঁৱৰ ডেকা ল'ৰা বিলাকে আচলতে কি কাম কৰে? সকলো গাঁৱৰ মানুহে এটাই উত্তৰ দিছিল তেওঁলোকে কৈছিল যে আমাৰ ডেকা ল'ৰা বিলাকে হাজিৰা কৰে। দৈনিক মজুৰি কৰে আৰু কৈছিল যে তেওঁলোকে মিস্ত্ৰিৰ লগত যোগালী কৰে লহ'লে কৰ্ণাটক বা কেৰেলাত গৈ হাজিৰা কৰে তাৰ বাহিৰে বেলেগ একো কাম নকৰে। আজিৰ দিনটোত যদি অসমৰ যুৱক-যুৱতী সকলৰ মূল উৎপাদনৰ উৎস যোগালী কৰা। দৈনিক মজুৰি কৰা হয়। গতিকে সেই জাতিৰ সচাঁকৈ ভৱিষ্যত আছেনে? আজি BJP দলৰ ২০২১ চনৰ যিখন manufesto for Atmanirbhar Assam এইখনত একেবাৰে স্পষ্টকৈ কৈছে যে তেওঁলোকৰ আটাইতকৈ এটা ডাঙৰ প্ৰতিশ্ৰুতি হ'ল অসমত দেশৰ দ্ৰুততম সংস্থাপন সৃষ্টি কৰা ৰাজ্য পৰিণত কৰিম। কিন্তু উপাধ্যক্ষ ডাঙৰীয়া, এইবাৰ আমাৰ economic servey ত স্পষ্টকৈ ক'লে যে আমাৰ নিবনুৱাৰ সংখ্যা ৩২ লাখলৈ বাঢ়িলে। যোৱাবাৰ ২২ লাখ আছিল। যোৱাবাৰেই কৈ থৈছিল যে, শিক্ষিত নিবনুৱাৰ সংখ্যা ১৮ লাখ ৫ হাজাৰ আছে। যি সময়ত আমাৰ এনেকৈ ব্যাপক ৰূপত নিবনুৱাৰ সংখ্যা বাঢ়ি গৈছে আজিৰ দিনটোত অসমৰ নিবনুৱাৰ সংখ্যা ৩২ লাখ ৩৪ হাজাৰ ৭৩৮ গৰাকীলৈ বৃদ্ধি পাইছে। সেই সময়ত আমি কিন্তু কৰ্ম সংস্থাপন সৃষ্টি কৰিবৰ কাৰণে বিশেষ ধৰণৰ কাম কৰিব পৰা নাই। ১ লাখ চাকৰি দিম বুলি কৈছিল, সেই তেতিয়াই ক'লে এতিয়ালৈকে সেই ১ লাখ চাকৰি দিয়াৰ কামটো হোৱা নাই অথচ ২০২২

চনৰ ৩১ মাৰ্চৰ ভিতৰত ১ লাখ চাকৰি দি শেষ কৰিম বুলি কৈছিল আৰু তাৰ পাছৰ বছৰ আৰু ১ লাখ চাকৰি দিম বুলি কৈছিল, সেইটোও বাদ দিলে। সেইবিলাক একো কৰিব পৰা নাই। আমাৰ মানুহক যদি সঁচাকৈ কৰ্মসংসস্থাপন দিব লাগে, অসমীয়া জাতিৰ প্ৰধান কামটো হ'ব লাগে যে আমাৰ ল'ৰা-ছোৱালী বিলাকক professionalism কৰিবলৈ শিকাব লাগে। অসমীয়া জাতিৰ মাজত professionalism আনিব লাগে। পেচাদাৰী যদি সচাকৈ নাহে, অসমীয়া জাতি কেতিয়াও কোনোপধ্যে উন্নতি লাভ কৰিব নোৱাৰে। কিন্তু এই পেচাদাৰী কৰিবৰ কাৰণে, পেচাদাৰী মানসিকতা গঢ়িবৰ কাৰণে বা কৰ্মসংস্থাপন সৃষ্টি কৰিবৰ কাৰণে কিন্তু এই বাজেটত একো নাই। এই বাজেটৰ মুল উদ্দেশ্যটো হ'ল হিতাধিকাৰী সৃষ্টি কৰা। আজি মুখ্যমন্ত্ৰীয়ে হাঁহি হাঁহি কৈ আছে যে হিতাধিকাৰী সৃষ্টি কৰাটো তেওঁৰ চৰকাৰৰ আটাইতকৈ ডাঙৰ credit আৰু হিতাধিকাৰী সৃষ্টি কৰাটো তেওঁৰ সৌভাগ্যৰ কথা। যদি তেনেকুৱা এজন মুখ্যমন্ত্ৰীৰ দিনত অসমৰ আচলতে প্ৰকৃততে অসমৰ কেতিয়াও উন্নতি সম্ভৱ নহয়। যদি সঁচাকৈ অসমৰ মানুহৰ প্ৰকৃত অৰ্থত সংস্থাপন দিব লাগে, অসমক যদি ধনী কৰিব লাগে তেতিয়াহ'লে আমি ৫ টা কাম কৰিবই লাগিব। ১ নম্বৰ অসমৰ পথাৰ বিলাকত সকলো সময়তে১২ মাহে খেতি কৰা অৱস্থালৈ লৈ যাব পাৰিব লাগিব। ১২ মাহে খেতিকৰা ৰাজ্য হিচাপে ব্যৱস্থা কৰিব লাগিব। দ্বিতীয় কথা স্থানীয় মানুহৰ হাতলৈ বজাৰ খিনি আনিব পাৰিব লাগিব, তৃতীয় কথা, গাঁৱে ভূঁঞে নগৰে চহৰে অসমৰ উৎপাদিত সামগ্ৰীৰে ক্ষুদ্ৰ উদ্যোগ গঢ়িব লাগিব। চতুৰ্থ কথা ওচৰ চুবুৰীয়া ৰাজ্য বা দেশ আছে যেনেকৈ ভুটান, বাংলাদেশ আছে সেই দেশ বিলাকৰ লগত আমাৰ বাণিজ্য কেনেকৈ বৃদ্ধি কৰিব লাগে এই কথাটোৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু পঞ্চম কথা, অগ্ৰণী পৰ্য্যটন ৰাজ্য হিচাপে অসমক আমি প্ৰতিষ্ঠা কৰিব লাগিব। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই কালি কৈছে যে নহয়, আমাৰ উন্নয়ণৰ প্ৰধান হেঙাৰ হ'ল জনসংখ্যা। তেওঁ কৈছে যে জনসংখ্যা বৃদ্ধিৰ কাৰণে আমি উন্নতি কৰিব পৰা নাই। কিন্তু জনসংখ্যা বৃদ্ধি আচলতে আৰ্শীবাদ নে অভিশাপ এই কথাটো একেবাৰে গুৰুত্বপূৰ্ণ। মই ভাৱো যে প্ৰকৃতাৰ্থত আমাৰ জনসংখ্যাক যদি প্ৰকৃতাৰ্থ আৰু পেচাদাৰী কৰি তুলিব পৰা যায় আৰু ৰাখি ৰাখি যদি বাণিজ্যিক কেন্দ্ৰ, ৰাখি ৰাখি ক্ষুদ্ৰ উদ্যোগ আৰু এখন ভাল পৰ্য্যটন অসম গঢ়ি তুলিব পৰা যায় এই জনসংখ্যা বৃদ্ধিটো কেতিয়াও অভিশাপ নহয়, এই জনসংখ্যা বৃদ্ধিতো আমাৰ কাৰণে আৰ্শীবাদ হ'ব পাৰে। আমি দেখিছো যে আজি গোৱাৰ নিচিনা সৰু ৰাজ্যখনত আটাইতকৈ বেছি per capita income. এবছৰত এজন মানুহৰ income ৫ লাখ টকাতকৈ বেছি। আজি আমাৰ ইয়াৰ বাজেটত কৈছে যে অসমৰ এজন মানুহৰ এবছৰৰ income কিমান, কৈছে যে ১ লাখ ২০ হাজাৰ টকা। গোৱা কিন্তু সৰু ৰাজ্য ৫ লাখতকৈ বেছি। আমাৰ ওচৰৰ ৰাজ্য চিকিমত তেওঁলোকৰ ৫ লাখ ১৯ হাজাৰ টকা। যিসময়ত অসমৰ মানুহৰ ১ লাখ ২০ হাজাৰ টকা, অৰুণোদয় আঁচনিত ২ লাখ টকা দিব পৰাটো অসমৰ মুখ্যমন্ত্ৰীৰ আটাইতকৈ ডাঙৰ কথা। কৈছে যে আমাৰ অসমখন model state হৈ গৈছে। কেনেকুৱা মডেল, অৰুণোদয় মডেল কি ধৰণৰ কি ধৰণৰ অৰুণোদয় মডেল। ২ লাখ টকাত দুখীয়া মানুহ বিলাকক এটা scheme দিছে। কিমান টকাৰ ১২ শ ৫০ টকাৰ। ১২ শ ৫০ টকা মানে কিমান? ১২ শ ৫০ টকা মানে ১৫ ডলাৰ। ১৫ ডলাৰত কিমান চাউল পোৱা যায় আমেৰিকাত। ১৫ ডলাৰত ৩ কেজি চাউল পোৱা যায়। ৩ কেজি চাউল পোৱাৰ যোগ্যতা অসম এখন বনাবৰ কাৰণে মুখ্যমন্ত্ৰীৰ সপোন। অসমৰ মুখ্যমন্ত্ৰীৰ সপোন হ'ল এইটো। আজি আমি দেখিছো অসমৰ অৱস্থা তেওঁ কৈছে যে দৰিদ্ৰতা নাইকিয়া হ'ল বাজেটৰ ১ নং পৃষ্ঠাত। বাজেট বক্তৃতাত। কিন্তু আমি দেখিছো যে আজিৰ দিনটোত অসম ভাৰতবৰ্ষৰ অষ্টমখন আটাইতকৈ দুখীয়া দৰিদ্ৰ

ৰাজ্য। এইটো একেবাৰে স্পষ্ট ৰূপত Hand book of statistics of Indian State ত আলোচনা কৰিছে। আজিৰ দিনটোত অসমৰ মানুহৰ গড় আয়ুস ২২ খন ৰাজ্যৰ ভিতৰত আমি চতুৰ্থ নিম্ন। দুখীয়া ৰাজ্যৰ গড় আয়ুস কম থাকে। আজি জনমুৰি বিদ্যুত লাভৰ ক্ষেত্ৰত কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত ৩৫ খন ৰাজ্যৰ ভিতৰত আমাৰ আটাইতকৈ কম বিদ্যুতৰ লাভ কৰো। নিম্নতম। আমি ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ কম। ১ শ জন মানুহৰ ভিতৰত যদি টেলিফোন থকা মানুহ আছে অসমত আমি ৭০.৭২ জনৰহে টেলিফোন আছে। তাৰমানে ভাৰতবৰ্ষত আমি এইক্ষেত্ৰত তলৰ পৰা পঞ্চম। আধাতে স্কুল এৰাৰ ক্ষেত্ৰত আমি দেখিছো ৩৫ খন ৰাজ্যৰ ভিতৰত LP school ত আমি সপ্তম স্থান আৰু Secondary school ৰ ক্ষেত্ৰত আমি তৃতীয় স্থান। প্ৰসুতিৰ মৃত্যুৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ বেছি সন্তান জন্ম দিওতে মহিলাৰ মৃত্যু ঘটে। শিশুৰ মৃত্যুৰ ক্ষেত্ৰত আমি ভাৰতবৰ্ষৰ ভিতৰত আমি তৃতীয়। তেনেকুৱা এখন অসম মডেল তৈয়াৰ কৰিবৰ কাৰণে আজি কাম কৰি থকা এই চৰকাৰ খনক মই মাত্ৰ এটা বাক্য কৈ শেষ কৰিব বিচাৰিছো growth ৰ বাবে বাজেটৰ ব্যৱস্থা থাকিব লাগে। কিন্তু একেদৰে inclusive economic development আঁচনি থাকিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** Thank You.

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** আমেৰিকাত মাত্ৰ ৩ কেজি চাউল....

**মাননীয় উপাধ্যক্ষ ঃ** Please Record ত নাযাব। Nothing will go on record.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** চাৰ মোক ৩ মিনিট সময় দিব। ময়োতো Member এই সদনৰ।

**মাননীয় উপাধ্যক্ষ ঃ** 2 minute.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ**Thank You Hon'ble Deputy Speaker Sir, due to shortage alloted time I will just touch on 3 striking features of the budget. Firstly as per FRBM act the revenue deficit should have been 11 dated by 2011.But we have failed measurtably continiously we are have been revenue deficit. Not only having revenue deficit, The revenue deficit it is increasing year by year. No. 2, the fiscal defcit should be as per FRBM act within 4% with the conditional increament but during 2022-23 it was 6.1% that is violated in the provision in the FRBM act. Our revise estimate is since to be very unrealistic perhaps in the supplymentary demands the provision should also be made about the surplus in other departments this is not made because of that. During the last 5 to 10 years the revised estimate since to be very unrealistic when the actual figure comes it is quite different. Now I would like to touch 3 points of my related to my constituency. Sir, মোৰ বাঘবৰ সমষ্টিত বাঘবৰহাট এখন ব্যক্তিগত খণ্ড অধীনত চলা এখন হাট। পঞ্চায়ত amendment act ত 107 rule মতে, no private hut is allowed untill it has got prior approval of the Government or the Panchyat. Baghbar hut not have prior of people.So it is

elligal market. No. 2 for any cattle market it should as per the provisions of the cattle of preservision act that means the private cattle market should have either be registered or it should have licence. Baghbar cattle market does not have either registration or it is not provided licence. So it is illegal market. Sir I have repetadly asked question to the Hon'ble Minister that why it is illegal things are allowed to continue in detriment to the Government and market. কিন্তু আজিলৈ কাৰ স্বাৰ্থত মাননীয় উপাধ্যক্ষ মহোদয় এই private চলিত বজাৰখন ব্যক্তিগত বজাৰ খন Reservation Act, Panchyat act violate কৰি allow কৰা হৈছে। ২ নম্বৰ..

**মাননীয় উপাধ্যক্ষ ঃ** Please sit down. Nothing will go on record. এতিয়া আমাৰ সময় প্ৰায় শেষ হ'ব হৈছে। মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়নীৰ reply খিনি সময়টো বঢ়াই লওঁ।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বাজেট বিতৰ্কত অংশ গ্ৰহণ কৰা মাননীয় সদস্যসকল ক্ৰমে সৰ্ব্বশ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, ভৰত নৰহ, ভূৱন পেগু, আমিনুল ইছলাম (জ্যেষ্ঠ), নৱ দলে, আবুল কালাম ৰছিদ আলম, মানৱ ডেকা, ৰমেন্দ্ৰ নাৰায়ন কলিতা, পদ্ম হাজৰিকা, মনোৰঞ্জন তালুকদাৰ, তৰঙ্গ গগৈ, উৎপল বৰা, আব্দুল ৰহিম আহমেদ, জয়ন্ত বসুমতাৰী, কমলাক্ষে দে পুৰকায়স্থ, দৰসিং ৰংহাং, মৃনাল শইকীয়া, আশ্ৰাফুল হুছেইন , শিবু মিশ্ৰ, আফটাবউদ্দিন মোল্লা, তেৰছ গোৱালা , মোঃ আমিনুল ইছলাম, কৃষ্ণকমল তাঁতি, দেৱব্ৰত শইকীয়া, কৌশিক ৰয়, জলেন বসুমতাৰী, মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া , ৰাজেদ আলি চৌধুৰী , পোনাকন বৰুৱা, হাফিজ ৰফিকুল ইছলাম, ৰকিবুল হুছেইন , লৰেন্স ইছলাৰী, অখিল গগৈ , আৰু শ্বেৰমান আলি আহমেদ- এই বিতৰ্কত সৰ্ব্বমূঠ ৩৮ জন বিধায়কে অংশ গ্ৰহণ কৰিছে । এই সন্মানীয় বিদায়কসকলক মই মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো যে, অতি দীঘলীয়া সময় আপোনালোকে এই বিতৰ্কত অংশগ্ৰহণ কৰিছে আৰু মই আপোনালোকৰ সকলো বক্তব্য নিজে শুনিছো আৰু নোট ডাউন কৰিছো । বিৰোধী দলৰ বহু মাননীয় সদস্যই আৰু আমাৰ শাসকীয় দলৰ কেইবাজনো সদস্যই ভাল পৰামৰ্শ আগবঢ়াইছে গতিকে শাসক বিৰোধী দলে যিখিনি ভাল পৰামৰ্শ দিছে ভবিষ্যতে সেইখিনি গ্ৰহণ কৰিম বুলি মই আশ্বাহ দিছো । ইয়াত আমাৰ মন্ত্ৰীসকলেও আপোনালোকৰ বক্তব্যবিলাক শুনিছে। উপাধ্যক্ষ মহোদয়, এইটো মোৰ পৰম সোভাগ্য যে, যি বাজেট মই এই অধিবেশনত উত্থাপন কৰিছো এইখন মোৰ চতুৰ্থখন বাজেট । প্ৰথমখন বাজেট যেতিয়া মই উত্থাপন কৰিছিলো তেতিয়া মই এটা কথা কৈছিলো যে, ক'ভিড সৃষ্ট পৰিবেশত মই প্ৰথমখন বাজেট উত্থাপন কৰিছিলো । সেইখন এখন ভিজন ডকুমেন্ট যদিও আমি এটা বছৰৰ আয় আৰু ব্যয়ৰ খতিয়ান দিব লাগে। মই কৈছিলো যে, এইখন এক বছৰীয়া বাজেট নহয় , ই হৈছে আমাৰ মিত্ৰজোট চৰকাৰৰ ৫ বছৰৰ এখন ভিজন ডকুমেন্ট । ৫ টা বছৰৰ কাৰণে আমি চৰকাৰখনে কোনটো ডাইৰেকশ্যনত যাম সেই সকলোবিলাক ইয়াত উল্লেখ আছে । যিহেতু ৰাইজৰ আৰ্শীবাদ আমাৰ মূৰত আছে - গভট্ ইজ এ কন্টিনোৱাচ প্ৰচেচ- বাজেটত আমি যি লক্ষ্য নিৰ্দ্ধাৰণ কৰো তাৰে কিছু কাম আমি এটা বছৰতে সম্পূৰ্ণ কৰিব নোৱাৰো । আমি যিবিলাক আঁচনি প্ৰথমখন বাজেটত ধাৰ্য্য কৰিছিলো সেই কিছুমান আঁচনি আমাৰ ধাৰাবাহিকতাৰে থাকিব আৰু কিছুমান আঁচনি যদি পৰৱৰ্ত্তী সময়ত সংশোধন কৰিব লাগে বা নোহোৱা কৰিব লাগে তেনেহ'লে আমি

সেইবিলাকো চালিজাৰি চাইহে আগুৱাই লৈ যাম । মাননীয় উপাধ্যক্ষ মহোদয়, ২০২১-২২ বৰ্ষত বাজেটত ১,০৭৫৫৬ কোটি টকা, ২০২২-২৩ বৰ্ষত ১,১৯,৫৫১ কোটি টকা আৰু ২০২৪-২৫ বৰ্ষত ১,৪৩,৮৯০ কোটি টকা ধাৰ্য্য কৰা হৈছিল। আজি বাজেট এখন প্ৰস্তুত কৰোতে আমি এই টকাটোৰ আয় ব্যয়ৰ উৎসটো দাঙি ধৰো আৰু টকাটো কি ধৰণে খৰছ কৰিম এই গোটেইখিনি কথা ইয়াত দিয়া আছে উপাধ্যক্ষ মহোদয়, এই বিধান সভাৰ মজিয়াত বহুতো অভিজ্ঞ বিধায়ক আছে । বাজেটৰ টকাটো মই কেনে ধৰণে খৰছ কৰিছো , টেক্স ৰেভিনিউ কিমান হ'ব, মুঠ খৰছ কিমান হ'ব, এই এশ টকাটো সম্পূৰ্ণ ইয়াত দিয়া আছে । মই এটা কথা লক্ষ্য কৰিছো যে, মাননীয় সদস্যসকলে ৰুপীটোৰ ক্ষেত্ৰত পাৱলিক দিশটোৰ ক্ষেত্ৰতহে তেওলোকে সমালোচনা কৰিছে কিন্তু ৮০ শতাংশ টকাটো ক'ৰ পৰা আহিব, এই কথাখিনি কৈছে যদিও তেওলোকে ২০ শতাংশৰ ওপৰতহে বেছিকৈ জোৰ দিছে । মাননীয় উপাধ্যক্ষ মহোদয়, এশ টকাটোৰ গোটেইখিনিয়ে ইয়াত কন্ট্ৰিবিউশ্যন থাকে । বাকীবিলাক সদস্যৰ কথা লৈ মই পিছত আহিম । মোৰ এইবাৰৰ বাজেটখনৰ কথা কওঁ যে আয় আৰু ব্যয়ৰ চোৰ্চটো কেনেকৈ পাম এই কথাখিনি ৰিয়েলিষ্টিকভাৱে ইয়াত দাখিল কৰিছো । এইখন সদনত মই প্ৰায় ২৩ বছৰ আছো । ইয়াত বাজেট প্ৰস্তুত কৰা দেখিছো । ভৰত নৰহ ডাঙৰীয়াই ইয়াত কিছুমান কথা উল্লেখ কৰিছে। তেখেতে কৈছে যে এই বাজেটখন সম্পূৰ্ণৰূপে এখন হিতাধিকাৰী সৃষ্টি কৰা বাজেট । এই বাজেটত এচ ডি জি গোলৰ কোনো তথ্য বা কথা নাই। তেওঁ কৈছে যে, জিডিপিৰ কথা- আমি কৈছো যদিও এইটো ৰিয়েলিষ্টিকভাৱে হোৱা নাই । বাজেটৰ চৰিত্ৰ সলনি হৈছে উপাধ্যক্ষ মহোদয় মই আগতেই কৈছো যে, বাজেটত আয় আৰু ব্যয় গোটেইখিনি দিয়া থাকে । বাজেটখন চালে এচ ডি জিৰ গোলটো দেখাই পাব। মই তিনিখন বাজেট উত্থাপন কৰিছো। য'ত মই হাইলাইট কৰিছো - য'ত এছ ডি জি গোলত ক'ত কিমান টকা খৰছ কৰা হৈছে - ইয়াত লক্ষ্যবিলাক লিখাই আছে । কিন্তু এই বাজেটখনত কি আছে সেইটো চাবলৈ হ'লে বাজেটখনৰ ভিতৰলৈ যাব লাগিব। বাজেট বনোৱাটো সহজ কথা নহয় । ভুৰুকাত যেনেকৈ হাতীটো ভৰাই দিব লাগে তেনেধৰণৰ কথা। কাৰণ ১৪৩ হাজাৰ কোটি টকাৰ বাজেটখন মই এই বক্তব্যত সম্পূৰ্ণকৈ উল্লেখ কৰিব নোৱাৰো কিন্তু যোৱা তিনি বছৰৰ সম্পূৰ্ণ কাৰ্য্যৰ খতিয়ান এই বাজেটখনত আছে । মই মাত্ৰ আভাসহে দিছো, বাকী ডিটেইলচ গ্ৰান্টবিলাকত দিয়া আছে । ডিপাৰ্টমেন্ট বিলাকৰ যি বাজেট আছে আপোনালোকে তাতে পাব । মই মাত্ৰ ইয়াত উল্লেখ কৰিছো যে, এইখিনি আয় হ'ব, ব্যয় হ'ব চোৰ্চ কি হ'ব আৰু ডাইৰেকশ্যনটো কি হ'ব । উপাধ্যক্ষ মহোদয়, বহুতেই কৈছে যে, এইটো ডাইৰেকশ্যনলেছ বাজেট কিন্তু মই গৌৰৱ অনুভৱ কৰিম যে, অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই অলপ আগেত বক্তব্য দি থৈ গৈছে, এই সদনে ধন্যবাদ দিব লাগিব যে, এই অমৃত কালত উপনীত হোৱাৰ পিচত তেখেতে কিজানি একমাত্ৰ মুখ্যমন্ত্ৰী যিয়ে অসমক ভাৰতৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ সপোন দেখিছে। সপোন দেখাটো বহুত ডাঙৰ কথা। আজি এই বাজেটত এই ডেফিনিট গোলৰ কথা পাতে পাতে আপোনালোকে পাব যে অসমক সৰ্ব্ব শ্ৰেষ্ঠ ৰাজ্য হিচাপে তৈয়াৰ কৰাৰ পৰিকল্পনাও ইয়াতে পাব । এই বাজেটত মই লিখিছো যে অসমৰ বিকাশৰ এই যাত্ৰা আমাৰ চৰকাৰৰ মূল মন্ত্ৰ হৈছে আত্মনিৰ্ভৰশীল অসম । উপাধ্যক্ষ মহোদয়, আজি পুৰণা বাজেট বহুকেইখন পালো ইয়াৰে দুখনমান মই লৈ আহিছো । চালো যে ইয়াত আত্মনিৰ্ভশীলৰ কিবা কথা আছে নেকি? অসমখনক আগুৱাই নিয়াৰ বাবে কিবা গোল পাইছিলোনেকি? এইখন ২০১২-১৩ চনৰ ৰ বাজেট । ইয়াত অসমখনক ক'ত লৈ যাব, লক্ষ্য কি ইয়াত কোনোধৰণৰ উল্লেখ নাই । ইয়াত কেৱল এটা বছৰৰ আয় ব্যয়ৰ খতিয়ান নহয়

লক্ষও থাকিব লাগে। এইবাৰৰ বাজেটত প্ৰথম ৫ খন ৰাজ্যৰ তালিকাত অসমৰ স্থান নিশ্চিত কৰাৰ লক্ষ্য বুকুত বান্ধি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে, অসমৰ প্ৰতি গৰাকী নাগৰিকৰ উত্তৰণ নোহোৱালৈকে আমাৰ এই বিকাশৰ যাত্ৰা অব্যাহত ৰাখিম ।আমি স্পষ্টভাৱে কৈছো যে, অন্ত্যোদয়া সমাজৰ শেষৰজন ব্যক্তিৰ উত্তৰণ নোহোৱালৈকে মুখ্যমন্ত্ৰী হিমন্ত্ৰ বিশ্ব শৰ্মা ডাঙৰীয়া চৰকাৰৰ এই যাত্ৰা অব্যাহত থাকিব। এই বাজেটত ইমান ধুনীয়াকৈ আমি লক্ষ্য ৰাখিছো যে দুই কোটি চল্লিছ লাখ চৰাঞ্চলৰ মানুহৰ উন্নয়ণৰ বাবে ৰাখিছো। সমাজখনৰ প্ৰতিটো চৰৰ উন্নয়নৰ কথা আমি ইয়াত উল্লেখ কৰিছো। উপাধ্যক্ষ মহোদয়, মইও এগৰাকী মহিলা, প্ৰথমখন বাজেটতে কৈছিলো যে এগৰাকী মহিলাৰ মমতাময়ী হৃদয়েৰে মই এই বাজেটখন উত্থাপন কৰিছো আৰু এইবাৰো গৌৰৱেৰে মই বাজেটখন উপস্থাপন কৰিছো যে কোনকেইটা কেটেগৰীত লৈ যাব বিচাৰিছো ।

মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথম হৈছে- মহিলা, মহিলা সৱলীকৰণ। দ্বিতীয় হৈছে- যুৱ সৱলীকৰণ আৰু তৃতীয় হৈছে-দৰিদ্ৰ কল্যাণ, চতুৰ্থতে হৈছে- অসমত হলিষ্টিক ডেভলপমেণ্ট। যিটো আমি যোৱা সাতটা বছৰৰ পৰা কৰি আহিছো আৰু এতিয়া আমি বিস্তীৰ্ণ ভাৱে কৰিব বিচাৰিছো। মই ইয়াত কৈছো যে যোৱা তিনি বছৰত ৰাজ্যখনত উল্লেখযোগ্য অগ্ৰগতি পৰিলক্ষিত হৈছে আৰু তাৰ পিছৰ অৱস্থাটো হৈছে শান্তি। পাহাৰ-ভৈয়াম, চৰ সকলো অঞ্চলৰ লোকে ইয়াত বসবাস কৰিছে। আগতে যিখন অসমত এটা সময়ত বচৰি জনমূৰি আয়ত অসম এক নম্বৰত আছিল। এতিয়া আমি আহি আহি কি স্তৰ পাইছো আৰু ইয়াৰ বাবে দায়ী কোন? এই কথাবোৰ চোৱাৰ আজি সময় আহি পৰিছে। আমি এতিয়া চাইছো যে অসম আগুৱাই যাব লাগে। আমাৰ প্ৰত্যাহ্বান হৈছে গড়াখহনীয়া, বানপানী, নিবনুৱা সমস্যা আদি। এতিয়া এই প্ৰত্যাহ্বানসমূহ নোহোৱা কৰিবৰ বাবে আমাৰ লক্ষ্য কি? সেই লক্ষ্যখিনি আমি চাব লাগিব। দুৰ্ভাগ্য বশতঃ যোৱা সময়ছোৱাত একোধৰণৰ লক্ষ্য নেদেখিলো। মই সেইকাৰণে প্ৰথম বাৰতে কৈছিলো যে মই এনেকুৱা ধৰণৰ এটা লীগেচী কঢ়িয়াইছো যিটো নাইকিয়া কৰিবৰ বাবে আমাক কিছু সময় লাগিব। যাৰ বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আগতে কৈ গৈছে যে আগতে যদি আঠ ঘণ্টা কাম কাৰিব লাগিছিল, এতিয়া যোল্ল ঘণ্টা কাম কৰিব লাগে। লীগেচীৰ যিটো জাৱৰ, সেইটো যদি আমি নোহোৱা কৰিব লাগে, আমি দিনে-নিশাই কাম কৰিব লাগিব। সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে তেওঁ শুৱা নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা তিনি বছৰৰ যি সফলতা বা প্ৰাপ্তি সেই বিষয়ে কৈছে। মই সেই বিষয়ে আৰু ক'ব বিচৰা নাই। আমি যোৱা তিনি বছৰৰ প্ৰাপ্তি আৰু সফলতা লৈ কৈছো যে আত্মনিৰ্ভৰশীল অসম। আগতে ভাৰতৰ প্ৰক্ষাপটত অসমক Land of লাহে লাহে বুলি কৈছে। এতিয়া অসমত হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বতসেই ছবি সলনি হৈছে। আজি অসম উজ্জিৱীত হৈছে। ভাৰত বৰ্ষৰ মানুহে অসমত আহিবলৈ উপলব্ধি কৰিছে আৰু অসমলৈ আহিছে। পূৰ্বলৈ চোৱা, Look east নীতি ল'লে নহ'ব। সেই নীতি অসমত কাৰ্য্যকৰী কৰিছে নে নাই? আজি মোদী ডাঙৰীয়াই সৰকা সাথ, সৰকা বিকাশ বুলি কোৱা নাই। তেওঁ অসমক চাইছে। অসমৰ জাতি-জনগোষ্ঠী-ডিমাহাচও, কাৰ্বি আংলং আৰু সকলো ভৌগলিক উপত্যকাৰ মানুহৰ মাজত ক্ষুভ আছিল। সেই ক্ষুভৰ বিহিংকৰণৰ কাৰণে অসমখন খণ্ড-বিখণ্ড হৈছিল। মানুহৰ মাজত ক্ষুভৰ নোহোৱা কৰিবৰ বাবে আমি সঁচা অৰ্থত কাম কৰিছো। মই যেতিয়া বাজেট উত্থাপন কৰিবলৈ প্ৰথম বাৰলৈ গৈছিলো, মই দেখিছিলো যে কাৰ্বি আংলং, বি টি আৰ, ডিমাহাচাও আদি যিখিনি পইচা লাগে তাৰ বাবে তেওঁলোকে আমাক হাত পাতিব লাগে। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক নিজে কৈছিলো যে এইটো কেনেকুৱা ধৰণৰ পদ্ধতি চলি আছে। আজি তেওঁলোকক আমি স্বায়ত্ব

শাসন দিছো। কিন্তু তেওঁলোকৰ অৰ্থনৈতিক শাসন নাই। তেওঁলোকে আকৌ দিছপুৰলৈ আহিব লাগে প্ৰশাসনীয় এপ্ৰোভেল ল'ব লাগে। তেতিয়া তেওঁলোকৰ স্বায়ত্ব শাসনৰ যি অধিকাৰ, সেই টো আছে নে নাই? আমি আমাৰ প্ৰশাসনীয় ৰিফৰ্মসমূহ এনেধৰণে কৰিছো যে কাৰ্বি আংলঙৰ বাবে বাজেটত যিখিনি ধন ধাৰ্য্য কৰিছো আমি দুটা কিস্তিত তেওঁলোকক মোকলাই দিম। যি ধৰণে ভাৰত চৰকাৰে আমাক পইচা দিয়ে। তেওঁলোকে এচেম্বলীত নিজৰ ধন অনুমোদন কৰি লৈছে। এইটো তেওঁলোকৰ প্ৰকৃতাৰ্থত অৰ্থনৈতিক স্বাধীনতা হয় নে নহয়। মুখেৰে অৰ্থনৈতিক স্বাধীনতা ক'লে নহ'ব। সঁচা অৰ্থত আমি অৰ্থনৈতিক স্বাধীনতা দিছো নে নাই। আমি এই জাতি-জনগোষ্ঠীৰ লোক সকলক স্বায়ত্ব শাসন ঘোষণা কৰিলো। কিন্তু পুঁজি দিয়াৰ ক্ষেত্ৰত আকৌ কণ্ট্ৰোল কৰো। ভাৰত চৰকাৰৰ পৰা টকা সমূহ আহে। এটা সময়ত এনেকুৱা আছিল যে আমি কি কৰিব লাগে বান্ধি দিয়ে। মই এই কাৰণে সদনক কৈছো যে এটা সময়ত এনেকুৱা আছিল যে যিখিনি উন্নয়ণৰ ধন সেইখিনি দৰমহাত খৰচ কৰে। আজি মোদী ডাঙৰীয়াৰ নেতৃত্বত সেইখিনি হোৱা নাই। আজি পুঁজিৰ সৎ ব্যৱহাৰ হৈছে। বাজেটত টকা ৰাখিলে নহ'ব। সেইটোৰ সৎ ব্যৱহাৰ হৈছে নে নাই, সেইটো ও চাব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ অৰ্থনৈতিক ৰিফৰ্ম আৰু সু-শাসনৰ কাৰণে ভাৰতে আজি বিশ্বৰ পঞ্চম শক্তিশালী দেশ হিচাবে প্ৰতিষ্ঠিত হৈছে। তেওঁলোকে কৈছে যে তৃতীয় অৰ্থনৈতিক শক্তি হ'ম। কিন্তু আগতেতো ভাৰতবৰ্ষই এই কথাখিনি ক'ব পৰা নাছিল। আমি অসমে কেনেকৈ কৰো? আমি আমাৰ ৰাজহ খিনি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিছো। মই ইয়াত যোল্ল শতাংশ সুঁত বঢ়াম বুলি লিখি দিছো। কাৰণ আমি জানো যে এখন ৰাজ্যই যদি নিজৰ ৰাজহ বঢ়াব নোৱাৰে, পৰমুখাপেখী ৰাজ্য এখনে কেতিয়াওঁ চেলফ্ চাচষ্টেনেবল হ'ব নোৱাৰে। এইখিনি এইখন চৰকাৰে জানে আৰু উপলব্ধি কৰো। এই ক্ষেত্ৰত মোদী ডাঙৰীয়াই সহায় কৰিছে। আমি প্ৰথম বাৰৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক শক্তিশালী হোৱাটো উপলব্ধি কৰিছো। আমাৰ মনোৰঞ্জন ডাঙৰীয়াই সদায় কৈ থাকে যে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক শক্তিশালী হ'ব লাগে। আমি গৌৰেৰেৰে ক'ব পাৰো যে তেওঁলোকে যদিও আমাক পইচা দিছে, আমি তেওঁলোকক কেতিয়াওঁ পইচা খুজিবলগীয়া হোৱা নাই। কেন্দ্ৰীয় চৰকাৰে কেতিয়াবা চেণ্ট্ৰেল শ্বেয়াৰ অফ টেক্স দুমাহ অগ্ৰিম হিচাপে আমাক দিয়ে। আমি আমাৰ পুঁজিৰ কাৰণে কান্দিব লগা হোৱা নাই। আমি আমাৰ সুবিধা-অসুবিধাৰ কথা কেন্দ্ৰীয় চৰকাৰক ক'ব পাৰিছো আৰু আঁচনি ল'বলৈ সক্ষম হৈছো। আজি ঋণৰ কথা কৈছে। মই সকলো দায়বদ্ধতাৰে কৈছো যে আমি ঋণ লোৱাৰ ক্ষেত্ৰত যিখিনি ক্ৰাইটেৰীয়া লাগে সকলো ক্ৰাইটেৰিয়া পূৰণ কৰিয়েই ঋণ লৈছো। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়া আপুনি এজন অভিজ্ঞ বিধায়ক আৰু মন্ত্ৰীও আছিল। আপুনি নিজেই কৈছে যে চৰকাৰে যিখিনি ঋণ লৈছে, সেইখিনি ল'বৰ বাবে নিয়ম-নীতি মানিব লাগে, সেই সকলোখিনি আছে। মোৰ লগত তালিকাখন আছে। কিন্তু মই গাবলৈ বিচৰা নাই। বিগত সময়ছোৱাত আপোনালোকে বহু তালিকা গাইছে। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ ৰিজাৰ্ভ বেংকৰ তথ্য আপোনাৰ হাতত আছে। সেইকাৰণে আপোনালোকে ৰাজ্য চৰকাৰৰ এই তথ্যখিনি নাচায়। মোক বিষয়াসকলে সকলোখিনি তথ্য দিছে। আপোনালোকৰ হাতত যিখিনি তথ্য আছে, সেইখিনি অডিটেড হয়নে নহয়, সেই বিষয়ে মই নাজানো। মোৰ তাত সকলো খিনি Authentic তথ্য আছে। কিন্তু এইবোৰ পঢ়ি কি লাভ হ'ব। আপোনালোকে তাত এইকাৰণেই বহিছে কাৰণ আপোনালোকে ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন কৰিব দিয়া নাই। আমাৰ দায়িত্ববোধ আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি প্ৰতিশ্ৰুতি দিছিল সেইখিনি পালন কৰাৰ দায়িত্ব আমাৰ আছে আৰু যোৱা তিনিটা বছৰৰ পৰা আজিৰ দিনটোলৈ মই

মাননীয় বিত্ত মন্ত্ৰী হিচাবে ৰাইজক দিয়া যি প্ৰতিশ্ৰুতি সেইয়া আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰিছো। আমি ৰাজনৈতিক দল আৰু ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন কৰিব লাগিব। এইখন বাজেটত চাব ইয়াত It is a continuation of programmes. কাৰণ এখন ৰাজ্যত এদিনতে নিৰ্মাণ হ'ব নোৱাৰে। ইয়াৰ বাবে ভেটি লাগিব। ইয়াত প্ৰত্যেকটো কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সুন্দৰভাৱে ব্যাখ্যা কৰিছে। মই ভাৱো কোৱাৰ প্ৰয়োজন নাই। তথাপিতো মই দোহাৰিছো যে আমি আমাৰ প্ৰতিশ্ৰুত ৰক্ষা কৰিছো আৰু ৰাজনীতিত প্ৰতিশ্ৰুতি ৰক্ষা কৰাটো সকলোতকৈ ডাঙৰ দায়িত্ব। মই কিছুমান বিধায়কক মুখেৰে ক'ব বিচৰা নাই যে আমি সম্পূৰ্ণভাৱে দায়বদ্ধ আৰু দায়বদ্ধতা প্ৰকাশ কৰিয়েই এই বাজেটত গোটেই কথাখিনি কৈছো। আমি ইয়াত এটা কথা কৈছো যে জন অংশীদাৰিত্ব। মই গৌৰৱেৰে ক'ব পাৰিছো যে এইখন চৰকাৰে প্ৰত্যেকখন আঁচনিতে অভূতঃপূৰ্ব জন অংশীদাৰিত্ব ৰাখিছে। আগৰ চৰকাৰৰ আঁচনিসমূহত ইমান স্বচ্ছতা নাছিল। স্বচ্ছতা এনেকুৱা যে আজি হিতাধিকাৰীৰ কথা কোৱা হৈছে। এইটো হয় যে আমি আত্ম সহায়ক গোট সমূহক পাঁচ-দহ হাজাৰকৈ টকা, দুশ-আঢ়ৈকৈ বৃদ্ধ পেঞ্চন দিছিলো। ইয়াত খুব হৰলুকী হৈছিল। আমাৰ পূৰণি মাননীয় সদস্য সকলে এই বিষয়ে জানে। ব্লকত যেতিয়া আঢ়ৈ শ টকা মুকলি কৰি দিয়ে, তাতেও পঞ্চাশ টকা আত্মসাৎ কৰে। প্ৰত্যেকটো পুঁজিতে ধনৰ হৰলুকী বা অপব্যৱহাৰ হয়। এই গোটেই কথাবোৰ মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই দেখিছিল। ৰাজনৈতিক অভিজ্ঞতাৰে তেওঁ কৈছিল যে দৰিদ্ৰ মানুহক দিয়া অধিকাৰ তেওঁলোকক দিব লাগে। আজি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে DBT দিব নালাগে। DBT ৰ উদ্দেশ্যটো কি? মানুহগৰাকীক মই ৫০০ টকা দিছো, সেইটোৰ অধিকাৰ মই বেলগক দি কি কৰিম? বনোৱা ঘৰ এটাৰ ইটাৰে জুনিয়ৰ ইঞ্জিনীয়াৰজনে আকৌ বনায়। এটা সময়ত PMAY, IAY ৰ ঘৰ আছিল। তেতিয়া ২৫০০০ টকা, ইটা, বালি, চিমেণ্ট সকলো জুনিয়ৰ ইঞ্জিনীয়াৰজনক ব্লকে যোগান ধৰে। বেচেৰা হিতাধিকাৰীজনে গমেই নাপায়। এই যে টকাৰ হৰণ ভোগন হৈছিল, সেইখিনি নাইকিয়া কৰিবৰ কাৰণে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ধন-জন যোজনাৰ যি একাউণ্ট খুলিলে, তাৰ জৰিয়তে ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে দৰিদ্ৰ লোকসকলৰ যি আত্ম-সন্মান, যি financial freedom, সেইখিনি পাবলৈ সক্ষম হ'ল। আমি সেইটোকে অনুকৰণ কৰিছো। আমি অৰুণোদয় আঁচনিত এগৰাকী দৰিদ্ৰ মহিলাক ১২,৫০০ টকাকৈ দিছো। আমাৰ আমিনুল ইছলাম ডাঙৰীয়া ইয়াত এতিয়া আছে নে নাই নাজানো, তেখেতে আগতেও এবাৰ কৈছিল। আপুনি চাওঁক আমি নিজেই বিধায়ক। আমাৰ ওচৰলৈ কিমান দৰিদ্ৰ আই, আইতাসকল আহে। তেওঁলোকৰ মুখত আমাৰ নিজৰ বাই-ভনী বা আপোনালোকৰ পত্নীৰ চকু দেখিব লাগিব, মুখখন দেখিব লাগিব। তেতিয়া আপোনালোকে উপলব্ধি কৰিব যে এগৰাকী দৰিদ্ৰ আইতাৰ মনৰ বেদনা কি? আমাৰ ওচৰলৈ তেনেকুৱা আইতা কিমান যে আহে। মই নিজে এইখন আঁচনি যেতিয়া দিছো, মই তেতিয়া কৈছিলো যে এইখন আঁচনি সদ্ ভাৱে, স্বচ্ছ ভাৱে ৰূপায়ণ হ'ব লাগিব, সেইটো আমাৰ উদ্দেশ্য আছিল। সেয়েহে এইটো Social sector ত আমি পুঁজি দিছো।

আজি micro finance ৰ বাবে যে আমি ৪০০০ কোটি টকা দিছো, সেইখিনি ক'লৈ যাব? আপোনালোকে ডাঙৰ ডাঙৰ অৰ্থনীতিবিদৰ কথা কৈছে। মই নাম নকওঁ। কিন্তু এজন ডাঙৰ অৰ্থনীতিবিদ অমৰ্ত্য সেনে কোনটো অৰ্থনীতি ভাল বুলি কৈছে? Micro Economy ভাল হ'ব বুলি কৈছে নে নাই? ৪০০০ কোটি টকা যেতিয়া আমি মাৰ্কেটত এৰি দিলো তাৰ পৰা

গোটেই Economy টো dynamic হ'ল নে নাই? কিন্তু, আগতে ঠিকাদাৰজনক payment কৰিলে, দুই-চাৰিজন মানুহ উপকৃত হৈছিল, whereas, এতিয়া এই ৪০০০ কোটি টকা তললৈ যাব। Money should percolate to the ground। সেইটোৱেই আমাৰ উদ্দেশ্য।

আত্ম সহায়ক গোট মহিলা উদ্যমিতা আঁচনিৰ ক্ষেত্ৰত কওঁ।আমি যিসকল পুৰণা বিধায়ক আছো, আমাৰ আঁচনিসমূহৰ ওপৰত বহুত অভিজ্ঞতা আছে। আজি আপোনালোকে ঋণৰ কথা কৈছে। কিন্তু আপোনালোকে নিজৰ সমষ্টিৰ আত্ম-সহায়ক গোটৰ মহিলা সকলে কি কৰি আছে এদিনো সোধা নাই। মই এইখিনি কথা বাজেট আলোচনাত ক'ব লাগিব বুলি গোটেই ৰিপ'ৰ্ট লৈ আহিছো। মোক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে আত্ম-সহায়ক গোটৰ তিনি বছৰৰ কাম-কাজৰ এটা ৰিপ'ৰ্ট দিছে। তাত লিখা আছে আমি তেওঁলোকক তিনিটা বছৰত ১০০০ কোটি subsidy দিছো। কিন্তু, তেওঁলোকে নিজাববীয়াকৈ বেংকৰ পৰা কিমান ঋণ লৈছে জানে নে? ৮০০০ কোটি টকা। আপোনালোকে কোনেও নাজানে। মই চৰ অঞ্চলত বহুত গৈছো। মাইক্ৰ ফাইনেন্সৰ ঋণ ঘূৰাই দিবলগীয়া সেই মাতৃসকলক দেখি মই বহুত আচৰিত হৈছিলো। অসমত ২৫ লাখ উদ্যমী মহিলা আছে। মই তেওঁলোকক উদ্যমী বুলি কৈছো উপাধ্যক্ষ মহোদয়। তেওঁলোকৰ অৰ্থনৈতিক দুৰ্বলতাৰ কাৰণে সদন হাঁহিব নালাগে। আজি কোনো এগৰাকী মাতৃৰ অৰ্থনৈতিক অৱস্থাৰ কাৰণে হাঁহিব নালাগে। ভগৱানে নকৰক কিবা কাৰণত পৰিয়ালৰ যদি দুৰ্দশা হয়, তেন্তে মহিলাগৰাকীয়ে পকেটৰ পৰা কেইটামান হ'লেও টকা উলিয়াই দিব পাৰে। স্বামীয়ে নিদিলেও তেওঁ সন্তানৰ বাবে কেইটামান টকা সাঁচি থৈ দিয়ে। চৰাঞ্চলত মই নিজে গৈ মহিলাবোৰৰ হাতত ধৰি সুধিছিলো, আপোনালোকৰ কোনে কি কৰে? তাৰ কোনোবা এজনীয়ে কৈছিল তেওঁ মেচিন চলায়, কোনোবা জনীয়ে আকৌ হাঁহ-কুকুৰা পুহে বুলি কৈছিল। তেতিয়াই মোৰ চকুপানী ওলাই গৈছিল যে অসম চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে প্ৰকৃতাৰ্থত এজন সন্তানৰ কাম আই-মাতৃসকলৰ বাবে কৰিছে। তেওঁ মাতৃসকলৰ ঋণটো ঘূৰাইছে। আজি ঋণৰ সংজ্ঞা সলনি হৈছে। মোৰ ইয়াত বহুত তথ্য আছে, সেইখিনি মই ক'বলৈ নাযাওঁ। আগতে বাজেট আছিল ৮০০০ কোটিৰ । দৰমহা দিব নোৱাৰে। তেতিয়া ঋণৰ পইচা দৰমহা দিয়াত খৰচ কৰে। গতিকে, আজি মোৰ বাজেটত বৈশিষ্ট সলনি হৈছে নে নাই কওঁক। আমি ঋণৰ পইচা দৰমহাত খৰচ কৰা নাই বৰঞ্চ উন্নয়নত খৰচ কৰিছো। মোৰ বাজেটখনত মই যিখিনি ঋণ লৈছো সেইখিনি ধনেৰে আমি অসমৰ উন্নয়নৰ বাবে কাম কৰিছো। আমি invest কৰিছো। Invest কৰাৰ লগে লগে আমাৰ GDP growth হ'ব। GDP ৰ growth, rapid হোৱাৰ কাৰণটোৱেই হৈছে investment. আমাৰ যে বাজেটৰ পৰিমাণ বাঢ়িলে, ১,২৬০০০ কোটি টকা খৰচ কৰিলো।এইবাৰ আমাৰ ১.৪৩ কোটি হৈছে। গতিকে মোৰ যিখিনি investment হৈছে, সেইখিনি GDPত contribute হ'ব। সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে ইমান সবল ভাৱে কৈছে যে আমাৰ ২০২৭ত GDP ১০ লাখ হ'ব। আমাৰ foundation ৰ বাবেই আজি আমি এইখিনি কথা সাহসেৰে ক'ব পাৰিছো। We are in he right direction. আমি এটা সঠিক দিশত গৈছো। আমাৰ লক্ষ্য সুনিৰ্দিষ্ট যে আমি ১০ লাখ GDP পাম। এই ক্ষেত্ৰত মহিলাসকলেই ভাগী দায়িত্ব ল'ব লাগিব। উপাধ্যক্ষ মহোদয় মই এখন কিতাপ পঢ়িছিলো, য'ত মহাত্মা গান্ধীয়ে কৈছিল - মহিলাসকল হ'ল মাতৃ, শক্তি আৰু মহিলাসকলে ইচ্ছা কৰিলে সমাজৰ মূল খুঁটিটোকে সলনি কৰি দিব পাৰে। আপোনালোকে মহিলা এগৰাকীৰ বৈশিষ্ট চাওঁকচোন। এগৰাকী মহিলাৰ স্বামী যদি নাইকিয়া হয়, তেতিয়া সন্তানৰ মুখলৈ চাই হ'লেও মহিলা গৰাকী জীয়াই থাকে। আমি সেই শক্তিক ৰূপান্তৰ কৰিব বিচাৰিছো। অসমখনক

আৰু আগুৱাই লৈ যাব বিচা ৰিছো। এয়াই আমাৰ মুখ্য কাৰণ। হিতাধিকাৰী বুলি ক'লে আপোনালোকে মহিলাসকলক নাহাঁহিব। মহিলা সকলে আমাক জন্ম দিছে। সেই মাতৃৰ ঋণ শোধাৰ দায়িত্ব আমাৰ নাই নে? আগতে ১-২-৩ হাজাৰ মহিলাৰ কথা আছিল, কিন্তু এতিয়া একেলগে ৩৯ লাখ মহিলাক আমি আগুৱাই লৈ যাম। এইয়া Saturation. এনে saturation আগতে কোনে কৰিব পাৰিছিল? আমাৰ আত্ম-সহায়ক গোটবোৰ সমষ্টিত যেতিয়া ১০০ মান আহে, তেতিয়া আমি ভাৱো, বাঃ বহুত পালো। এইবাৰ সকলোৱে পাব বুলি কৈছে। এতিয়া কাজিয়াও নালাগে, কাৰো মূৰৰ চুলিও নিছিঙে। সকলোৱে পাব। সূতা-কম্বলৰ liability আমাৰ চৰকাৰৰ মূৰত এতিয়াও আছে। কিন্তু আমি মহিলাসকলক liability নিদিওঁ। তেওঁলোকক আমি empower কৰি যোৱাটো আমাৰ লক্ষ্য।

উপাধ্যক্ষ মহোদয়, আমাৰ যুৱক-যুৱতীসকলৰ বাবে সকলো চিন্তিত। সন্তানৰ মাতৃ-পিতৃ হিচাপে আমি যথেষ্ট চিন্তিত। আমাৰ প্ৰত্যাহ্বানবোৰ ক'ৰ পৰা আহিব পাৰে তাৰ বাবে আমি সঠিক চিনাক্তকৰণ কৰিছো। কন্যা সন্তানৰ বাল্য বিবাহ, কন্যা সন্তানৰ শিক্ষা আমাৰ বাবে বৃহৎ challenge আছিল। এই প্ৰত্যাহ্বান আমি সকলোৱে গ্ৰহণ কৰিব লাগিব। এইখন বাজেট অকল শাসক দলৰ বাবেই নহয়। এইখন বাজেট আমাৰ ১২৬ জন বিধায়কৰ বাবে। বাজেটত আমি যিখন 'নিযুত মইনা আঁচনি' দিছো, এই আঁচনিৰ জৰিয়তে ছোৱালীসকলক ১৮ বছৰৰ আগত বিয়া নকৰাবলৈ শিকাব বিচাৰিছো। তেওঁলোকৰ গৰ্ভস্থ সন্তানটো অপুষ্টিকৰ শিশু হ'ব। আমাৰ উদ্দেশ্য হ'ল ছোৱালীসকলক empower কৰা, বাল্য বিবাহ ৰোধ কৰা আৰু শিক্ষাত enrolment বৃদ্ধি কৰা। গতিকে, এই লক্ষ্যবোৰ স্থাপন কৰি কোনোবা বাজেটত এনেকুৱা পুঁজি ধাৰ্য কৰা হৈছিল নেকি ? মই এটা সমষ্টিৰ প্ৰতিনিধিত্ব কৰি আহিছো। যুৱকসকলৰ ক্ষেত্ৰত মই দেখিবলৈ পাইছো যে তেওঁলোকে উপলব্ধি কৰিছে যে আমাৰ ৰাজ্যখনত সকলো সম্পদ আছে। 'আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম? সকলো আছিল সকলো আছে নুবুজো নলওঁ গ'ম।' -এই কথাষাৰ আমি যুৱ -প্ৰজন্মক শিকাবলৈ চেষ্টা কৰিছো। অসমীয়া যুৱকসকলে, আমাৰ ৰাজ্যত যে সকলো সম্পদ আছে তাক গ্ৰহণ কৰি আগুৱাই যাব লাগে। সেইকাৰণে কি কৈছো বেঙ্কৰ লোনটো দিবই লাগিব। আপোনালোক যদি CD ratio চায় বেঙ্কবিলাকত, RBI report ও নিজে পাব। অসমৰ CD ratio কম কিয়? লোন ল'ব নালাগে বুলি যে আমাক ভয় খুৱাই থাকে। এটা লোনৰ প্ৰতি ঋণাত্মক । উপাধ্যক্ষ মহোদয়, আজি ব্যৱসায় কৰিলে লোন ল'ব লাগিব নে নাই? আমি লোন ল'ব লাগিব লগতে লোন ঘূৰাব লাগিব। নিজে সেই কথাখিনি শিকাব লাগিব। এটা সময়ত কি হয়, আমাৰ ভয় লাগে যে ৫০০০ টকা কল্পতৰুত দিলো, দিয়াৰ লগে লগে ক'ৰ পইচা কোনে খালে কি কৰিলে একো নাইকীয়া হ'ল। গতিকে আমি এতিয়া পৰিকল্পিতভাৱে কৰিছো যে portal ত তেওঁলোকে নিজৰ scheme দিব, তেওঁলোকক training দিয়াম, training দিয়াৰ পাছত বেঙ্কে লোন দিব, subsidy দিলো, পিছত তেওঁলোকে ঘূৰাব, আত্মনিৰ্ভৰশীল যুৱক হ'বলৈ তেওঁলোকে চেষ্টা কৰিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, পইচাটো এনেয়ে দলিয়াই দিম নেকি? Every money is counted.Every money has got its a own value.It should be multiply to five and six times.আজি ক'বলগা আমি হৈছো যে অসমৰ বিভিন্ন ধৰণৰ লোক আছো। অসমৰ যুৱক সকলক entirepreneurship.যিটো ব্যৱসায়িক মানসিকতা সেইটো শিকাবৰ কাৰণে আজি পৰিৱেশ হৈছে।

**माननीय उपाध्यक्ष ঃ** অলপ চমু কৰিলে ভাল হ'ব।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্তমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বাণিজ্যৰ কথা কোৱা হৈছে, উদ্যোগৰ কথা কোৱা হৈছে। আমিনুল ইছলাম ডাঙৰীয়া (কণিষ্ঠ), তেখেতে কৈছে যে এটা সময়ত আমি power sector ত স্বাৱলম্বী হ'ব পৰা নাই। কিন্তু আমি পৰিকল্পনা কৰিছো যে বাহিৰৰ পৰা invest কৰি আমাৰ অসমৰো থাকে নেকি যে পাৱাৰ আমি দিব পাৰো ? এতিয়া এনেকুৱা পৰিৱেশ আমাৰ হৈছে , পাৱাৰ বিক্ৰীও নকৰে, বাকী ৰাজ্যবিলাকে। Pick hours ত পাৱাৰ পাবলৈও টান। অসমে সেইটোলৈকে পৰিকল্পনা কৰিছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যাতে আমি Surplus power, Power Project, Kapili Project, Hydrolic Power Project, গোটেইখিনি আমি NC Hills ৰ পৰা কৰি আছো। আমাৰো চিন্তা আছে যে যে বাহিৰা কোনোবা project ৰ লগত আমিও নিজে stake হ'ব পাৰো নেকি ? উদাহৰণস্বৰূপে, নুমলীগড় ৰিফাইনেৰী, অসমৰ সৰ্ব্বশ্ৰেষ্ঠ বিনিয়োগ হৈছে ২০০০ কোটিতকৈও বেছি টকা নুমলীগড় ৰিফাইনেৰীত আমি নিজৰ share তেওঁলোকৰ পৰা কিনি লৈছো। এইখিনি কথা আমি গৌৰৱ কৰিব নালাগে নেকি ? প্ৰথমবাৰৰ বাবে অসমৰ নিচিনা এখন ৰাজ্যই। নুমলীগড় ৰিফাইনেৰীটো গ'ল বুলি আমি কান্দি আছিলো। কান্দি থাকিলে হ'ব নেকি উপাধ্যক্ষ মহোদয়। চকুপানী টুকিলে কি হ'ব ? আমি নিজে লোকৰ পৰা সমবেদনা লৈ লাভ নাই। এতিয়া যুঁজাৰ সময়। প্ৰতিযোগিতাত নমাৰ সময়। গতিকে আমি যুঁজিছো অসমক শ্ৰেষ্ঠ পাঁচ খন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰাবৰ বাবে। আজি দিল্লীলৈ গ'লে মনটো ভাল লাগে। এটা সময়ত আমাৰ মন্ত্ৰী বিলাকৰ যেতিয়া আলোচনা হয়, তেতিয়া মই নিজে গৈছিলো, যাওঁতে মই মহিলা শিশু কল্যাণ বিভাগৰ Power point দেখুৱাইছিলো। যেতিয়া মই কৈছিলো যে Assam is going to invest almost, মানে ১৫০০-১৬০০ কোটি টকাৰে আমি অঙ্গনবাড়ী কেন্দ্ৰৰ construction model কৰিছো, সকলোৱে আমাক কৈছিল যে Assam should take the lead. আমি নতুন innovation আনিবলৈ চেষ্টা কৰিছিলো।

উপাধ্যক্ষ মহোদয়, আজি ৰাজ্যৰ প্ৰশাসনত নতুনত্ব আহিছে। গতিকে এইখিনি কথাই মই আজি আপোনালোকক ক'লো। প্ৰত্যেকটো কথাৰ হয়তো মই উত্তৰ দিব পৰা নাই কিন্তু অসম আজি সঠিক পথত গৈছে। উপাধ্যক্ষ মহোদয়, আজি অখিল গগৈ ডাঙৰীয়াই পত্নী-পুত্ৰক লৈ দিল্লী চাবলৈ যায়। আজি আমি যি iconic project লৈছো তাৰবাবে অসম চাবলৈ বাহিৰৰ পৰা মানুহ আহিব। আমি অযোধ্যা চাবলৈ নিছো, কাৰণ তাত গৈ যিটো ধৰ্মীয় পৰ্য্যটন সেইটো আমি অসমতো কৰিবলৈ গৈ আছো। ৰংঘৰৰ যিটো পৰ্য্যটন, কামাখ্যা মন্দিৰৰ যিটো পৰ্য্যটন, এটা সময়ত আমি সপোন দেখিছিলো যে এনেকুৱা ধৰণৰ project বিলাক অসমলৈ আহিব, iconic project আমি য'ত invest কৰিব পাৰিম, গতিকে সদনৰ পৰা এনেকুৱা এটা negative বাৰ্তা যাব নালাগে। আমি চৰকাৰখনে সুনিৰ্দ্দিষ্ট লক্ষ্যৰে উপনীত হৈছো আৰু মোৰ যি বাজেট হৈছে, সেইখিন হৈছে Budget of Hope.গভীৰ প্ৰত্যাশাৰে মই বাজেটত সোমাইছো। অসমৰ প্ৰত্যেকজন যুৱকৰ ওপৰত মোৰ বিশ্বাস আছে, মহিলাসকলৰ ওপৰত বিশ্বাস আছে,আমাৰ যি দৰিদ্ৰ নাৰায়ণ বুলি কৈছো তেখেতসকলৰ ওপৰত বিশ্বাস আছে, কৃষকসকলৰ ওপৰত বিশ্বাস আছে, অসমৰ মানুহে আমাৰ বাজেটখনক আদৰি ল'ব আৰু সেইখিনি আশীৰ্বাদ মই আপোনালোকৰ পৰা বিচাৰিছো। বিত্ত মন্ত্ৰী হিচাপে মই সদনৰ সকলোৰে পৰা বাজেটখন implementation

হোৱাৰ ক্ষেত্ৰত সদিচ্ছা বা সক্ৰীয় সহযোগিতা বিচাৰিছো। যদিও মই বিত্ত মন্ত্ৰী, মই ধন দিওঁ, বাকী বিভাগীয় মন্ত্ৰী সকলে এইবিলাক implement কৰে। গতিকে মই প্ৰত্যেকজন মোৰ সতীৰ্থ মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ বিগত সময়ছোৱাত তেওঁলোকে সঠিকভাৱে তেওঁলোকক দিয়া পুঁজিবিলাক ৰূপায়ণ কৰিছে।এইবাৰো যিখন বাজেট ৰাখিছো সেইখনো এখন realistic budget, আশা কৰিছো যে এইখন আশাৰ বাজেট , প্ৰত্যাশাৰ বাজেট আৰু আত্মনিৰ্ভৰশীল অসমৰ বাজেট হওক। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** বহুত বহুত ধন্যবাদ। এতিয়া সদন ২১-০২-২০২৪ চনৰ পুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।